# গোৱালপাৰা মহাবিদ্যালয়

# আলোচনী

২৭তম সংখ্যা



সম্পাদক

প্ৰদ্যুম্ন নাথ

# গোৱালপাৰা মহাবিদ্যালয়ৰ

# মুখপত্ৰ

GOALPARA COLLEGE

CRCSS IS THE CROWN

## বাৰ্ষিক প্ৰকাশ

২৭ তম সংখ্যা, ১৯৯৩-৯৪ ইং

সম্পাদক

প্ৰদ্যুম্ন নাথ

## সম্পাদনা সমিতি—


**সভাপতি ঃ**

শ্ৰীযুত খগেন্দ্ৰ প্ৰসাদ ডেকা (অধ্যক্ষ)

**তত্বাৱধায়ক ঃ**

অসমীয়া বিভাগ —

ডঃ ৰবীন্দ্ৰ নাৰায়ণ চৌধুৰী
( মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ )

ইংৰাজী বিভাগ —

শ্ৰীসন্তোষ মিশ্ৰ ( অধ্যাপক, ইংৰাজী বিভাগ )

**উপদেষ্টা ঃ**

শ্ৰীযুত ৰমাকান্ত বৰুৱা ( বুৰঞ্জী বিভাগ )
মোঃ মোজামিল হক (গ্ৰন্থাগাৰিক )

**সম্পাদক ঃ**

প্ৰদ্যুম্ন নাথ

**সদস্য ঃ**

শংকৰ দাস

**অংগ সজ্জা ঃ**

সম্পাদক

**বেটুপাত ঃ**

শ্ৰীঅমল মেধী

**প্ৰকাশক ঃ**

গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থা

**মুদ্ৰণ ঃ**

হেমকোষ প্ৰিন্টাৰ্ছ, শিলপুখুৰী, গুৱাহাটী-৩


## কৃতজ্ঞতা


১৯৯৩-৯৪ বৰ্ষৰ
আলোচনীখন প্ৰকাশ কৰি উলিয়াওঁতে
অধ্যক্ষ খগেন্দ্ৰ প্ৰসাদ ডেকা চাৰ,
আলোচনী তত্বাৱধায়ক
শিক্ষক ডঃ চৌধুৰী চাৰ
আৰু
মিশ্ৰ চাৰৰ লগতে ৰত্ন দালৈ
মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ।
আৰু
মহাবিদ্যালয়ৰ যিসকল ছাত্ৰ-ছাত্ৰীয়ে
মোক আলোচনীখন উলিওৱাত সহায় কৰিছিল
তেওঁলোকলৈ মই ধন্যবাদ জনোৱাৰ লগতে
হেমকোষ প্ৰেছৰ কৰ্মীবৃন্দলৈ
মোৰ আন্তৰিক কৃতজ্ঞতা
জনালোঁ।

সম্পাদক


★

ড° নিৰ্মল কুমাৰ চৌধুৰী
উপাচাৰ্য্য
গুৱাহাটী বিশ্ববিদ্যালয়
Vice-Chancellor
GAUHATI UNIVERSITY

গোপীনাথ বৰদলৈ নগৰ
Gopinath Bordoloi Nagar
Gauhati University
Guwahati-781014

Date : 6.2.95

প্ৰিয় সম্পাদক,

জিলিকি উঠক লুইতৰে পাৰ
-এয়ে মোৰ শুভেচ্ছা বাণী ।

(নিৰ্মল কুমাৰ চৌধুৰী)



## শুভেচ্ছা বাণী

গোৱালপাৰা কলেজৰ আলোচনীখন প্ৰকাশ কৰিবলৈ ওলোৱা বুলি শুনিবলৈ পাই ভাল লাগিছে। কলেজ আলোচনীখন কলেজৰ দাপোন স্বৰূপ। ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক প্ৰতিভা বিকাশৰ ই একমাত্ৰ মাধ্যম। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ প্ৰতিভা বিকাশ কৰাৰ উদ্দেশ্যে নিয়মিতভাৱে লিখা-পঢ়া কৰা বাঞ্চনীয়। কলেজ আলোচনীত কবিতা, গল্প, প্ৰৱন্ধ আদি লিখি ভৱিষ্যতে একোগৰাকী সুলেখক লেখিকা হব পাৰিব বুলি আমাৰ বিশ্বাস। সকলো লেখক-লেখিকালৈ শুভেচ্ছা জনালো। সম্পাদকে যাতে সময়মতে আলোচনীখন ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ হাতত তুলি দিবলৈ চেষ্টা কৰে আৰু সমৰ্থ হয় তাৰেই কামনা কৰিলো। সম্পাদকে অশেষ কষ্ট কৰি আলোচনীখন প্ৰকাশ কৰিবলৈ চেষ্টা কৰা বাবে ধন্যবাদ জনালো।

জয়তু গোৱালপাৰা কলেজ

জয়তু গোৱালপাৰা কলেজ আলোচনী।

অধ্যক্ষ, গোৱালপাৰা কলেজ
গোৱালপাৰা

# সম্পাদকীয়



লিখনিৰ আৰম্ভণিতে অসম আন্দোলনৰ সময়ত মৃত্যুবৰণ কৰা মহান বীৰ সকলোলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম নিবেদিছো।

সাহিত্য এটা জাতিৰ দাপোণ স্বৰূপ। সাহিত্য ৰচনাই এখন সমাজৰ বৈচিত্ৰপূৰ্ণ ভাৱধাৰা প্ৰকাশ পায়। বিশেষকৈ শিক্ষানুষ্ঠানসমূহৰ জৰিয়তে সাহিত্যৰ সম্প্ৰসাৰণত বহু পৰিমাণে ছাত্ৰ-ছাত্ৰী সকলোক সুপথে আগবাঢ়িবলৈ প্ৰেৰণা যোগাই আহিছে।

কোনো এটা ভাষাৰ প্ৰচাৰ আৰু সম্প্ৰসাৰণৰ ক্ষেত্ৰত সাহিত্যৰ ভূমিকা অতিশয় উল্লেখনীয়। সাহিত্য বিকাশৰ এবিধ প্ৰধান আহিলা, আলোচনী বা মুখপত্ৰ। আলোচনী বা মুখপত্ৰই হ'ল শিক্ষানুষ্ঠানবোৰৰ অতি প্ৰয়োজনীয় সম্পদ।

সময় গতিশীল। সম্প্ৰতি আমাৰ চৌপাশৰ পঙ্কিলময় পৰিৱেশত সাহিত্য-শিল্প-সংস্কৃতি সাধনৰ উপযুক্ত স্থান নাই। বাস্তৱমুখী প্ৰামূল্যিক শিক্ষাৰ বিপৰীতে আত্মকেন্দ্ৰীক আৰু পৰমুখাপেক্ষী হবলৈ যি শিক্ষা ব্যৱস্থা আমাক দিয়া হৈছে তাৰ ফলশ্ৰুতিয়েই পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত নিৰ্দিষ্ট পাঠ কেইটামানত ওলমিছেগৈ আমাৰ শিক্ষা। জ্ঞান আৰু বাস্তৱতাৰ সতে সংগতিবিহীন শিক্ষাই আমাৰ সামাজিক প্ৰমূল্যবোধক কৰৱ দিয়াটোৱেই স্বাভাৱিক।

মহাবিদ্যালয়ৰ মুখপত্ৰখনৰ জৰিয়তে চিন্তা-চৰ্চাৰ প্ৰকাশ ঘটে। কিন্তু অপ্ৰিয় হলেও এটা কথা সত্য যে বৰ্তমান প্ৰায় ছাত্ৰ-ছাত্ৰীয়ে তত্ত্বগধুৰ লিখনি লিখা বা পঢ়াৰপৰা নিজকে বিৰত ৰাখে। কেৱল লঘু আবেগৰ বশবৰ্ত্তী হৈ তৰাং ভাৱৰ লিখনিতহে পোষকতা কৰে। ভাষা আৰু ব্যাকৰণৰ ভুল নধৰিলোৱেই বা! এই সংখ্যাৰ বাবে কেইটামানহে প্ৰৱন্ধ পাইছিলো আৰু কৱিতা-গল্পৰ সংখ্যা যথেষ্টই আছিল কিন্তু বিচাৰ কৰোতে উপযুক্ত মানদণ্ডৰ অভাৱত সম্পাদনাৰ মেজতে ৰৈ গ'ল। বৰ্তমান সাহিত্য বাস্তৱমুখী, তাত সন্দেহ নাই; কিন্তু এই বাস্তৱমুখীতাই যদি প্ৰগতিবাদী সাহিত্যৰ বাটত হেঙাৰ হয় তেন্তে সৃষ্টিশীল সাহিত্যৰ বাবে এয়া দুৰ্দিনেই বুলিব লাগিব। ছাত্ৰ-ছাত্ৰীসকলে গতানুগতিক চিন্তা পৰিহাৰ কৰি চিন্তাশীল লিখা-মেলাত হাত দিয়ক। এয়ে মোৰ আপোনালোকৰ ওচৰত বিনম্ৰ অনুৰোধ। কাৰণ বৰ্তমান মহাবিদ্যালয় আৰু সমাজৰ সকলো দায়িত্ব আহি পৰিব আপোনালোকৰ কান্ধত ---।

শেষত আলোচনীখন সঠিক সময়ত আপোনালোকৰ হাতত তুলি দিব নোৱাৰাৰ বাবে মইয়েই দায়ী নহয় কিন্তু সকলো দোষৰ বাবে নিজকেই দোষ দিছো। আমাৰ ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খন আমাৰ পিছৰ চামে উজ্বলাই তোলক।

গোৱালপাৰা মহাবিদ্যালয়ৰ উজ্বল ভবিষ্যৎ কামনাৰে
জয়তু গোৱালপাৰা মহাবিদ্যালয়।
"জয় আই অসম"

**প্ৰদ্যুম্ন নাথ**
আলোচনী সম্পাদক
গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থা
২/২/৯৫

# সূচীপত্ৰ


**প্ৰবন্ধ ঃ**

| | | |
|---|---|---|
| অসমীয়া ভাষালৈ অসমৰ জনজাতীয় ভাষাসমূহৰ অৱদান | উপেন ৰাভা হাকাচাম | ১ |
| নেপোলিয়ন, শিক্ষা আৰু আইন | মোজাম্মেল হক | ৮ |
| আলোকপাত—শিক্ষা আৰু শৈক্ষিক পৰিৱেশ | কৌশিক চৌধুৰী | ১২ |
| ৰেগিং এক নিৰ্দোষ ধেমালী নে ছাত্ৰ সমাজৰ উশৃংখলতাৰ কাৰক | অনামিকা ভট্টাচাৰ্য্য | ১৫ |
| ভাৰতীয় অৰ্থনীতিত কুটিৰ আৰু ক্ষুদ্ৰ উদ্যোগৰ প্ৰভাৱ আৰু ইয়াৰ উন্নয়ন | শঙ্কৰ দাস | ১৭ |
| জল প্ৰদূষণ | মুকুতা ৰায় | ১৯ |
| বৰ্ত্তমান মানৱ সমাজ আৰু যুৱ সম্প্ৰদায়ৰ প্ৰতি বিবেকানন্দৰ আদৰ্শ | সোণমা চক্ৰৱৰ্ত্তী | ২১ |

**গল্প ঃ**

| | | |
|---|---|---|
| সন্ধিয়াৰ সমীৰণ | যুথিকা সমাজদাৰ | ২৩ |
| এটি গল্পৰ প্লটৰ সন্ধানত | ৰক্তিম শৰ্মা | ২৭ |
| মুক্তিৰ 'পথ বিচাৰি | শেৱালী কলিতা | ৩০ |
| প্ৰতাৰণা | ছুকেন আলী | ৩৪ |


**কবিতা ঃ**

| | | |
|---|---|---|
| আত্মভূগোল | জীৱন নৰহ | ৩৬ |
| স্বেদ-তৰংগ | মৃণাল কুমাৰ গগৈ | ৩৬ |
| যুদ্ধৰ শান্তি পুত্ৰ | সন্তোষ কুমাৰ মিশ্ৰ | ৩৭ |
| নদীখনক বৈ যাবলৈ দিয়া | তৰুণ নাথ | ৩৭ |
| শৰবিদ্ধ মুহূৰ্ত্ত | শ্যামল দাস | ৩৮ |
| দিনান্তৰ প্ৰতিচ্ছবি | চন্দন নাথ | ৩৮ |
| অশ্ৰু আৰু মানুহৰ বুকু | কল্পনা ডেকা | ৩৮ |
| পৰিভ্ৰমণ | মলিন চন্দ্ৰ ৰাভা | ৩৯ |
| অনুভূতি | অজিত দাস | ৩৯ |
| হাতীপটিৰ বাটত | মনোজ কুমাৰ ডেকা | ৪০ |
| সংঘাত | আকবৰ হুছেইন | ৪০ |


**English Section :**

| | | |
|---|---|---|
| Energy from the Sea | Prof. T. Sharma | 1 |
| Dowry—A Crime most Vile | Akbor Hussain | 4 |
| The Father of Modern Rocketry 'Goddard' | Lutfur Rahman | 6 |
| College magazines and their uses | Pranjit Chakravartty | 8 |
| **Life Story :** Thomas Alva Edison | Meghali Sarmah | 10 |
| **Poetry :** The Shadows | Prof. S.V. Appayya | 12 |
| Good bye | Narzima Rehman | 13 |
| Hope or Expectation | A. Mannan | 13 |
| Men is the Truest Wealth of Nation | Inamul Rafique | 14 |
| Awakening | Akbor Hussain | 14 |
| I wrote your name | Bikramjeet Sarkar | 14 |
| প্ৰতিবেদন | | ১৫-২১ |
| আমাৰ প্ৰাক্তন আলোচনী সম্পাদকসকল | | ২২ |

# *Executive Committee G.C.S.U 1993 - 94.*



(Sitting from L. to R) : Prof. Dr. Manoj Chakrabarty (Ex. President), Principal K.P. Deka (President), Prof. Mr. Gobinda Kalita (i/c Festival), Mr. Ratnakar Das (Vice President), Mr. Pradip Barmudai (G.S.).
(Standing from L. to R.) : Mr. Bishajit Laheri (Secy. Boys Common Room), Mr. Afftabur Rahman (Secy. Festival), Mr. Sankar Das (Secy. Cultural), Mr. Pradyumna Nath (Editor Magazine), Mr. Sagidur Rahman (Secy. Social Service), Mr. Rajesh Ghose (A.G.S.).
Not in Picture : Prof. P. Seal (i/c Indoor Game), Prof. P. Sutia (i/c Outdoor Game), Prof. S. Mishra and Dr. R. N. Choudhury (i/c Magazine), B. Medhi (i/c Cricket), Prof. A.S.R. Ahmed (Cultural), Prof. J. Das (i/c Social Service), Prof. T. Sarmah (i/c Debeting & Symposium), Prof. Mrs. Mishra.
Mr. H. Das (Secy. Indoor Game), Mr. P. Das (Secy. Out Door Game), Mr. S. Das (Secy. Footbal & Valiball), Mr. K. Sarmah (Secy. Cricket), Miss. M. Goswami (Secy. Girls Common Room).




বক্তৃতা দিয়া সময়ত
অধ্যক্ষ খগেন্দ্ৰ প্ৰসাদ ডেকা



শ্বহীদ বেদীত মাল্যৰ্পণ কৰিছে
সঃ সম্পাদক প্ৰদীপ বৰমূদৈ



১৯৯৩ - ৯৪ চনৰ গোৱালপাৰা মহাবিদ্যালয়ৰ
ৰাষ্ট্ৰীয় সেৱা যোজনাৰ সদস্য-সদস্যা বৃন্দ,
লগতে অধ্যাপক জ্যোতিষ দাস।



গৌতম ৰাভা
শ্ৰেষ্ঠ বহিঃদ্বাৰ খেলুৱৈ।



দেৱ কুমাৰ চক্ৰৱৰ্ত্তী
একেৰাহে দ্বিতীয় বাৰৰ বাবে
শ্ৰেষ্ঠ তাৰ্কিক।



**Abdul Hanif**
N.C.C. Senior Under Officer



বেৰেক চুলতানা আহমেদ
শ্ৰেষ্ঠা বহিঃদ্বাৰ খেলুৱৈ
১৯৯৩ - ১৯৯৪ চনৰ।





**Nasrin Firdouri Islam**
শ্ৰেষ্ঠা গায়িকা



**স্বপন কুমাৰ দাস**
শ্ৰেষ্ঠ অভিনেতা
১৯৯৩ - ৯৪ চন



**ভূপালী পাটগিৰি**
শ্ৰেষ্ঠা অভিনেত্ৰী
১৯৯৩ - ৯৪ চন



**প্ৰাচীৰ প্ৰত্ৰিকাৰ দ্বাৰ মুকলি কৰিছে**
**অধ্যাপক - গোবিন্দ কলিতা**

প্ৰবন্ধ

# অসমীয়া ভাষালৈ অসমৰ জনজাতীয় ভাষাসমূহৰ অৱদান

**উপেন ৰাভা হাকাচাম**
অধ্যাপক, গুঃ বিঃ

অসমীয়া ভাষা সমন্বয়ৰ ভাষা—‘অসম’[1] নামক দেশ এখনত বাস কৰা মানুহৰ ভাষা। অসমীয়া ভাষা সাৰ্বভৌম ভাৰতৰ সংবিধানে স্বীকৃতি দিয়া আৰু সাহিত্য অকাডেমীয়ে অনুমোদন কৰা আঞ্চলিক ভাষাসমূহৰ অন্যতম ভাষা। অসমীয়া ভাষা বিশ্ববিদ্যালয় অনুদান আয়োগৰ (U.G.C.) দ্বাৰা স্বীকৃত এটা আধুনিক ভাৰতীয় ভাষা (M.I.L.) আৰু একমাত্ৰ অসম ৰাজ্যত প্ৰচলিত ৰাজ্যিক ভাষা। মন কৰিবলগীয়া যে—অসমীয়া ভাষাৰ এটা চলতি ৰূপে (Jargon or broken Assamese) উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰায়বোৰ ৰাজ্যসমূহত এতিয়াও সংযোগী ভাষাৰ (Lingua-franca) ভূমিকা লৈ আছে।

অসমীয়া ভাষাৰ উদ্ভৱ, বিকাশ আৰু ইয়াৰ সমৃদ্ধিৰ ইতিহাস আছে। অসমীয়া ভাষাই এদিনতে গঢ় লোৱা নাছিল আৰু কোনোবা বিখ্যাত ভাষাবিদ নতুবা সাহিত্যিকে অধ্যয়ন-কলাত বহি এখন ব্যাকৰণ বা অভিধানত লিখি উদ্ভাৱন কৰাও নাছিল। অসমীয়া ভাষা কেৱল এটা সম্প্ৰদায় বা ৰাজতন্ত্ৰৰে একচেতীয়া সম্পত্তি নাছিল। অসমীয়া ভাষাক জোৰ কৰি কাৰো ওপৰত জাপিও দিয়া হোৱা নাছিল। ই অসমৰ মাটিত জীপ লৈ, অসমীয়া মানুহৰ অমিয়া ৰৰষা মাতত প্ৰাণৱন্ত আৰু সুৱদী-সুৰীয়া হৈ “চিৰ চেনেহী মোৰ ভাষা জননী” হিচাপে “জগত সভালে” যাবলৈ ইয়াক অসমৰ মানুহে ঐক্য আৰু সম্প্ৰীতিৰে বিকশিত কৰি তুলিছিল।

অসমীয়া ভাষাৰ বিকাশৰ একোটাকৈ কেবাটাও স্তৰ আছে আৰু আছে ইয়াৰ আঞ্চলিক থলুৱা ৰূপ (যাক উপভাষা বা স্থানীয় উপভাষা বুলি কোৱা হয়) মূলতঃ সংস্কৃত ভাষাৰ পৰা উদ্ভৱ হৈও অসমীয়া ভাষা আন আন সহোদৰা বাংলা, উৰিয়া, মৈথিলী (হিন্দী) প্ৰভৃতি ভাষাতকৈ কিছু ক্ষেত্ৰত বেলেগ হ’বলৈ পালে কিয়? অসমীয়া ভাষাতো বাংলা প্ৰভৃতি কোনোবা এটা ভাষাৰেই আঞ্চলিক ৰূপ হিচাপে জনাজাত হ’ব লাগিছিল—নহ’ল কিয়? অসমীয়া ভাষাৰ এনে কি নিজস্ব ৰীতি (অসমীয়া ভাষাৰ কালিকা খুলিব পাৰি) আছে—যিহৰ বাবে অসমীয়া এটা স্বকীয় ভাষা হিচাপে পৰিগণিত হ’বলৈ গালে?

এনে প্ৰশ্নৰ সমিধান বিচাৰি পাশ্চাত্য আৰু প্ৰাচ্যৰ বহু পণ্ডিতৰ মাজত মত-বিনিময় হৈছিল, বাক-বিতণ্ডাও হৈছিল আৰু অৱশেষত সৰ্ববাদীসন্মত সিদ্ধান্তও পোৱা গৈছিল। সেয়া হ’ল অসমীয়া এটা নব্য ভাৰতীয় আৰ্য ভাষাসমূহৰ অন্যতম ভাষা য’ত সংস্কৃত তৎসম, তদ্ভৱ আৰু অৰ্দ্ধতৎসম শব্দ আৰু অন্যান্য বৈয়াকৰণিক উপাদানৰ লগে লগে অন্যান্য থলুৱা ভাষাৰ (জনজাতীয়) উপাদানো অন্যতমভাৱে সাঙোৰ খাই আছে। মূলৰ পৰা ফালৰি কাটি আহিবলৈ বাধ্য কৰা কাৰক হিচাপে এই জনজাতীয় অৰ্থাৎ আৰ্যভিন্ন ভাষা-ভাষীসকলৰ অৱদানৰ কথা মুঠেই উলাই কৰিব পৰা বিধৰ নহয়।

নৃতাত্ত্বিক তথা সমাজ তাত্ত্বিকসকলৰ মতে অসমৰ প্ৰাচীন অধিবাসী আছিল জনজাতীয়[2] মূলৰ যাইকৈ অষ্ট্ৰিক আৰু মংগোলীয় প্ৰজাতিৰ লোক। তেওলোকৰ নিজা ভাষা আছিল (অষ্ট্ৰিকসকলৰ অষ্ট্ৰিক ভাষা আৰু

দ্ৰষ্টব্য—১। বৰ্তমান ৰাজনৈতিক মানচিত্ৰৰ অসম নহয় কিন্তু। মহাভাৰত আৰু পুৰাণ বৰ্ণিত প্ৰাগজ্যোতিষপুৰ আৰু কামৰূপৰ (ক-ম-লু-প) আদিৰ বিস্তৃত পৰিসৰলৈ নগৈ আহোমসকলৰ নামেৰে বিখ্যাত হোৱা ঐতিহাসিক ‘অসম’ ৰাজ্যৰ বিষয়েহে ইয়াত কোৱা হৈছে।

২। জনজাতি (Tribes) ধাৰণাটো স্বাধীনোত্তৰ কালত অৰ্থাৎ সম্প্ৰতি ৰাজনৈতিকভাৱে কিছু সীমিত। নৃতত্ত্বৰ মতে স্বীকৃত অসমৰ প্ৰাচীনকালৰ প্ৰায়বোৰ জনজাতীয় মূলৰ লোকক এতিয়াও ভাৰতীয় সংবিধানে অনুসূচীত জনজাতি (S.T.) হিচাপে স্বীকৃতি প্ৰদান কৰা নাই।

মংগোলীয়সকলৰ চীন-তিব্বতীয় ভাষা ; ভাৰতৰ ককেচীয় প্ৰজাতিৰ আৰ্যসকলৰ ভাৰত-ইউৰোপীয় ভাষাৰ সমকক্ষ) আৰু নিজ মাতৃভাষাৰে প্ৰশাসন চলাইছিল একো একোখন ক্ষুদ্ৰ ক্ষুদ্ৰ গৃহভুমি। উদাহৰণ স্বৰূপে কছাৰী ৰাজ্য (প্ৰাচীন হিড়িম্বাপুৰ), চুতীয়া ৰাজ্য (প্ৰাচীন কৌণ্ডিল্য), মণিপুৰ, জয়ন্তীয়া ৰাজ্য ইত্যাদি । এনে কুৰা সৰু-সুৰা পোৱালী ৰজাৰ ৰাজ্য জয় কৰি 'সাত ৰাজ মাৰি এক ৰাজ কৰি' বৃহত্তম অসমীয়া জাতিৰ বুনিয়াদ গঢ়িছিল ছশ বছৰে ৰাজত্ব কৰা, খৃষ্টীয় ত্ৰয়োদশ শতিকাত আগমন কৰা আহোমসকলে (মূলতঃ এওঁলোকো মংগোলীয় প্ৰজাতিৰ চীন-শ্যামীয় ভাষা-ভাষীয়ে আছিল)। থলুৱা লোকৰ সৈতে সামাজিক আৰু সাংস্কৃতিকভাৱে (বৈবাহিক সম্পৰ্কৰে) বান্ধ খাই বিশেষকৈ প্ৰশাসনীয় কাৰণত সাৰ্বজনীন ভাষা (Lingua-franca) হিচাপে সেই সময়ৰ সৰবৰহী অসমীয়া ভাষাই [৩] আহোম ৰাজ্যত পৃষ্ঠপোষকতা পাইছিল । আনকি বিভিন্ন জনজাতীয় মূলৰ ৰজাসকলৰ পৃষ্ঠপোষকতাত (উদাহৰণ স্বৰূপে বৰাহী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতাত মাধৱ কন্দলীয়ে আৰু কমতাপুৰৰ নৃপতি দুৰ্লভ নাৰায়ণ আদিৰ পৃষ্ঠপোষকতাত হৰিবৰ বিপ্ৰ, ৰত্ন কন্দলি আদি কবিয়ে চতুৰ্দ্দশ শতিকাতে ৰামায়ণ, মহাভাৰতৰ বহু কাণ্ড, পৰ্ব আদি অসমীয়ালৈ ভাঙনি কৰিবলৈ সুবিধা পাইছিল) অসমীয়া ভাষাই বিভিন্ন সাহিত্য সৃষ্টি কৰি বুৰঞ্জীৰ আমোলত অৰুণোদয় নামৰ কাকতৰ জৰিয়তে মান্য অসমীয়া ভাষালৈ (লিখিত অসমীয়া) উধাবলৈ সক্ষম হৈছিল ।

অসমীয়া ভাষাত যেনেদৰে আধুনিকতম ইংৰাজী আদি বিদেশী ভাষাৰ বিভিন্ন শব্দ পোৱা যায় তেনেদৰে অতি প্ৰাচীন কালৰ পৰাই (আনকি অসমীয়া ভাষাৰ জননী সংস্কৃত ভাষাতো) অসমীয়া ভাষাত বিভিন্ন থলুৱা জনজাতীয় ভাষাৰ অৰ্থাৎ দেশী মূলৰ শব্দ-সম্ভাৰ প্ৰয়োগ হৈ অহাৰ দৃষ্টান্ত আছে । কেৱল শব্দগতভাৱেই নহওঁ অসমীয়া ভাষাৰ মূল গাঁঠনি অৰ্থাৎ ব্যাকৰণিক ৰূপতো জনজাতীয় ভাষাৰ বহু উপাদান নিহিত হৈ আছে । ধ্বনিগতভাৱেও জনজাতীয় ভাষাই অসমীয়া ভাষাত উত্তৰ কালতে প্ৰভাৱ পেলাবলৈ সক্ষম হৈছিল । অসমীয়া ভাষাৰ বাক্য গাঁঠনি সেয়েহে বহু ক্ষেত্ৰত জনজাতীয় ভাষাৰ প্ৰত্যক্ষ তৰ্জমা যেনহে লাগে আৰু অসমীয়া ভাষাৰ সুৰ-লহৰ (intonation) বহু ক্ষেত্ৰত জনজাতীয় সুৰীয়া ভাষাৰ (tonal language) পৰোক্ষ প্ৰতিধ্বনি যেনহে শুনি (অসমীয়া ভাষাৰ সুৰ-লহৰ অঞ্চল ভেদে, সম্প্ৰদায় ভেদে আৰু ব্যক্তি ভেদে অৱশ্যেই তাৰতম্যতা আছে) । অসমীয়া ভাষাত জনজাতীয় ভাষাৰ বাক্য গাঁঠনি আৰু ৰূপ-ৰচনাৰ উপাদান যে আছে তাক তলত দিয়া জনপ্ৰিয় বাক্যাংশ আৰু জতুৱা ঠাঁচ-খণ্ডবাক্যই প্ৰমাণ কৰিব । (আঁচ টনা অংশত সাদৃশ্য মন কৰিবলগীয়া)---

| হিন্দী | বাংলা | অসমীয়া | জনজাতীয় ভাষা (বড়ো) |
|---|---|---|---|
| মেৰা পিতাজী | আমাৰ বাবা | মোৰ দেউতা | আংনি আফা |
| তুমহাৰা পিতাজী | তোমাৰ বাবা | তোমাৰ দেউতাৰ. | নীংনি নীংফা |
| উসকা পিতাজী | তাৰ বাবা | তেওঁৰ দেউতাক | বিনি বিফা |
| মৈঁ তুমসে প্যাৰ কৰতা হুঁ | আমি তোমাকে ভালবাসি | মই তোমাক ভাল পাওঁ | আং নীং খৌ মীজাং মীনী |
| ঘৰসে সড়ক তক | ঘৰ থেকে ৰাস্তা পৰ্য্যন্ত | ঘৰৰ পৰা আলিবাটলৈ | নোনি ফ্ৰায় লামাসীম |
| কভী নহী জানা | কখনো যাও না | কেতিয়াও নাযাবা | জেৰলাবী দা থাং |
| উসকো কিসকী জৰুৰত হ্যায় | ও কি চায় | তাক কি লাগে | বিখৌ মা নাংগৌ |

দ্ৰষ্টব্য—৩। মান্য অসমীয়া ভাষা নহয় কিন্তু । খৃঃ ৭ম শতিকাতে মধ্য ভাৰতৰ ভাষাতকৈ কিছু সুকীয়াভাৱে গঢ় লোৱা কামৰূপী আৰু সৌমাৰ প্ৰাকৃত ভাষাৰ গাঁঠনিত গঢ়ি উঠা থলুৱা জনজাতীয় ভাষাৰ উপাদানেৰে সমৃদ্ধ লৌকিক অসমীয়া ভাষাহে। এনে ধৰণৰ লৌকিক অৰ্থাৎ কথিত অসমীয়াৰ নিদৰ্শন উজনি-অসমৰ নাগামীজ, অৰুণাচল-অসমীয়া (নেফামীজ) আৰু নামনি অসমৰ ৰাজবংশী-অসমীয়া (দেশী), ৰাভামীজ আদি ভাষাত এতিয়াও পোৱা যায় ।



| হিন্দী | বাংলা | অসমীয়া | জনজাতীয় ভাষা (বড়ো) |
|---|---|---|---|
| এক লড়কা | একজন ছেলে | এজন ল'ৰা | ছাছে গথ |
| এক লড়কী | একটি মেয়ে | এজনী ছোৱালী | ছাছে হীনজাও |
| এক পেড় | একটা বৃক্ষ | এজোপা গছ | ফাংছে বিফাং |
| এক চীজ | একটা জিনিস | এটা বস্তু | গংছে মুৱা |
| বড়া ভাই | বৰ ভাই | ককাই, ককায়েক | আদা, বিদা |
| ছোটা ভাই | ছোট ভাই | ভাইটি, ভায়েক | আগৈ, ফংবায় ইত্যাদি । |

অসমীয়া ভাষাত এনে ধৰণৰ অজস্ৰ জনজাতীয় উপাদান আছে । এই সন্দৰ্ভত ইতিমধ্যে ছাৰ গ্ৰীয়েৰছন চাহাব, ভাষাচাৰ্য্য সুনীতি কুমাৰ চেটাৰ্জী, ডঃ বাণীকান্ত কাকতি, ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা, কালিৰাম মেধী, দেৱানন্দ ভৰালী, বিষ্ণুৰাভা প্ৰভৃতি পণ্ডিত, ভাষাবিদসকলে যথেষ্ট চিন্তা-চৰ্চ্চা কৰি তেখেতসকলৰ বহুমূলীয়া মন্তব্য আৰু বক্তব্য বিভিন্ন গৱেষণা গ্ৰন্থ আৰু প্ৰৱন্ধৰাজিত লিখি থৈ গৈছে । সাম্প্ৰতিক কালত তেখেতসকলে দি যোৱা ইংগিত আৰু আনুমানিক সিদ্ধান্তৰাজি নকৈ চালি-জাৰি চাই ডঃ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য, ডঃ উপেন্দ্ৰ নাথ গোস্বামী আদি ভাষা বিশেষজ্ঞসকলে সৰ্ববাদী সন্মত কৰিবলৈ যৎপৰোনাস্তি প্ৰচেষ্টা চলাইছে তদুপৰি এতিয়ালৈকে পোহৰত নহা মিছিং, নগা, কাৰ্বি, দেউৰী, তিৱা, ৰাভা প্ৰভৃতি বিভিন্ন থলুৱা জনজাতীয় ভাষাৰ উপাদান সন্দৰ্ভত ডঃ ভীমকান্ত বৰুৱা, অধ্যাপক নাহেন্দ্ৰ পাদুন, অধ্যাপক মধু বড়ো আদি ভাষা বিশেষজ্ঞসকলে নেৰা-নেপেৰাকৈ লাগি থকাটো অসমীয়া আৰু অসমৰ জনজাতীয় ভাষা উভয়ৰ বাবেই এক সুনিশ্চিত শুভ দিগ্‌দৰ্শন ।

## ১। অসমীয়া ভাষাৰ জনজাতীয় ধ্বনিগত উপাদান ঃ

(ক) অসমীয়া ভাষাত মূল সংস্কৃত ভাষাৰ দন্ত্য আৰু মূৰ্দ্ধণ্য বৰ্গীয় ধ্বনিবোৰ জনজাতীয় ভাষাৰ নিচিনা দন্তমূলীয় ধ্বনি হিচাপে উচ্চাৰণ ।

(খ) সেইদৰে দন্ত্য, তালব্য আৰু মূৰ্দ্ধণ্য উষ্ম ধ্বনিবোৰ অসমীয়া ভাষাত একপ্ৰকাৰৰ অৰ্থাৎ উষ্ম ধ্বনি হিচাপে উচ্চাৰণ (উদাহৰণ —সংস্কৃত 'সবিশেষ' অসমীয়াত উচ্চাৰিত হয় 'সবিসেস' নতুবা 'সবিখেথ' হিচাপে ।)

(গ) অসমীয়া ভাষাত জনজাতীয় ভাষাৰ নিচিনাকৈ স্বৰ ধ্বনিসমূহৰ হ্ৰস্ব আৰু দীৰ্ঘৰূপ নথকা । (বানানৰ ক্ষেত্ৰত মূলৰ নিচিনাকৈ হ্ৰস্ব বা দীৰ্ঘস্বৰ লিখিলেও উচ্চাৰণৰ বেলিকা এই দুটা স্বৰ একেধৰণে উচ্চাৰিত হয় ।)

(ঘ) নাসিক্য ধ্বনিৰ প্ৰাধান্যতা যাক স্বতঃ নাসিক্যভৱন বোলা হয় । (মূলত নাসিক্য ধ্বনি নথকা সত্বেও অসমীয়া ভাষাত গাঁত<সং. গৰ্ত, ফেঁচা <সং. পেচক, ঘোঁৰা<সং. ঘোটক আদি শব্দৰ অনুনাসিক ধ্বনিৰ আগম হোৱা ।)

(ঙ) মহাপ্ৰাণ ধ্বনিৰ প্ৰাধান্যতা অথচ একেলগে দুটা মহাপ্ৰাণ ধ্বনিৰ প্ৰয়োগ নোহোৱা । (উদাহৰণ ঃ সংস্কৃত বুভুক্ষা> কামৰূপী ভোখ> অসমীয়া ভোক ; সংস্কৃত চক্ষু> কামৰূপী চখু> অসমীয়া চকু ইত্যাদি)

(চ) অসমীয়া ভাষাত সংস্কৃত তৎসম শব্দৰ (স্বৰান্ত) ব্যঞ্জনান্ত হিচাপে উচ্চাৰণ জনজাতীয় উচ্চাৰণ-ৰীতিৰ অন্যতম বৈশিষ্ট্য ।

## ২। অসমীয়া ভাষাৰ জনজাতীয় ৰূপগত উপাদান ঃ

ইতিমধ্যে দি অহা উদাহৰণবাজিৰ পৰা এইটো স্পষ্ট হৈছে যে—অসমীয়া ভাষা সংস্কৃত ভাষাৰ পৰা উদ্ভুত অন্যতম ভগ্নীভাষা বাংলা বা হিন্দী ভাষাতকৈ কিছু ক্ষেত্ৰত বিশেষকৈ ব্যাকৰণিক দিশত সুকীয়া। ইয়াৰ একমাত্ৰ কাৰণ হৈছে অসমীয়া ভাষাৰ চৌপাশে তিৰ্বত-বৰ্মীয় ভাষা-ভাষী লোক (জনজাতীয়) দ্বীপৰ দৰে অৱস্থান লৈ আছে বাবে আৰু তেওঁলোকৰ বেছিভাগে দ্বিভাষিক বা মাতৃভাষা হিচাপে উত্তৰ কালৰে পৰা অসমীয়া ভাষাক গ্ৰহণ কৰি অহাৰ বাবেই । এই ফালৰ পৰা চাবলৈ গলে অসমীয়া ভাষাক তিব্বত-বৰ্মীয় ভাষাৰ ব্যাকৰণৰ

নিয়মেৰে বন্ধা আৰ্য ভাৰতীয় ভাষা হিচাপে বিবেচনা কৰিব পাৰি ! অসমীয়া ভাষাত থকা জনজাতীয় ৰূপ-গত উপাদানসমূহৰ অন্যতম হ'ল—(ক) নিৰ্দিষ্টতাবাচক আৰু অনিৰ্দিষ্টতাবাচক প্ৰত্যয় (জন, খন, ডাল, টো ইত্যাদি) ; (খ) সম্বন্ধ নিৰ্দিষ্টতাবাচক প্ৰত্যয় (আই-এৰ/এৰা/এক আদি) ; (গ) দ্বিবচনৰ সলনি একমাত্ৰ বহু-বচনবাচক প্ৰত্যয়ৰ সংযোগৰ দ্বাৰা বচন নিৰ্ণয় (হিন্দীৰ দৰে বচনে অসমীয়া ভাষাৰ শব্দ-ৰূপ নতুবা ধাতুৰূপৰ পৰিৱৰ্তন নাসাধে ঠিক জনজাতীয় ভাষাসমূহৰ দৰে) ; (ঘ) স্ত্ৰীবাচক শব্দৰ গঠনত স্ত্ৰী-প্ৰত্যয়ৰ ঠাইত বেলেগ বেলেগ শব্দৰ জৰিয়তে নতুবা মতা-মাইকী বুজোৱা শব্দৰ সংযোগ (লিংগই অসমীয়া ভাষাত বচনৰ নিচিনাকৈ ব্যাকৰণিক ৰূপৰ পৰিৱৰ্তন নাসাধে—এয়া জনজাতীয় ভাষাৰ লিংগ ৰূপৰ প্ৰভাৱ) ; (ঙ) বিশেষণ বা অবিজ্ঞাত নিৰ্জীৱ পদাৰ্থৰ লিংগভেদ নথকা ; (চ) প্ৰতিধ্বন্যাত্মক শব্দৰ গঠন (মাছ-তাছ, গৰু-চৰু ইত্যাদি শব্দৰ প্ৰথমটো মূল শব্দৰ অক্ষৰ অনুযায়ী পিছৰটো অনুৰূপ শব্দৰ সমী-ভৱন হোৱা প্ৰক্ৰিয়া জনজাতীয় ভাষাতো পোৱা যায়) ; (ছ) নঞাৰ্থকবাচক প্ৰত্যয়ৰ শব্দৰ আৰম্ভণিত প্ৰয়োগ আৰু মূল ক্ৰিয়াৰ আদ্যাক্ষৰৰ স্বৰধ্বনি অনুযায়ী হোৱা ৰূপান্তৰ (উদাহৰণ——নাযাবা, নেখোলিবা, নিকিনিবা, নুবুজোঁ, নাহোঁ, নধৰোঁ ইত্যাদি) ; (জ) কাৰক বিভক্তিৰ ক্ষেত্ৰত সংযোগাত্মকৰ ঠাইত পৰসৰ্গৰ দ্বাৰা বিয়োগাত্মক ৰূপ (উদাহৰণ—হিন্দী অন্দৰসে কিন্তু অসমীয়া ভিতৰৰ পৰা তদ্ৰূপ হিন্দী তুমসে অসমীয়া তোমাৰ সৈতে বা তোমাৰ লগত ইত্যাদি) ; (ঝ) স্বাৰ্থিক প্ৰত্যয়ৰ ব্যৱহাৰ (উদাহৰণ——পালেগৈ, আহিবহি, যাবছোন, আহিবাদেই ইত্যাদি) ইত্যাদি ।

## ৩। অসমীয়া ভাষাৰ জনজাতীয় শব্দগত উপাদান ঃ

অসমত এনে অজস্ৰ স্থানবাচক (নদ-নদী, পাহাৰ-পৰ্বত, ঠাই ইত্যাদি) শব্দ, জীৱ-জন্তু, চৰাই-চিৰিকতি, মাছ-মগৰ, আদিৰ নাম বুজোৱা শব্দ আছে—যিবোৰৰ মূল সংস্কৃত বা আন ভাৰতীয় আৰ্য ভাষাত পাবলৈ নাই অথচ অসমৰ থলুৱা ভাষাসমূহত পোৱা যায়। তদুপৰি কেতবোৰ সা-সঁজুলি, (তাঁতশাল, মাছ ধৰা, চিকাৰ কৰা, খেতি-বাতি, ঘৰ-দুৱাৰ আদিৰ লগত সম্পৰ্কান্বিত), সম্বন্ধ-বাচক শব্দ, বিশেষ্য-বিশেষণ নতুবা ক্ৰিয়াবাচক শব্দসমূহ জনজাতীয় ভাষাৰ দ্বাৰা বিশ্লেষণ কৰি দেখুৱাব পাৰি। এনেধৰণৰ শব্দসমূহ জনজাতীয় মূলৰ পৰা অহা বুলি ঠাৱৰ কৰিব পাৰি। ডঃ বাণীকান্ত কাকতিয়ে তেখেতৰ গৱেষণা গ্ৰন্থত 'হা' যুক্ত স্থানবাচক শব্দ আৰু 'দি/দৈ' যুক্ত নদ-নদীৰ নাম বড়ো ভাষাৰ পৰা অসমীয়া ভাষালৈ আহিছে বুলি দেখুৱাইছে। তদ্ৰূপ 'নাম' যুক্ত নদীবাচক আৰু 'টি' যুক্ত স্থানবাচক শব্দ আহোম ভাষাৰ পৰা আহিব পাৰে বুলি তেখেতে উল্লেখ কৰিছে। আনহাতে প্ৰাগজ্যোতিষপুৰ, কামাখ্যা, কামৰূপ, দৰং, বকতা, চামতা, ধৰমতুল আদি স্থান আৰু দিহং, দিবং আদি 'অং/হোং' যুক্ত নদ-নদী খাচী প্ৰভৃতি অন্যান্য অষ্ট্ৰিক ভাষাৰ প্ৰভাৱত গঢ়ি উঠা বুলি সন্দেহ প্ৰকাশ কৰিছে। এইদৰে ডঃ কাকতি, ডঃ চেটাৰ্জী আৰু ডঃ বিৰিঞ্চি কুমাৰ মেধিয়ে আষ্ট্ৰিক ভাষাৰ লগত অসমীয়া ভাষাৰ সামঞ্জস্য দেখুৱাই বহুতো শব্দ যুগুতাইছে। সেইবোৰ---(ক) খাচী ভাষাৰ —কাবৌ, খামোচ, খং, কমা, ডিঙা, দোং, হেনো (স্বাৰ্থিক প্ৰত্যয়), জপা, জঞ্জাল, জহা, মেথোন, চোকোৰা, নোদোকা ; (খ) কোল-মুণ্ডাৰ পৰা অহা----এৰা (হয়), লাটুম, আটোম-টোকাৰী, ডঙুৰা, মুগা, মুঠন, (জোখ বিশেষ), উতনুৱা, লেখীয়া (নিচিনা) ; ছাঁওতালীৰ পৰা অহা--ঢোপ, ভোদা, বোকা, চফল, গোহাৰি, পাহাৰ, ঢিপ ; মালয় ভাষাৰ---বগা, বুটল, চেলাউৰি, সাঁফৰ, ডিঙি, গাহৰি, হোলোঙা, নাহৰ ফুটুকী, উঁই ইত্যাদি। কালিৰাম মেধিয়ে কুৱাং (কুকুৰ), কাবু, বাখৰ (বাবাঙ্গ), লিতিকাই আদি শব্দ খাচী ভাষাৰ পৰা ; আলহী, কেৰেপ, হোৰা (বোকোচা), কাকডোঙা, কলং (নৈ), লামডিং, মেংকুলি (মেকুৰী) আদি শব্দ মিকিৰ (কাৰ্বি) ভাষাৰ পৰা ; কুকুৰা, কেটেঙা, জিক, হজুৱা, দৰং আদি শব্দ দেউৰী-চুতীয়া ভাষাৰ পৰা ; আই, দোং, পেংলাই, ফতিকা, ফাইদাং, বৰলা, হোজাই (ঠাই) আদি শব্দ কছাৰী (বড়ো) ভাষাৰ পৰা আৰু চিচি (নৈ) শব্দ মিচিং ভাষাৰ পৰা অহা বুলি দেখুৱাইছে।

ডঃ কাকতি আৰু ডঃ উপেন্দ্ৰ নাথ গোস্বামীয়ে টাই-আহোম ভাষাৰ পৰা অসমীয়া ভাষালৈ আহিব পৰা শব্দৰ বিস্তৃত তালিকা দাঙি ধৰিছে। ইয়াৰে কেতবোৰ হ'ল—খাং, ফাং (ফাং-ফুং), লাং (লাং খাই পৰ), পুং, জান, টুপ (ঘৰৰ আগভাগ), ফাক (দা-তৰোৱালৰ বাহ), পম,



কাৰেং, বংঘৰ, মৈদাম, বুৰঞ্জী, চাওদাং ইত্যাদি। এইবোৰ শব্দ কিছুমান পোনপটীয়াকৈ অৰ্থৰ আৰু শব্দৰো কোনো বিজুতি নঘটাকৈ আহিছে আৰু কিছুমান হয় অৰ্থৰ নতুবা শব্দৰ বিকৃতি ঘটি অসমীয়াত ব্যৱহাৰ হৈছে। কেতবোৰ শব্দ আকৌ পোনপটীয়াকৈ ব্যৱহাৰ নহৈ অনুবাদগত ধাৰৰ নিচিনাকৈহে ব্যৱহাৰ হৈছে। যেনে——হাজৰিকা (আহোম ৰুৰিঙ, ৰু=মূৰ, ৰিঙ=হেজাৰ) ; শইকীয়া (ৰুপাক, পাক=শ), বৰুৱা, (ফুকে, ফু=পুৰুষ, কে=বুঢ়া), স্বৰ্গদেও (চাওফা, চাও=দেৱতা, ফা=স্বৰ্গ) ইত্যাদি।

অসমীয়া ভাষাত থলুৱা জনজাতীয় লোকৰ কথিত ভাষাৰ ভিতৰত বড়ো ভাষাৰ প্ৰভাৱেই সৰ্বাধিক, বড়ো ভাষাৰ সমধৰ্মী ৰাভা, তিৱা, দেউৰী ভাষাৰ প্ৰভাৱো উলাই কৰিব পৰা বিধৰ নহয়। তুলনামূলকভাৱে পৰ্ব-তীয়া অঞ্চলত বসবাস কৰা গাৰো আৰু ডিমাছাসকলৰ প্ৰভাৱ অসমীয়াত নাই বুলিবই পাৰি। ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই গাৰো ভাষাৰ জংক্ৰেবক, জাবোল শব্দৰ পৰা অসমীয়া জবকা আৰু জাবোৰ শব্দৰ আৰু ডঃ উপেন্দ্ৰ নাথ গোস্বামীয়ে ডিমাছা দাঁই (কাট) শব্দৰ পৰা অসমীয়া দা ধাতুৰ ব্যুৎপত্তি দেখুৱাইছে। ডঃ গোস্বামীয়ে তেখেতৰ সদ্য প্ৰকাশিত 'অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ' নামৰ গ্ৰন্থত কম-বেছি পৰিমাণে প্ৰতিটো জনজাতীয় ভাষাৰ পৰাই দুই-এটাকৈ হ'লেও অসমীয়া ভাষালৈ শব্দ-সম্ভাৰৰ ওৱাদানি ঘটিছে বুলি দেখুৱাইছে। সেইমতে----দেউৰী-চুতীয়া ভাষাৰ পৰা ডেকা (দে'কাণ্ড), লেখীয়া (লাকিয়া), টঙালি (তঙা), চিৰিংচাপৰি (স্থান-বাচক) ; তিৱা ভাষাৰ পৰা চুঙা, অৰ (ওৰ), আল (আল-পৈচান), থৰক (কঁপি থকা), দোৱান, লৰ্ (দৌৰ) ; গাৰো ভাষাৰ পৰা জেং, জাবোৰ, থেকেৰা ; ৰাভা ভাষাৰ পৰা পোনা (মাছ), বাকৰি/বাক্ৰা ; কাৰ্বি ভাষাৰ পৰা মেজি (মে=জুই), লেং (লেং মাৰ) ইত্যাদি। ডঃ বাণীকান্ত কাকতিয়েও অসমীয়া ভাষালৈ তিব্বত-বৰ্মীয় বড়ো ভাষাৰ পৰা কিছুমান সৰল আৰু মিশ্ৰ ধাতু (উদাহৰণ---চেলেক্, ৰেপ্, আগচ্, গচক্, চেপ ; খাম বান্ধ, গৰা মাৰ্, বিৰ দি ইত্যাদি) আৰু কেতবোৰ শব্দ (হাঁফলু, জোং, হেঙাৰ, হাওঁ-ফাওঁ, লফা, ডাউক আদি) লগতে স্থানবাচক শব্দ কিছুমান আহিছে বুলি উল্লেখ কৰিছে। ডঃ কাকতিয়ে দিয়া বড়ো ভাষাৰ শব্দমূলৰ ওপৰঞ্চি ডঃ উপেন্দ্ৰ নাথ গোস্বামীয়ে বড়ো ভাষাৰ সৈতে সাদৃশ্য থকা অসমীয়া শব্দ বিশেষকৈ কামৰূপী উপভাষাৰ শব্দৰ বিস্তৃত তালিকা দাঙি ধৰিছে। ইয়াৰ ভিতৰত উল্লেখযোগ্য কিছুমান হ'ল----গমা, মুদ, জোকা, কলমৌ, কাচি, গৰকা, টেকেলি, টেমা, তৌ, দল (ঘাঁহ), দাঙৰি, ডাবৰ, ডুলি, পঠা (ফান্থা), ফান্দী, পালেং (শাক), বোন্দা (মতা মেকুৰী), মাকো (নাখু), মৈ, মোনা, ৰাঁচ, লফা, চাঙ, জাকৈ (জাখায়), জখলা, জালি (তিয়ঁহৰ জালি), জহামাল, হাল্ ইত্যাদি। ইয়াৰ উপৰিও অধ্যাপক নাহেন্দ্ৰ পাদুনে—আলহী, আউলি-বাউলি, আঁঠু, আওখাল, বৰলা, কলমৌ, ভাটৌ, বাওনা, দদাই, এৰা (গছ), গাৰু, খাৰ, কেঁকাই, খন্টি, কুচিয়া, ফেঁচা, পিঠা (ফিথা), টোকোন, উদং, জিকা, জুম (জাক) আদি শব্দৰ সৈতে বড়ো ভাষাৰ ঘনিষ্ঠ সম্পৰ্ক থকাৰ বিষয়ে অৱগত কৰাইছে।

অসমীয়া কৃষ্টিৰ আঁকৰৰ অন্বেষক কলাগুৰু বিষ্ণু ৰাভাই ডঃ কাকতিয়ে অষ্ট্ৰিক মূলীয় বুলি সন্দেহ কৰা বহুসংখ্যক নামবাচক আৰু স্থানবাচক শব্দৰ উৎ-পত্তিত যে কিৰাত-কছাৰীৰ অৱদান নিচেই সামান্য নহয় তাক সদৰ্পে দোহাৰি ফুৰিছিল। তেনে কিছুমান শব্দৰ ব্যাখ্যা প্ৰাচ্যতত্ত্ববিদ ডঃ চেটাৰ্জীয়েও দুই-এঠাইত উল্লেখ নকৰাকৈ থকা নাছিল। কামৰূপ (খাম=ৰ, উব=মনোহৰ), কমতা (খাম=জ্বল, থা=থাক), লৌহিত্য (গৌলাও গীঠো>লাওঠো), ব্ৰহ্মপুত্ৰ (ভল্লম্ বুথুৰ=কল্ কল্ নাদকাৰিণী), ভৰলী/ভৰলু (ভল্লীবুঢ়ী=দেওপানী), কামাখ্যা (খাম্+মাই+খা=কেঁচাইখাতী শাল), নৰক (নাৰখু), ভগদত্ত (ডুগডাঠ=সাহসী), ব্ৰজদত্ত (বুৰ্জ্জাডঠ=অতি সাহসী), বৰদৈচিলা (বীৰ+দৈ+চিখ্লা=কিম্বদন্তিৰ এগৰাকী ছোৱালী) ইত্যাদি শব্দৰ ব্যুৎপত্তি যথেষ্ট চিন্তা উদ্ৰেককাৰী আৰু সেইবাবেই বিতৰ্কমূলকো আছিল।

বড়ো প্ৰভৃতি তিব্বত-বৰ্মীয় ভাষাৰ শব্দ সম্ভাৰৰ অন্যতম মন কৰিবলগীয়া বৈশিষ্ট্য হৈছে যে শব্দৰ শ্ৰেণী অনুযায়ী একো একোটা সাধাৰণ পদ প্ৰত্যয়ৰ দৰে আগে-পিছে বহি ভিন্ ভিন্ শব্দৰ সাধন কৰে। শব্দ-সাধনৰ এনে নমুনাৰ সৈতে ৰিজাই সংস্কৃত বা অন্য ভাৰতীয় আৰ্য ভাষাৰে ব্যাখ্যা কৰিব নোৱাৰা অসমীয়া জতুৱা শব্দবিলাকৰ প্ৰায়বিলাকৰে মূল বৰো প্ৰভৃতি তিব্বত বৰ্মীয় শব্দ বুলি মানি ল'ব পৰা যায়। উদাহৰণস্বৰূপে—(ক) মা-যুক্ত প্ৰাণী ঃ মাইকী, মাখুন্দী, মখনা, মাউথ,

# নেপোলিয়ন, শিক্ষা আৰু আইন

মোজাম্মেল হক
গ্ৰন্থাগাৰিক,
গোৱালপাৰা মহাবিদ্যালয় পুথিভঁৰাল

নেপোলিয়ন বোনাপাৰ্টৰ আত্মজীৱনী ফঁহিয়াই চালে দেখা যায়—তেখেতৰ কৰ্ম জীৱনৰ শেষৰছোৱাত মহা ব্যৰ্থতা স্বত্বেও 'ফৰাচী প্ৰশাসন উদ্যমশীল কৰ্মস্পৃহা আৰু ৰণ কৌশলৰ লগত সম্পৰ্কযুক্ত কেউপিনে তেখেত সৰ্বমহান আছিল । যদি এই মহান ব্যক্তিজনৰ মাহাত্যৰ আচল পৰিচয় বিচৰা যায় তেতিয়া হ'লে তেখেতৰ সু-চিন্তিত কৰ্মপন্থা সমূহৰ স্থায়ী বিধানকল্পে অকল সক্ৰিয় ভূমিকা পালন কৰিলেই নহ'ব বৰং এই কৰ্মপন্থাসমূহৰ প্ৰতিটোৰ মূল্যায়ণ আৰু বাস্তৱ ৰূপদানত সমগ্ৰ শক্তি নিয়োজিত কৰিব লাগিব তেতিয়াহে তেখেতৰ মাহাত্যৰ আচল পৰিচয় পোৱা যাব । নেপোলিয়ন এনে এক শক্তি আছিল যি শক্তিয়ে ভীষণ ধুমুহাৰ বাধাকো অতিক্ৰম কৰিব পাৰে, শিলাস্তম্ভ অনুৰূপ বাধা প্ৰতিবন্ধকতাকো ভাঙ্গি চুৰমাৰ কৰি দিব পাৰে ।' মহা ব্যস্ত জীৱনৰ শেষৰ ফালে নেপোলিয়নে এনে এটি কৰ্মশীল মহত্বৰ ধাৰাৰ সুস্পষ্ট নিদৰ্শন এৰি গৈছে—যিটো নেকি এটি নিষ্প্ৰভ জাতিৰ শ্ৰম কঠোৰ ব্যক্তিত্বৰ ক্ষেত্ৰতো অচিন্তনীয় আছিল । আচলতে মানৱ সমাজে যিসকল মহাপ্ৰাণ ব্যক্তি বা পুৰুষক উচ্চতম সন্মানৰ আসনত বহুৱাইছে যিসকলে কৰ্ম জীৱনৰ শেষৰ ফালে কোন ব্যৰ্থতাৰ গ্লানি ৰাখি থৈ যাব নোখোজে । এনেকুৱা মৰ্য্যাদাত সিজনা মহাপ্ৰাণ ব্যক্তি বা পুৰুষে পুঁজিত হৈছে যিজন শ্ৰেষ্ঠত্বৰ পৰিচয় দিব পাৰিছে তেখেতৰ দুঃসাহসমূলক কাৰ্য্যাৱলীৰ মাজেৰে, চিন্তা-ভাৱনা কাৰ্য্যত পৰিণত কৰাৰ ক্ষেত্ৰত মহাশক্তি প্ৰয়োগেৰে এনেকি নিজৰ আৰু জনসাধাৰণৰ সৰ্বশেষ হৈ যোৱা যেন পৰিস্থিতিৰ ক্ষেত্ৰতো লাখ লাখ মানুহৰ অন্তৰত তেওঁ প্ৰিয়পাত্ৰ হৈ থাকিব পাৰিছে । নেপোলিয়ন বোনাপাৰ্ট আছিল এনেকুৱা এজন আচৰিত পুৰুষ । তেখেত এনে এজন মহান ব্যক্তি যিয়ে ফৰাচী বিপ্লৱক নিয়ন্ত্ৰণ কৰি ফৰাচী জনজীৱনক নতুন ঠাচত গঢ়িছে, যিজনে ইটালি-চুইজাৰলেণ্ড আৰু জাৰ্মানিক নব জীৱনৰ অমৃত পাণ কৰাইছে । মানৱ সভ্যতাৰ ইতিহাসত ইন্ধন যোগাই অমৰত্ব লাভ কৰা মহান ব্যক্তিসকলৰ একে শাৰীত তেখেতো নিশ্চয় চিৰস্থায়ী হৈ থাকিব ।

"এই বীৰপুৰুষজন এখন বিপুল সাম্ৰাজ্যৰ অধিপতি । দুৰ্জ্জয় উচ্চাকাখাৰে অনুপ্ৰাণিত হৈ তেওঁ যুগমীয়া কাৰ্য পদ্ধতিত দক্ষতাৰে হাত দিব পাৰিছিল ; যিজনে অন্য জাতিক পৰাস্ত কৰাৰ উপৰিও আনগিনে লাপ্লাচৰ লগত জ্যোতিষ শাস্ত্ৰৰ আলোচনা, তালমাৰ সৈতে দুঃসাহসিক জীৱন চিত্ৰৰ নাট্যভিনয়, চেৰুবিনৰ লগত গান-বাজনা, গেৰাৰ্ডৰ লগত চিত্ৰপট অঙ্কন, গুণগ্ৰাহীসকলৰ লগত সাহিত্য আৰু বিজ্ঞান চৰ্চা——এইবিলাক গুণ বিভুতিৰে এই বীৰপুৰুষে জনসাধাৰণৰ মাজত এক মধুৰ সৌন্দৰ্য্য বিয়পাব পাৰিছিল ।"

এমিনছৰ সন্ধিস্থাপনৰ পাছত নেপোলিয়ন বোনাপাৰ্টে ফ্ৰান্সত ধৰ্মবিস্তাৰৰ বাহিৰেও আন আন সংস্কাৰমূলক কাৰ্য্যত তেওঁৰ সমস্ত বুদ্ধি শক্তিক প্ৰয়োগ কৰিছিল। গুণৱান কিম্বা বিচক্ষণ পুৰুষ তেওঁৰ ৰাজকীয় দানশীলতাৰ পৰা বঞ্চিত নহৈছিল—লিখক, শিল্পী, ওস্তাদ, খনিকৰ, বৈজ্ঞানিক, সাহিত্যিক সকলোকে যোগ্যতা অনুসৰি তেওঁ সন্মানেৰে বিভুষিত কৰিছিল আৰু উঠি অহা ডেকাসকলৰ শিক্ষা সম্বন্ধে বোনাপাৰ্ট তৎপৰ আছিল।

১৯৬৯ খৃঃৰ ১৫ আগষ্টত আটলাণ্টিক মহাসাগৰৰ কৰ্সিকা নামে দ্বীপত নেপোলিয়নৰ জন্ম হয়। জেনোয়াৰ অধীনস্থ এই দ্বীপবাসীয়ে জেনোয়াৰ (Genoa) বিৰুদ্ধে বিদ্ৰোহ কৰাত জেনোয়াই এই "বিশৃখলাৰ দ্বীপ"টো মাত্ৰ এটি গানৰ বিনিময়ত ফ্ৰান্সক বিক্ৰী কৰে । "মোৰ ধাৰণা এই সৰু দ্বীপটীয়ে এদিন ইউৰোপক আচৰিত কৰিব" (ৰুশো) কৰ্সিকা হস্তান্তৰৰ পাছত দেউতাক কাৰলোই (Carlo) ফ্ৰান্সৰ লগত শান্তি স্থাপন কৰে ।

বোনাপাৰ্টে শিক্ষা লাভ কৰে ব্ৰিটেন আৰু পেৰীৰ সামৰিক স্কুলত । প্ৰাথমিক শিক্ষা অৱস্থাতেই নেপোলিয়ন যি প্ৰতিভাদীপ্ত কৰ্মশীলতা, প্ৰভুত্বব্যঞ্জক আৰু নেতৃসুলভ ব্যক্তিত্বৰ পৰিচয় প্ৰকাশ পাইছিল তাত তেওঁৰ সহপাঠী আৰু শিক্ষাগুৰু উভয়ে মুগ্ধ হৈছিল । 'এই ল'ৰাটো যেন স্ফটিক শিলেৰে গঢ়া, অথচ ইয়াৰ ভিতৰখন যেন আগ্নেয়গিৰিৰ নিচিনা' নেপোলিয়নৰ শিক্ষক এজনে নেপোলিয়ন সম্পৰ্কে এই মন্তব্য কৰে । আচলতে নেপোলিয়ন আছিল এজন বহু সংস্কৃতিমনা ব্যক্তিত্ব, মাৰ্জিত ৰুচি সম্পন্ন । তেওঁৰ চৰিত্ৰত পিতৃ-মাতৃ বংশ আৰু মাতৃভুমি কৰ্সিকাৰ বৈশিষ্ট আৰু বিশেষত্বৰ অভুতপূৰ্ব সমন্বয় ঘটে। দেউতাক কাৰ্লোৰ (Carlo Bonaparte) চৰিত্ৰত কৰ্সিকাৰ গৌৰৱ আৰু গাম্ভীৰ্য্যৰ লগত সংযোগ ঘটে ফেলাৰেঞ্চৰ নৈপুৰ্ণ্য আৰু নমনীয়তাৰ ; আৰু তেখেতৰ মাক লেতিযিয়াৰ (Letizia) বংশত থকা পৰিণামদৰ্শী ভাবধাৰা আৰু দুৰ্দান্ত সাহসিকতাৰ ঐতিহ্য । এই সকলোবোৰৰ লগত সংযোগ ঘটে তেওঁৰ জন্মভূমি কৰ্সিকাৰ শিলাময় পৰ্বতমালাৰ অনমনীয়তা আৰু দৃঢ়তাৰ । সংযোজিত হয় জলাধাৰাবেষ্টিত স্বকীয়তা, নিৰ্ভীকতা, ইয়াৰ শান্ত আৰু অটল প্ৰকৃতিৰ। এই সকলোবোৰৰ বৈশিষ্ট আৰু বিশেষত্বৰ সমন্বয় ঘটে নেপোলিয়নৰ চৰিত্ৰত, তেওঁ যেনিবা এইবোৰৰ মূৰ্ত প্ৰতীক আছিল ।

নেপোলিয়ন মহাকৰ্মতৎপৰ আছিল । এই বিষয়ে জানিব খুজিলে তেওঁৰ কৰ্মময় জীৱনৰ এটি দিনৰ কৰ্ম তালিকাৰ পৰা উপলব্ধি কৰিব পাৰি ; ফ্ৰান্সৰ পৰা ইটালিৰ ৰণাঙ্গণত উপস্থিত হোৱাৰ তৃতীয় দিনা ১১০ জন শ্ৰমিকক এটা আলিবাট নিৰ্মাণ কৰাৰ কাৰণে পঠোৱা হয়, সিদিনাই এটি ব্ৰিগেডৰ দমন আৰু দুটা গোলন্দাজ বাহিনীৰ আবাস স্থানৰ ব্যৱস্থা কৰা হয়, ঘোঁৰা চুৰি সংক্ৰান্ত মোকৰ্দ্দমা নিষ্পত্তি কৰি আদেশ-নিৰ্দেশ দান কৰা দুজন স্থানীয় সমৰ নায়কৰ কৰ্মপন্থা সম্পৰ্কে উত্থাপিত বিষয়ৰাজিৰ উত্তৰ দান, আতিবৰ (Antibes) জাতীয় ৰক্ষী বাহিনীক যুদ্ধৰ কাৰণে সাজু কৰাৰ যাৱতীয় প্ৰস্তুতিৰ ব্যৱস্থা গ্ৰহণৰ বাবে স্থানীয় অধিনায়কক নিদেশ প্ৰদান, বিদ্ৰোহ দমন সংক্ৰান্তত নিয়োজিত ব্ৰিগেডত অফিচাৰ হিচাবে নিযুক্তি দিবলৈ সুযোগ্য ব্যক্তিজনক বিচাৰি লৈ যাৱতীয় ব্যৱস্থা গ্ৰহণৰ বাবে অইন এটি নিৰ্দেশ প্ৰদান, সামৰিক পৰিষদৰ উদ্দেশ্যে ভাষণ দান, সেনা বাহিনীৰ তদাৰক কৰা, সিদিনাই সামৰিক নিৰ্দেশাৱলী জাৰি কৰা, মহাব্যস্ততা সত্বেও ৰণ প্ৰান্তৰৰ প্ৰতিটো বিশ্ৰাম স্থলৰ পৰা প্ৰেয়সী জোসেফাইনলৈ অন্তত ঃ এখনি চিঠি লিখিবলৈ পাহৰা নাছিল ।

বংশৰ ফালৰ পৰা সম্ভ্ৰান্ত হ'লেও নেপোলিয়নৰ দেউতাকৰ আৰ্থিক অৱস্থা তেনে ভাল নাছিল । ফ্ৰান্সৰ মিলিটেৰি স্কুল এখনত নেপোলিয়নৰ বাবে এটি বৃত্তিৰ ব্যৱস্থা কৰা হয় । ইয়াত কেইবছৰমান শিক্ষা লাভ কৰি বোনাপাৰ্টে গোলন্দাজ বিভাগত চাব্ লেফটেনেন্ট হয়গৈ । স্কুলীয়া জীৱনত নেপোলিয়ন তিমান পৰিশ্ৰমী নাছিল কিন্তু সামৰিক শিক্ষাৰ প্ৰতি তেওঁৰ আগ্ৰহ প্ৰবল আছিল। কিছুমান বিষয়ত ফৰাচী দাৰ্শনিকসকলৰ মতামত তেওঁৰ পৰবৰ্তী কাৰ্য্যাৱলী প্ৰভাবিত হলেও সৰহখিনি আদৰ্শই নিজা অভিজ্ঞতা আৰু পৰ্য্যবেক্ষণৰ ফল । ডেকা কালত বেচ আবেগময় আছিল আৰু কৰ্মশক্তি বিকশিত হোৱাৰ পথ বিচাৰিছিল ।

ফৰাচী সেনাবাহিনীত উচ্চ বিষয়াৰ সংখ্যা কম থকা হেতু আৰু যুদ্ধবিদ্যাত বিশেষ পাৰদশিতা থকাৰ কাৰণে নেপোলিয়নৰ দ্ৰুত পদোন্নতি হয় । ইংৰাজৰ কবলৰ পৰা তুলোঁ (Toulon) পূৰ্ণ দখল কৰাৰ উদ্দেশ্যে তেওঁক ব্ৰিগেডিয়াৰৰ পদত মকৰল কৰা হয় । তেওঁ ৰবসপিয়াৰ আৰু সমৰ্থকসকলৰ পতনত অংশ গ্ৰহণ কৰে । সুযোগ্য বিষয়াৰ প্ৰায় সকলোখিনি গুণ থকাৰ কাৰণে ফাঁচিকাঠৰ পৰা ৰক্ষা পৰে । আঠদিন হাজত বাসৰ পাছত তেওঁ মুক্তি পায় ।

নিজৰ দোষ ত্ৰুটি ঢাকি স্বাভাৱিক যোগ্যতা দেখুৱাত নেপোলিয়ন সদায় আগৰণুৱা আছিল । ১৭৯৫ খৃঃত পশ্চিম সীমান্তত নিয়োগৰ বিৰোধিতা কৰাৰ কাৰণে

তেওঁ সাময়িক কৰ্মচ্যুতিৰ (Suspension) সন্মুখীন হব লগা হয় আৰু এই পৰিপ্ৰেক্ষিতত তেওঁৰ সামৰিক জীৱন প্ৰায় শেষ হোৱাৰ উপক্ৰম হয় যদিও ত্ৰয়োদশ ভেন্দেমাৰৰ **(Vendemaire) ঘটনাৰ পৰিপ্ৰেক্ষিতত তেওঁ ৰক্ষা পৰে।

Like Caesar before him and like Hitler after, the army was his ladder, his tool and his passion. He wrote a tract or two, but his weapon was the sword, not the pen.

Napoleon rendered immense service to France. But the Napoleonic legend, which Via Louis and Napoleon became a legacy and Boulanger, Petain and De Ganlle a heavy liability is bound up with the autocrat and the adventurer and battles won on foreign soil. The idea of La gloire (gloire) in French history goes back, of course, long before Brumaire, but the first, overwhelming image of Napoleon is of the conquerer.

But behind the general and the pomp and pageontry of empire lay the achivement : In Lan, the church and education.

These were the 'blocks of granite' on

On which he believed his power rested In the three years from 1800 to 1803, the paris years, he carried through most of his reforms. It was as if Louis XIV had been reincarrated with a team of outstanding talent—Talleyrand, Cambaeses, Lebrun, (Lebrun) Gaudin, Portalis and Thibaudeau.

**শিক্ষাৰ ক্ষেত্ৰত :** নেপোলিয়নে জাতীয় শিক্ষাব্যৱস্থা প্ৰতিষ্ঠা কৰাৰ কাৰণে দৃঢ় প্ৰতিজ্ঞ হৈ পোপৰ লগত ধৰ্মীয় চুক্তি সম্পাদন কৰি ফ্ৰান্সৰ শিক্ষাৰ সংস্কাৰ সাধনত মনোনিবেশ কৰে। তেওঁ উপলব্ধি কৰিছিল যে শিক্ষাই একমাত্ৰ আনুগত্য লাভৰ বাহন আৰু উপযুক্ত শিক্ষা প্ৰশিক্ষণৰ জৰিয়তে ফৰাচী যুৱকসকলক প্ৰশাসনৰ প্ৰতি অনুৰাগি কৰি তুলিব পৰা যাব। তেওঁ কৈছিল 'মই এনেকুৱা এটি সম্প্ৰদায় গঢ়িব বিচাৰো——যি সদা-সৰ্বদা জীৱন্ত আৰু প্ৰাণৱন্ত হ'ব, যাৰ মাধ্যমত সকলো সংগঠন, অনুষ্ঠান প্ৰতিষ্ঠানে নব ভাবধাৰা আৰু নব জীৱন পাব।' তেওঁ শিক্ষাক ৰাজনৈতিক ব্যৱস্থাৰ অঙ্গ হিচাপেও প্ৰতিষ্ঠাৰ কথা চিন্তা কৰিছিল অকল নৈতিকতাৰ কাৰণে নহয়।

ফ্ৰান্সত 'সন্ত্ৰাসৰ ৰাজত্ব' চলি থকা কালত জাতীয় কনভেনচনে এটি সুন্দৰ জাতীয় শিক্ষানীতি হাতত লৈছিল, কিন্তু সেই শিক্ষানীতি ফ্ৰান্সত গা কৰি উঠিব পৰা নাছিল। সেয়ে এটি সুস্থ জনশিক্ষা গঢ়ি তোলাৰ মহান দায়িত্ব লৈ ইয়াক বাস্তৱ ৰূপদান দিয়াৰ কাৰণে নেপোলিয়নে ব্যাপক ক্ষমতা ব্যৱহাৰ কৰে। বিপ্লৱী শিক্ষা ব্যৱস্থাৰ যথাযথ সংস্কাৰ সাধন কৰি ১৮০২ খৃঃৰ মে মাহৰ ১ তাৰিখে ইয়াক নতুন সংশোধিত শিক্ষা পৰিকল্পনা আইনত পৰিণত কৰে।

বোনাপাৰ্টে প্ৰবৰ্তন কৰা শিক্ষা ব্যৱস্থাত প্ৰাথমিক শিক্ষা উন্নয়নৰ পৰিকল্পনা তিমান লেখত লবলগা নাছিল। প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠা কৰা বা ইয়াৰ পৰিচালনাৰ সম্পূৰ্ণ দায়িত্ব কমিয়ুন সমূহৰ ওপৰত এৰি দিয়া হৈছিল। মাধ্যমিক স্তৰৰ পৰা ফ্ৰান্সৰ শিক্ষা ব্যৱস্থাই চৰকাৰী পৃষ্ঠপোষকতা লাভ কৰে। মাধ্যমিক বা গ্ৰামাৰ (Grammer) বিদ্যালয়সমূহ চৰকাৰীভাৱে নিয়ন্ত্ৰিত হয়। এইসকল বিদ্যালয়ত ফৰাচী ভাষা, লেটিন আৰু সাধাৰণ বিজ্ঞান বিশেষভাৱে শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হয়। প্ৰায়বোৰ গুৰুত্বপূৰ্ণ চহৰত লিচে (Lycess) বা উচ্চ মাধ্যমিক বিদ্যালয় পতা হয়। সামৰিক পৰিকল্পনাৰ ভিত্তিত এই বিদ্যালয়সমূহ প্ৰতিষ্ঠা হয়। এই বিদ্যালয়বিলাকৰ পাঠ্যক্ৰম, নিয়ম-কানুন, শিক্ষক নিযুক্তি আদি যাৱতীয় কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশানুযায়ী পৰিচালনা হয়। ইয়াত অধ্যয়ন কৰিবলৈ অহা সকলো ছাত্ৰৰ কাৰণে সামৰিক শিক্ষা বাধ্যতামূলক কৰা হয় আৰু এই শিক্ষা অৱসৰপ্ৰাপ্ত সামৰিক বিষয়াৰ দ্বাৰা পৰিচালনাৰ দিহা কৰা হয়।

Lycessৰ শেষ পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰসকলক ৰাজকীয় বিশ্ববিদ্যালয়ত (Imperial Uni versity) হোৱাৰ সুযোগ দিয়া হয়। ফ্ৰান্সৰ ভালেমান নগৰীত

**Vendemaire ঃ ১৭৯৫ খৃঃৰ ৫ অক্টোবৰৰ কনভেনচনক বল প্ৰয়োগ কৰি উচ্ছেদ কৰাৰ প্ৰচেষ্টাক ত্ৰয়োদশ ভেন্দেমেয়াৰৰ ঘটনা বুলি অভিহিত কৰা হয়। উক্ত বিদ্ৰোহ দমনৰ কাৰণে এজন সুযোগ্য গোলন্দাজ অফিচাৰৰ দৰকাৰ হয় আৰু তাৰবাবে নেপোলিয়নক মনোনীত কৰা হয়।



এই বিশ্ববিদ্যালয়ৰ ব্যৱস্থা আছিল। মুঠ ১৭ (সোতৰ) খন একাডেমিক (Academy) লৈ এই বিশ্ববিদ্যালয় গঠন কৰা হয় আৰু ইয়াৰ যাৱতীয় পৰিচালনা আৰু নিয়ন্ত্ৰণ কেন্দ্ৰীয় চৰকাৰৰ হাতত ৰখা হয়। ইয়াৰ উপৰিও সিকালত ফ্ৰান্সৰ অধীনত থকা অইন দেশৰ শিক্ষা সংক্ৰান্ত সংস্থাসমূহৰ তদাৰকিৰ দায়িত্ব এই বিশ্ববিদ্যালয়সমূহৰ ওপৰত ন্যস্ত আছিল।

ৰাজকীয় বিশ্ববিদ্যালয়ৰ (Imperial University) উপৰিও নেপোলিয়নৰ নিৰ্দেশত কিছুমান শিক্ষা অনুষ্ঠান গঢ়ি উঠে। এইবোৰৰ ভিতৰত কাৰিকৰী বিদ্যালয়, চৰকাৰী কৰ্মচাৰী প্ৰশিক্ষণ বিদ্যালয় আৰু পেৰিৰ শিক্ষক প্ৰশিক্ষণ বিদ্যালয় লেখত লবলগা।

নেপোলিয়ন বোনাপাৰ্টক 'ফৰাচী বিপ্লৱৰ সন্তান' বা উত্তৰাধিকাৰী বুলি কোৱা হয়। কাৰণ তেখেতেই ফৰাচী বিপ্লৱক নবৰূপ দিয়ে। এই মন্তব্য বিশেষকৈ প্ৰযোজ্য তেখেতৰ আইন সংস্কাৰ আৰু প্ৰণয়নৰ ক্ষেত্ৰত। নিজে আইনজ্ঞ নাছিল সঁচা, কিন্তু ফ্ৰান্সৰ প্ৰচলিত আইনৰ পৰিবৰ্তন, সংযোজন আৰু নব আইন প্ৰণয়নৰ কাৰণে নেপোলিয়ন বিশ্ব ইতিহাসত চিৰস্মৰণীয়।

এই প্ৰসঙ্গত বিখ্যাত ঐতিহাসিক ফিচাৰৰ (Fisher) বক্তব্য লক্ষণীয়। এখেতে লিখিছে "ফৰাচী আইন প্ৰণয়ন কৰা যদিও সম্ভৱতঃ এটি স্থায়ী অবদান হিচাপে বিবেচনা কৰা হয়, তথাপি এষাৰ কথা এই সংক্ৰান্তত দৃঢ়ভাৱে ক'ব পাৰি যে ইয়েই নেপোলিয়নৰ কৰ্মস্পৃহাৰ আটাইতকৈ আচৰিত অভিব্যক্তি নহয় বা নাছিল। কিয়নো এয়া হ'ল তেওঁৰ জীৱনৰ লালসা এটিৰ বাস্তৱ ৰূপদানহে মাথো। "আইনৰ চকুত সকলো সমান" ইয়াৰ স্থায়ী ৰূপদান দিয়াৰ মানসেৰে ফ্ৰান্সৰ চাৰিজন খ্যাত আইনবিদ লৈ এখনি কমিচন গঠন কৰি ফ্ৰান্সৰ আইনবিধি সংস্কাৰৰ দায়িত্ব দিয়া হয়। অৱশ্যে এই গুৰুত্বপূৰ্ণ বিষয়টোৰ ক্ষেত্ৰত আগৰে পৰা বিপ্লৱী পৰিষদ, জাতীয় সংবিধান পৰিষদ তথা কনভেনচন আদিৰ আমোলৰ পৰাই চিন্তা-চৰ্চা কৰি থকা হৈছিল। এই সমূহে আৰম্ভ কৰা কামখিনি বোনাপাৰ্টৰ আমোলত স্থায়ী ৰূপ লয়। আইন কমিচনৰ ভালে কেইখন বৈঠকত নেপোলিয়ন নিজে সভাপতিৰ আসনত থাকি আইনবিধিৰ চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰা হয়। বিশেষ পৰ্য্যায়ৰ বিস্তৃত আলোচনাৰ অন্তত আইন কমিচনে প্ৰণয়ন কৰা খচৰাৰ প্ৰত্যেক ধাৰা দ্বিতীয়বাৰ ৰাষ্ট্ৰীয় সংসদৰ পূৰ্ণাঙ্গ অধিবেশনত আলোচনা কৰাৰ অন্তত অনুমোদন লাভ কৰে।

নেপোলিয়নৰ উদ্যোগত পাঁচ (৫) খন আইনবিধি গৃহীত হয়। (ক) দেৱানী বিধি (The civil code) (খ) দেৱানি পদ্ধতি সম্পৰ্কিত বিধি (The code of civil procedure) (গ) ফৌজদাৰি পদ্ধতি আৰু আইন সংক্ৰান্ত বিধি (The code of criminal procedure and penal Law) (ঘ) দণ্ড বিধি (The penal code) আৰু (ঙ) বাণিজ্যিক বিধি (The commercial code)। এই বিধিসমূহৰ ভিতৰত স্থায়ী হ'ল "দেৱানী বিধি" যি নেকি নেপোলিয়নৰ বিধি (Code Napoleon) বুলি পৰিচিত। এই "দেৱানী বিধি"ৰ কাৰণে ৰোমান আইন প্ৰণেতা জাষ্টিনিয়ানৰ (Justinian) নামৰ লগত বিশ্ব ইতিহাসত এজন প্ৰখ্যাত আইন প্ৰণেতা হিচাবে বোনাপাটৰ নামো সংযুক্ত হয়।

আইনৰ ফালৰ পৰা ফৰাচী জনসাধাৰণ ঐক্যবদ্ধ হওঁক ই আছিল ফৰাচী জনসাধাৰণৰ বহুকলীয়া এটি অভিলাস। নেপোলিয়নৰ দেৱানী বিধিয়ে ফ্ৰাসৰ এই অভিলাস (tust) পূৰণ কৰে। "বিপ্লৱৰ সাৰ কথা আৰু সংশোধন" দুয়োটিকে ইয়াত সংৰক্ষণ কৰা হয়। জীৱনৰ শেষ কালত অৰ্থাৎ St. Helenaত নিৰ্বাসিত জীৱন-যাপন কৰা সময়ত নেপোলিয়নৰ মুখৰ পৰা এইষাৰ কথা ওলাইছিল "মোৰ প্ৰকৃত গৌৰৱ মই জয় কৰা ৪০ (চল্লিচ) খন যুদ্ধত নিহিত নহয়---যি চিৰস্থায়ী আৰু স্মৰণীয় সেয়া হ'ল মোৰ দেৱানী বিধি"। এই বিধিৰ ২২৮১ টা ধাৰাত আইনগত দৃষ্টিকোণৰ পৰা ফৰাচী জনজীৱনৰ সাৰ্বিক দিশবোৰ নিয়ন্ত্ৰণ কৰা হয়।

Napoleon passed the time at St. Helena in writing his memories. He proved himself to be a true son of Revolution and the Servent of the poor and the downtrodden. He also wrote about himself to be the worships of peace. He wished to bue bried on the banks of the Scine in the midst (midst) of the French People, homhe woved dearly and his love wish was ultimately fulfilled by Napoleon III, twenty years after his death.

বিঃদ্ৰঃ—এই প্ৰবন্ধ যুগুত কৰোতে তলৰ কিতাপবোৰৰ সহায় লোৱা হয়।

১। আধুনিক ইউৰোপৰ ইতিহাস ঃ মোঃ আলীআসগৰ খান, অধ্যাপক, ৰাজসাহী বিশ্ববিদ্যালয়।

২। The Hamlyn History of the World Vol. 14.

৩। A History of Europe Vol. II by H.A.L. Fisher.

৪। Simple History of Modern Europe by Khurna & Sharma.

৫। Modern Europe by C.D. Hezen.

আলোকপাত---

# শিক্ষা আৰু শৈক্ষিক পৰিৱেশ

শ্ৰীকৌশিক চৌধুৰী
স্নাতক প্ৰথম বাৰ্ষিক (বিজ্ঞান)

শৈক্ষিক পৰিৱেশৰ আলোচনা মনলৈ অনাৰ লগে লগে সমাজৰ তিনিটা চৰিত্ৰৰ কথা মনলৈ আহে; যি তিনিটা চৰিত্ৰৰ শৈক্ষিক পৰিৱেশ বা শিক্ষা ব্যৱস্থাৰ লগত প্ৰত্যক্ষ সম্পৰ্ক আছে। সেই তিনিটা হৈছে—শিক্ষক, শিক্ষাৰ্থী আৰু অভিভাৱক। প্ৰত্যেকৰে দায়িত্বও সুকীয়া সুকীয়া।

শিক্ষা গ্ৰহণৰ মানসেৰে এখন বিদ্যালয় বা মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰিলেই যেনেকৈ এজন শিক্ষাৰ্থীৰ দায়িত্বৰ সমাপ্তি নঘটে। ঠিক তেনেকৈ মাক-দেউতাকৰ সন্তান জন্ম দিয়া বা অভিভাৱকে মাচুল, কিতাপ-পত্ৰ যোগাৰ দিয়াতেই তেওঁলোকৰ দায়িত্ব শেষ নহয়।

আমি সকলোৱে জনা উচিত যে শিক্ষাৰ উদ্দেশ্য কি; শিক্ষাৰ সাধাৰণ উদ্দেশ্য হৈছে—মানুহৰ পবিত্ৰ সুপ্ত শক্তিৰ বিকাশ সাধন। "Education is a kind of modification in the individual." শিক্ষা ব্যক্তিৰ ওপৰত এটি ৰূপান্তৰ। পুথিগত বিদ্যাখিনি কোনোমতে পূৰা কৰি ডিগ্ৰীধাৰী হ'লেই শিক্ষা সম্পূৰ্ণ হোৱা নুবুজায়।

শিক্ষাৰ বাবে আটাইতকৈ প্ৰয়োজনীয় বিষয়টো হ'ল এটা সুষ্ঠ সবল শৈক্ষিক পৰিৱেশ। সুষ্ঠ শৈক্ষিক পৰিৱেশ বজাই ৰাখিবলৈ হলে শিক্ষক, শিক্ষাৰ্থী, আভিভাৱক তথা সমাজ প্ৰত্যেকেই নিজৰ নিজৰ দায়িত্ব পালন কৰিব লাগিব। দায়িত্বৰ আঁৰে আঁৰে আছে তেওঁলোকৰ মনোনিবেশ আৰু আত্মসন্তুষ্টি।

শিক্ষক বা অভিভাৱক উভয়ৰে দায়িত্বৰ উল্লেখনীয় বিষয়টো হ'ল শিক্ষাৰ্থীজনৰ প্ৰতি তেওঁলোকৰ শিক্ষাৰ লগে লগে উত্তম নিদৰ্শন। এজন ছাত্ৰ বা ছাত্ৰীৰ লগত আলোচনাৰ মাধ্যমেদিয়েই হওঁক বা শিক্ষাৰ্থীজনৰ অভাৱ-অভিযোগৰ যোগেদিয়েই হওঁক শিক্ষাৰ্থীৰ মনৰ ভাব; তেওঁৰ অভিযোগৰ প্ৰতি লক্ষ্য ৰখাটো অকল অভিভাৱকৰে নহয় শিক্ষকৰো কৰ্ত্তব্য।

শিক্ষাৰ্থী এজন ঘৰত থকা সময়ৰ বেছিভাগ সময় অতিবাহিত কৰে অভিভাৱকৰ লগত; গতিকে এইখিনি সময় অভিভাৱকে তেওঁৰ কৰণীয়খিনিৰ পিনে মনোনিবেশ কৰাটো আটাইতকৈ প্ৰয়োজনীয় বিষয়। আকৌ যেতিয়া শিক্ষাৰ্থীজন দৈনন্দিন ৰুটিন অনুযায়ী বিদ্যালয় বা মহাবিদ্যালয়লৈ আহে সেইখিনি সময় তেওঁ প্ৰকৃততে বিদ্যালয় বা মহাবিদ্যালয়খনৰ ছাত্ৰ বা ছাত্ৰী গতিকে এইখিনি সময় শিক্ষকে শিক্ষা দিয়াৰ উপৰিও ছাত্ৰ বা ছাত্ৰীজনৰ অন্যান্য আনুসঙ্গিক দিশতো মনোনিবেশ কৰাটো প্ৰতিজন শিক্ষকৰে কৰ্ত্তব্য যদিওবা প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীক ব্যক্তিগতভাৱে পৰ্য্যবেক্ষণ কৰাটো মুঠেই সম্ভৱ নহয় তথাপি সমূহীয়াকৈ বা মোটামুটিকৈ লক্ষ্য কৰাটো নিশ্চয় কঠিন নহ'ব। তাৰোপৰি শিক্ষকজনেই হওঁক বা অভিভাৱকজনেই হওঁক উভয়ে পৰস্পৰ সম্পৰ্ক ৰখাটো শিক্ষাৰ্থীজনৰ বাবে আটাইতকৈ মংগলজনক। আজিকালি সাধাৰণতে দেখা যায় যে কোনো বিদ্যালয় বা মহাবিদ্যালয়ত অভিভাৱক আৰু শিক্ষাৰ্থীৰ দায়িত্ব পালনৰ সুবিধাৰ্থে অভিভাৱক আৰু শিক্ষকৰ সম্পৰ্ক অটুট ৰাখিবৰ বাবে বা শিক্ষাৰ্থীসকলৰ প্ৰতি অভিভাৱক তথা শিক্ষকৰ দায়িত্বৰ বিষয়ে আলোচনা কৰাৰ বাবে কোনো সভা পতা নহয়। আগতে বিদ্যালয় বা মহাবিদ্যালয় সমূহত অভিভাৱকসকলৰ মাহেকীয়া সভা পতা হৈছিল য'ত শিক্ষাৰ্থীৰ অভাৱ-অভিযোগৰ বিষয়ে শিক্ষকৰ সৈতে আলোচনা কৰা হৈছিল আৰু কাৰ্য্যকৰী কৰাৰ কাৰণে সমূহীয়াকৈ চেষ্টা কৰা হৈছিল। অৱশ্যে এই ক্ষেত্ৰত বিদ্যালয় বা মহাবিদ্যালয় বা মহাবিদ্যালয়খনৰ দায়িত্বত থকা অধ্যক্ষ বা প্ৰধান শিক্ষক গৰাকীৰো ভূমিকা আছে।

প্ৰত্যেকজন অভিভাৱকে মনত ৰখা উচিত যে এজন ছাত্ৰ বা ছাত্ৰীৰ অধঃপতনৰ বাবে শিক্ষাৰ্থীজনৰ লগতে তেওঁও সমানে দায়ী। ছাত্ৰ বা ছাত্ৰী এজনে যেতিয়া শিক্ষা গ্ৰহণৰ মানসেৰে বিদ্যালয় বা মহাবিদ্যালয়ত ভৰ্ত্তি হয় সাধাৰণতে তেওঁলোক বহুতো চিনা-নিচিনা নতুন বন্ধুৰ লগত পৰিচয় হয়। এই ক্ষেত্ৰত তেওঁলোকে এটা নতুন ধাৰাত পৰি যায়। গতিকে তেওঁলোকে কিছুমান ক্ষেত্ৰত নিজকে চম্ভালিব নোৱাৰাতো অতি স্বাভাৱিক আৰু তেওঁলোকে ছাত্ৰ-জীৱনৰ কৰ্ত্তব্যৰ পৰা আঁতৰি যোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। প্ৰতিজন অভিভাৱকে শিক্ষাৰ্থীজনৰ চাল-চলন, আচাৰ-ব্যৱহাৰৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষাৰ্থীজনে কিবা ভুল পথত অগ্ৰসৰ হৈছে নেকি; যদি হৈছে শিক্ষাৰ্থীজনক তেনেকুৱা ভুল পথৰ পৰা আঁতৰ কৰাটো অভিভাৱকজনৰ চৰম দায়িত্বৰ সূচক।

শিক্ষাৰ্থীজনক শিক্ষানুষ্ঠানত নাম ভৰ্ত্তি কৰাৰ আগেয়ে বা সময়ে সময়ে অভিভাৱকজনৰ নিজস্ব জীৱনৰ অভিজ্ঞতাৰ পৰা শিক্ষাৰ্থীজনক সাৱধান কৰি দিয়া বা আগতীয়া জাননী দিয়া উচিত। শিক্ষানুষ্ঠানত থকা সময়খিনিত শিক্ষাৰ্থীজনৰ দায়িত্ব কোনো এজন শিক্ষকক গতাই দিলেও শিক্ষকজনে নিশ্চয় বেয়া নাপায় কাৰণ শিক্ষকজনৰো শিক্ষাৰ্থীজনৰ ওপৰত এটা দায়িত্ব আছে। এই ক্ষেত্ৰত মই শিক্ষক বা অভিভাৱক কোনো এজনকে তেওঁলোকৰ দায়িত্ব সঁকিয়াই দিয়া নাই বা তেওঁলোকৰ দায়িত্বখিনিক সমালোচনাও কৰা নাই। মই মাথো তেওঁলোকৰ দায়িত্বসমূহ সমূহীয়াকৈ আলোচনাহে কৰিছোঁ। এই ক্ষেত্ৰত যে শিক্ষাৰ্থীজনৰ কিবা কৰিবলগীয়া নাই মই তাকো এৰি যাব খোজা নাই। প্ৰত্যেক শিক্ষাৰ্থীয়ে নিজৰ ভৱিষ্যত জীৱনৰ দায়িত্ব নিজে নিজে উপলব্ধি কৰাতো তেওঁলোকৰো গুৰু দায়িত্ব। শিক্ষক-অভিভাৱকক ফাঁকি দিয়াতো ছাত্ৰজীৱনৰ কৰ্ত্তব্য হ'লে শিক্ষক-অভিভাৱক উভয়ৰে দায়িত্বৰ ত্ৰুটি ৰৈ যোৱাটো স্বাভাৱিক। প্ৰত্যেকজন শিক্ষাৰ্থীয়ে তেওঁলোকৰ যিকোনো সমাজত সমস্যা অভিভাৱকৰ লগত মুকলিকৈ আলোচনা কৰি একেলগে সমাধান কৰিব লাগে যাতে পৰস্পৰৰ মাজত বিশ্বাস দৃঢ় হয়।

আজিকালি বাতৰি কাকতত আমি প্ৰায়ে পঢ়িবলৈ পাওঁ যে বিভিন্ন হিংসাত্মক ঘটনা, দুস্কাৰ্য্য, ৰাগিয়াল দ্ৰব্য সেৱনত ছাত্ৰ-ছাত্ৰী জড়িত। ইয়াৰ মূল কাৰণ কোনোবাই বিবেচনা কৰিছেনে? ইয়াৰ বাবে কোন দোষী? কোনোবাই হয়তো যুক্তি দিব পাৰে যে সাম্প্ৰতিক পৰিস্থিতিত, ৰাজনৈতিক হস্তক্ষেপত বা দুষ্টচক্ৰৰ প্ৰভাৱৰ ফলত শিক্ষাৰ্থী এনেকুৱা দুস্কাৰ্য্যত জড়িত হয় গতিকে এই ক্ষেত্ৰত শিক্ষক বা অভিভাৱকৰ দায়িত্বৰ ত্ৰুটি হোৱাটো নুবুজায়। কিন্তু কথাটো দকৈ বিবেচনা কৰি চালি-জাৰি চালে দেখা যাব যে এনেকুৱা কাৰণত শিক্ষক বা অভিভাৱক সকলো প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত হৈ আছে। তেওলোকে তেওলোকৰ দায়িত্ব সূচাৰুৰূপে পালন নকৰাটো এনেকুৱা দুস্কাৰ্য্যৰ সূচক।

বৰ্তমান তীব্ৰ সমালোচিত হৈছে আমাৰ শিক্ষা ব্যৱস্থা বিশেষকৈ কলেজীয়া শিক্ষা ব্যৱস্থা। সমালোচনাৰ মূল কাৰণো হৈছে, শিক্ষা দানৰ ব্যৱস্থাৰ কুটিলতা, শিক্ষক আৰু শিক্ষাৰ্থীৰ সম্পৰ্কৰ ভেদভাৱ। বেছিভাগ শিক্ষককেই সাধাৰণতে দেখা যায় যে শ্ৰেণীত সোমায় আৰু নিষ্ক্ৰিয় বক্তাৰ দৰে পঢ়াবলগীয়াখিনি অনৰ্গল কৈ যায় তাত কোনো ছাত্ৰই বা ছাত্ৰীয়ে বুজিছে নে বুজা নাই সেই বিষয়ে তেওঁলোকৰ চিন্তা কৰাৰ প্ৰশ্নই যেন নুঠে। ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন কৰাতো যেন তেওঁলোকৰ দায়িত্ব নহয়। এই বিষয়ত আমাৰ ছাত্ৰ সমাজো ৰহি থাকে নিশ্চুপ হৈ; কাৰো যেন কোনো প্ৰতিক্ৰিয়া নাই। এনেকৈয়ে চলিছে আমাৰ বিশেষকৈ কলেজীয়া শিক্ষাব্যৱস্থা আৰু এনেকুৱা শিক্ষাব্যৱস্থাকে সমৰ্থন জনাই আহিছে শিক্ষক, শিক্ষাৰ্থী আৰু অভিভাৱকে। ঘৰুৱা শিক্ষকৰ তাত টিউচন কৰি probable প্ৰশ্ন-উত্তৰ মুখস্থ কৰি কৰি পৰীক্ষাত নম্বৰ পালেই শিক্ষা সম্পূৰ্ণ হোৱাতো নুবুজায় আৰু এনেবোৰ কাৰণতে আমাৰ অসমৰ শিক্ষাৰ্থীসকলে I.A.S. আদিৰ দৰে উচ্চ পৰ্য্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱাৰে। অৱশ্যে গোটেই শিক্ষক বা শিক্ষাৰ্থীক মই দোষ জাপি দিলে ভুল কৰা হ'ব। এতিয়াও বহুতো শিক্ষক আছে যিয়ে নিজৰ দায়িত্ব সুকলমে পালন কৰি শিক্ষকৰ আদৰ্শতা বজাই ৰাখিছে। তেওলোক প্ৰকৃততেই সন্মানৰ যোগ্য। অনেক শিক্ষাৰ্থীও আছে যি হয়তো সাম্প্ৰতিক প্ৰতিকূল পৰিস্থিতিটো নিজকে খাপ খুৱাই লব পাৰিছে আৰু সুনামো অৰ্জন কৰিছে। কিন্তু এইটো দৃঢ়তাৰে কব পাৰি যে বেছিভাগ শিক্ষাৰ্থীয়েই বৰ্তমানৰ শিক্ষাব্যৱস্থাৰ বলি হৈছে।

বর্তমানৰ আধুনিক শিক্ষাব্যৱস্থাৰ ফলত উঠি অহা যুৱক-যুৱতীসকলৰ মাজত যি নবীন সামাজিক প্ৰয়োগ ঘটিছে তাৰ দ্বাৰা নিজৰ আৰু সমাজৰ নৈতিক আদৰ্শৰ লাভালাভ চিন্তনীয় ।

বৰ্তমান শিক্ষাব্যৱস্থা বৃত্তিমুখী শিক্ষাব্যৱস্থা । শিক্ষা সম্পূৰ্ণৰূপে আয়ত্ব কৰাতকৈ বিকল্প পথেৰে বা কোনো-মতে সাম্ভাব্য প্ৰশ্ন উত্তৰ মুখস্থ কৰি, একেটা শ্ৰেণীতে দুই-তিনিবাৰ থাকি হ'লেও যিকোনো প্ৰকাৰে ডিগ্ৰীধাৰী হোৱা আৰু টকা-পইচা দি নিজৰ ঘুণেখোৱা অৰ্হতা-খিনি চাকি চাকৰি এটা যোগাৰ কৰা বা পৈতৃক সম্পত্তি থাকিলে তাকে লৈ এটা ভেটিহীন ব্যৱসায় আৰম্ভ কৰা আৰু শিক্ষাৰ ফালে চিৰদিনৰ কাৰণে পিঠি দি কোনো-মতে টুক-টাককৈ জীৱনটো পাৰ কৰি দিয়াতেই শেষ । এইয়ে আমাৰ সৰ্বসাধাৰণৰ গতানুগতিক জীৱন প্ৰণালী। এনেকুৱা এটা বৃত্তিমুখী শিক্ষাব্যৱস্থাই জাতিৰ মেৰুদণ্ড কিমানখিনি পোনাব তাতো সন্দেহ আছে । এনেকুৱা শিক্ষা ব্যৱস্থাৰ প্ৰতিবাদ কৰা বৰ্তমান প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱক তথা সচেতন ৰাইজৰো গুৰু দায়িত্ব । অন্যথা আমাৰ উঠি অহা চামক এনেকুৱা পংগু শিক্ষাৰে শিক্ষা দি তেওঁলোকৰ লগতে গোটেই সমাজ ব্যৱস্থাটোকে পংগু কৰা হ'ব ।

বৰ্তমান শিক্ষাব্যৱস্থাৰ লগত সঁচা জীৱনৰ সম্পৰ্ক-হীনতাৰ ব্যৱেই হয়তো ই আমাৰ বাবে কাঁইট হ'ব । মুঠতে শিক্ষাব্যৱস্থাৰ লগতে উপযুক্ত শৈক্ষিক পৰিবেশৰ বাবে প্ৰতিজন অভিভাৱক, শিক্ষাগুৰু ছাত্ৰৰ লগত সম্পৰ্ক বজাই ৰাখি সমাজত উশৃংখলতা সৃষ্টি কৰোতা, বিপথগামী যুৱ ছাত্ৰ-ছাত্ৰীক ওভোটাই সৎ পথলৈ অনাত সমূহীয়াকৈ একত্ৰিত প্ৰচেষ্টা চলাব লাগিব ।

আজি গোটেই বিশ্বতে সমৰ্থন কৰা সহশিক্ষাৰ প্ৰচলনে অসমৰ বা ভাৰতৰ কলেজীয়া শিক্ষাব্যৱস্থাত কিমান-খিনি অৰিহণা যোগাইছে সিও আলোচনাৰ বাবে বিবে-চনীয় । আমাৰ স্বাধীনতাৰ ৪৭ বছৰত যুগপোযোগী শিক্ষানীতিৰ পৰিবৰ্তন হৈ আহিছে, গতিকে এনে ক্ষেত্ৰত শিক্ষাৰ্থীসকলৰ, অভিভাৱকসকলৰ কৰ্ত্তব্য অনিবাৰ্য্য । শিক্ষাৰ লগে লগে নিজৰ ল'ৰা-ছোৱালীৰ ৰুচিৰ প্ৰতি লক্ষ্য ৰাখি সিহঁতৰ দেহ-মনৰ অনুকূল শিক্ষাৰ প্ৰতি মনোনিবেশ কৰোৱাৰ লগতে শিক্ষাৰ্থীক সঠিক আদৰ্শৰে উত্তম পথ প্ৰদৰ্শকৰ ভূমিকা পালন কৰা । সেইদৰে শিক্ষাৰ্থীসকলৰ ভৱিষ্যত জীৱনৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষক-সকলে শিক্ষাৰ্থীৰ লগত এটা বাস্তৱ সম্পৰ্কৰ মাজেৰে শিক্ষা দান কৰাৰ লগে লগে অভিভাৱকসকলৰ সতেও শিক্ষাৰ্থীজনৰ সম্পৰ্কত এটা সম্পৰ্ক ৰখা উচিত ।

আকৌ শিক্ষাৰ সঞ্চালক আৰু সূত্ৰধাৰ সকলোৰো নিতান্ত কৰ্ত্তব্য শিক্ষানীতি আৰু শিক্ষা ব্যৱস্থা গভীৰ-ভাৱে অধ্যয়ন কৰি বিষয়বস্তুৰ লগত সম্পৰ্ক থকাকৈ শিক্ষাৰ্থীৰ মনোবিজ্ঞানৰ লগত উপযোগীকৈ এটা সুষ্ঠ শিক্ষা প্ৰণালী প্ৰৱৰ্তন কৰা, যাতে আমাৰ ভৱিষ্যত চামে এখন সুষ্ঠ সমাজ গঢ়িব পাৰে ।





# "ৰেগিং এক নিৰ্দোষ ধেমালী নে ছাত্ৰ সমাজৰ উশৃংখলতাৰ কাৰক" ?

অনামিকা ভট্টাচাৰ্য্য
উচ্চতৰ মাধ্যমিক
১ম বৰ্ষ (কলা)

"অনন্ত অপাৰ মহা শব্দ শাস্ত্ৰৰ মহাসিন্ধু মথি
আমি আহৰণ কৰো জ্ঞানৰ অমৃত ।
মহা মহা জীৱনৰ গৰিমাৰ সৌধ ৰঁচো
ৰামধেনুৰ ৰহনেৰে জীৱন বোলাই ।"

ভৱিষ্যতৰ কৃতকাৰ্য্যতা পূৰ্ণ, সুন্দৰ জীৱন গঢ়াৰ কৰ্মশালা কলেজসমূহ, বিদ্যাৰ্থীসকলৰ সাধনাৰ একোখন মহান আশ্ৰম । এনে পবিত্ৰ, মহান অনুষ্ঠানটিত প্ৰবেশ কৰিয়েই কেতিয়াবা বহুতো বিদ্যাৰ্থীয়ে বিপৰ্য্যয়ৰ সন্মুখীন হয় ৰেগিং নামৰ মহামাৰীটোৰ কবলত পৰি । বহুতৰ বাবে ৰেগিং এক বিভীষিকা । এই বিভীষিকাৰ মাজত মানসিক ভাৰসাম্য হেৰুৱাই বহুতো বিদ্যাৰ্থীয়ে শিক্ষা জীৱনৰ সামৰণি মাৰিছে। প্ৰকৃতপক্ষে ৰেগিং এক নিৰ্দোষ ধেমালীহে হোৱা উচিত। ধেমালীৰ সীমা অতিক্ৰম কৰি গলেই সি হৈ পৰে ক্ৰুৰ ধেমালী ।

বৰ্তমান সময়ত "ৰেগিং" নামৰ চিনাকি পৰ্বটোৰ প্ৰকৃতপক্ষে অন্তৰ্নিহিত শব্দটো হৈ পৰিছে শাৰীৰিক তথা মানসিক অত্যাচাৰ । বহুতো দুখীয়া পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীয়ে যৎকিঞ্চিত টকা-পইচা খৰচ কৰি নাম ভৰ্ত্তি কৰাৰ পিছত ৰেগিঙৰ প্ৰভাৱত তিষ্ঠিব নোৱাৰি গুচি আহে । "ৰেগিং" নামৰ এই বিষাক্ত ৰোগটোৰ দ্বাৰা আক্ৰান্ত হৈ বহুতো ছাত্ৰ-ছাত্ৰীয়ে মৃত্যুকো সাৱটিব লগা হৈছে । আজি দুবছৰমান আগতে যোৰহাট কৃষি বিশ্ববিদ্যালয়ত ধ্ৰুৱজ্যোতি বৰুৱা নামৰ এজন ছাত্ৰই নাম ভৰ্ত্তি কৰি দুমাহ পিছত ঘৰলৈ গুচি আহিছে । কিন্তু সুদা হাতে নহয় । সুস্থ সবল নিৰোগী দেহটোক জেষ্ঠসকলৰ শাৰী-ৰিক অত্যাচাৰৰ দ্বাৰা ৰুগীয়া দেহা এটালৈ ৰূপান্তৰিত কৰি ধ্ৰুৱজ্যোতি ঘূৰি আহে । তাৰ পিছত ধ্ৰুৱজ্যোতিৰ দেউতাকে ল'ৰাৰ চিকিৎসাৰ বাবে খেতিৰ মাটি বেচিব লগা হয় । যৌথ পৰিয়াল এটাৰ একমাত্ৰ আৰ্জোতা প্ৰথামিক স্কুলৰ শিক্ষক ধ্ৰুৱজ্যোতিৰ দেউতাকৰ ইমান টকা কাৰ বাবে অথলে গ'ল ? এনেদৰে দিনে দিনে কিমান জন ধ্ৰুৱজ্যোতিৰ বাবে অসমৰ কিমানজন দেউতাকৰ ধ্ৰুৱজ্যোতিৰ দেউতাকৰ দৰে অৱস্থা হৈছে তাৰ খবৰ জানো ছাত্ৰসকলে ৰাখিছে ?

বি, বৰুৱা কলেজত নাম ভৰ্ত্তি কৰা জীৱন বৰা নামৰ ছাত্ৰজনে কেনেদৰে ৰেগিং নামৰ বিভীষিকাটোৰ বলি হৈ মৃত্যুৰ সতে অহৰ্নিশে সংগ্ৰাম কৰি আছে তাক আমি সকলোৱে বাতৰি কাকতত পঢ়িবলৈ পাইছো । এনেদৰে অসমৰ বহুতো সম্ভাৱনাক ধ্বংসৰ গৰাহলৈ ঠেলি দিয়া হোৱা নাইনে ?

যত ইউৰিনেলত আমি দুই ছেকেণ্ডৰ বাবে সোমালেও নাকত সোপা দিব লাগে সেই ইউৰিনেলত একোজন ছাত্ৰ-ছাত্ৰীয়ে ৰেগিঙৰ বলি হৈ একেৰাহে এৰাতি কটাব লগা হৈছে । উঃ কেনে যন্ত্ৰণাকাতৰ সেই ৰাতি !

এই ৰেগিঙৰ ফলতেই ছাত্ৰসমাজত উশৃংখলতাই দেখা দিছে । নবাগতসকল কলেজত সোমোৱাৰ পৰা নবাগত আদৰণী সভা পৰ্য্যন্ত জেষ্ঠসকলে ক্লাছ কৰা বাদ দি কনিষ্ঠসকলক যেই সেই অশ্লীল প্ৰশ্ন সুধিব যিবোৰৰ উত্তৰ জেষ্ঠসকলৰ ওচৰত কেতিয়াও দিব নোৱাৰি । ইয়ে ছাত্ৰ সমাজৰ অধঃপতন ঘটোৱা নাইনে ? তদুপৰি

কনিষ্ঠসকলৰ লগত মিলাপ্ৰীতি কৰাৰ বাবে যিটো পৰ্ব বুলি অভিহিত কৰা হয় বৰ্তমান সময়তচোন সেইটো পৰ্বই ছাত্ৰসমাজক ধ্বংসৰ গৰাহলৈ ঠেলি দিছে। গতিকে যদি "নবাগত আদৰণি সভা"ৰ দিনা এই পৰ্বটো অনুষ্ঠিত হোৱালৈকে সকলো জ্যেষ্ঠই অপেক্ষা কৰে তেন্তে "ৰেগিং" শব্দটোৰ দ্বাৰা ছাত্ৰসমাজত উশৃংখলতা সৃষ্টিৰ তিলমানো সন্দেহ নাথাকিব। কিন্তু দিনে দিনে ইয়াৰ প্ৰকোপ কমক ছাৰি বেছিহে হব ধৰিছে। আগতে যিবোৰ কলেজ এই মহামাৰীটোৰ পৰা মুক্ত আছিল এতিয়া সেইবোৰ কলেজো ইয়াৰ বীজাণুৰ দ্বাৰা আক্ৰান্ত হৈ পৰিছে ; আৰু অতি শীঘ্ৰেই ই বিশালাকাৰ হোৱাৰ সম্ভাৱনাই দেখা দিছে।

বৰ্তমান চৰকাৰেও সমূহ শিক্ষানুষ্ঠানকে ৰেগিং বন্ধ কৰিবলৈ নিৰ্দেশ দিছে। কিন্তু ছাত্ৰসমাজে ইয়াৰ অপকাৰ বুজি ইয়াক নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা নকৰিলে চৰকাৰৰ নিৰ্দেশ কেতিয়াও ৰূপায়িত নহয়।

"ৰেগিং" মহাব্যাধিয়ে সমগ্ৰ অসমতে বিভীষিকাৰ সৃষ্টি কৰিছে ; ছাত্ৰসমাজৰ অস্তিত্বই প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। সেয়েহে প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে ইয়াৰ বিৰুদ্ধে সদা জাগ্ৰত হোৱা উচিত।





# ভাৰতীয় অৰ্থনীতিত কুটিৰ আৰু ক্ষুদ্ৰ উদ্যোগৰ প্ৰভাৱ আৰু ইয়াৰ উন্নয়ন

শ্ৰীশংকৰ দাস
স্নাতক ২য় বৰ্ষ (কলা)
গোৱালপাৰা মহাবিদ্যালয়।

কুটিৰ আৰু ক্ষুদ্ৰ শিল্প বুলি ক'লে সেইবোৰ শিল্প বা উদ্যোগক বুজোৱা হয়—যিবোৰ সাধাৰণতে ক্ষুদ্ৰ ঘৰ বা সৰু ঠাই এডোখৰত পৰম্পৰাগতভাৱে গাওঁলীয়া আহিত আটকীয়া মূলধনেৰে স্থাপন কৰা হয়। কুটিৰ শিল্পবোৰ পৰিয়ালৰ ব্যক্তিগত শিল্প উদ্যোগ। এনে উদ্যোগত কোনো কোনো উচ্চ কাৰিকৰী গুণসম্পন্ন প্ৰযুক্তি কৌশল, যন্ত্ৰ-পাতি, সা-সুবিধা, অথবা বিশেষ অৰ্হতাসম্পন্ন শ্ৰমিকৰ প্ৰয়োজন নহয়। এনে উদ্যোগৰ ভিতৰত বয়ন শিল্প, বাঁহ-বেতৰ উদ্যোগ, হস্ত শিল্প, কাপোৰত ৰং কৰা উদ্যোগ, চামৰা উদ্যোগ, চাবোন তৈয়াৰ কৰা উদ্যোগ, কাঠ, আচবাব তৈয়াৰ কৰা উদ্যোগ, মৃৎ শিল্প, কমাৰ, কহাৰ, মৌ-পালন, মম উদ্যোগ ইত্যাদি।

**ক্ষুদ্ৰ শিল্প ঃ** ক্ষুদ্ৰ শিল্প হ'ল কুটিৰ শিল্পতকৈ সামান্য পৃথক জাতীয় উদ্যোগ। এনে উদ্যোগত বিদ্যুৎ শক্তি, শ্ৰমিক ইত্যাদি ব্যৱহাৰ কৰা হয়। কিন্তু এনে উদ্যোগবোৰ সীমাবদ্ধতা আছে। এইবোৰ উদ্যোগ ক্ষুদ্ৰ গোটত নিয়োগ কৰা হয়। এই উদ্যোগবোৰৰ নিয়োগৰ উচ্চসীমা হ'ল ৬০ লাখ। এনে ধৰণৰ উদ্যোগৰ উদাহৰণ হ'ল— যান্ত্ৰিকভাৱে কাঠৰ আচবাব তৈয়াৰ কৰা উদ্যোগ, প্ৰেছ, খাৰ-বাৰুদ, বিভিন্ন আটচবাজি তৈয়াৰ কৰা উদ্যোগ, ঘড়ীৰ উদ্যোগ, ধপাতৰ উদ্যোগ, খাদ্য প্ৰস্তুত তৈয়াৰ কৰা উদ্যোগ, খাদী আৰু গ্ৰাম্য উদ্যোগ বিভাগৰ ক্ষুদ্ৰ ক্ষুদ্ৰ উদ্যোগসমূহো ইয়াৰ অন্তৰ্গত।

ক্ষুদ্ৰ উদ্যোগৰ প্ৰাধান্য বিভিন্ন উন্নয়নশীল আৰু উন্নত দেশবোৰত দেখা যায়। জাপান, চুইজাৰলেণ্ড, চুইডেন, বেলজিয়াম আনকি আমেৰিকাতো থকা অসংখ্য উদ্যোগৰ ভিতৰত ক্ষুদ্ৰ উদ্যোগেই প্ৰধান।

অৱশ্যেই বৃটিছৰ শাসনকালত এই ক্ষুদ্ৰ আৰু কুটিৰ শিল্পৰ প্ৰাধান্যৰ কিছু অৱনতি ঘটে যদিও বৃটিছৰ শাসনৰ পিছত এই উদ্যোগৰ কিছু উন্নতি হয়।

অৰ্থনৈতিক পৰিকল্পনাৰ চাৰিটা দশকৰ পিছতো ভাৰতীয় অৰ্থনীতিত বিশেষকৈ উদ্যোগ ব্যৱস্থাত গ্ৰাম্য আৰু ক্ষুদ্ৰ উদ্যোগৰ গুৰুত্ব বৃদ্ধি পাইছে। এনে উদ্যোগৰ গুৰুত্ব আৰু ভূমিকাৰ সম্পৰ্কে তলত কিছু আভাস দাঙি ধৰা হ'ল—

(১) উদ্যোগীক উৎপাদনৰ মুঠ মূল্যৰ দিশৰ পৰা গ্ৰাম্য আৰু ক্ষুদ্ৰ উদ্যোগৰ অৱদান হ'ল ৫০ ভাগ। ১৯৯১ চনৰ গিয়ল মতে মাৰ্চ মাহৰ শেষত সমগ্ৰ দেশতে ক্ষুদ্ৰ উদ্যোগৰ সংখ্যা আছিল ১৯'৩৮ লাখ। এইবোৰ উদ্যোগে প্ৰায় ১২৪'৩ লাখ নিবনুৱাক কৰ্মসংস্থান দিছিল। আকৌ ১৯৯০-৯১ চনত এই উদ্যোগৰ মুঠ উৎপাদনৰ মূল্য আছিল ১৫৫'৩৪০ কোটি টকা। এই মূল্য আমাৰ দেশৰ মুঠ উদ্যোগীক উৎপাদনৰ প্ৰায় ৪০ ভাগ। এই উদ্যোগসমূহৰ পৰা ১৯৯০-৯১ চনত কৰা ৰপ্তানিৰ মূল্য হ'ল ৯২০০ কোটি টকা ; যিটো মুঠ ৰপ্তানিৰ ২৪ ভাগ।

(২) মূল উদ্যোগৰ আৰু অন্যান্য কাম-কাজৰ ফলত সৃষ্টি হোৱা ক্ৰয় ক্ষমতাৰ বাবে মুদ্ৰাস্ফিতি আৰু উপভোগ্য দ্ৰব্যৰ মুখ্য প্ৰাপ্যতাৰ প্ৰতিবিধানৰ বাবে গ্ৰাম্য আৰু ক্ষুদ্ৰ উদ্যোগৰ সহায়ত অধিক মাত্ৰাত উপভোগ্য দ্ৰব্য উৎপাদনৰ ব্যৱস্থা কৰাটো অপৰিহাৰ্য্য হৈ পৰে। এইবোৰ উদ্যোগত উৎপাদনৰ কাৰ্য্য দ্ৰুত গতিত আৰম্ভ কৰা হয়।

(৩) ভাৰতৰ দৰে দেশত কৃষিৰ ওপৰত জনসংখ্যাৰ হেঁচা কমাবৰ বাবে গ্ৰাম্য আৰু কুটিৰ উদ্যোগৰ প্ৰসাৰৰ প্ৰয়োজন। ভাৰতত প্ৰায় ৭০ ভাগ লোকে জীৱিকাৰ বাবে কৃষিৰ ওপৰত নিৰ্ভৰশীল। গতিকে সৃষ্টি হোৱা ছদ্মবেশী আৰু ঋতুজ নিবনুৱা সমস্যাৰ সমাধানৰ ক্ষেত্ৰত এনে উদ্যোগৰ বৰঙণি আটাইতকৈ বেছি।

(৪) বৃহৎ উদ্যোগে মূলধন আৰু সম্পদৰ কেন্দ্ৰীভূত কৰাই পুঁজিবাদৰ জন্ম দিয়ে। ফলত আৰ্থিক বৈষম্য আৰু দৰিদ্ৰতাৰ সৃষ্টি হব পাৰে. কিন্তু গ্ৰাম্য আৰু ক্ষুদ্ৰ উদ্যোগৰ দ্বাৰা নোহোৱাৰ সম্ভাৱনা নাথাকে।

(৫) ক্ষুদ্ৰ উদ্যোগসমূহে বৃহৎ উদ্যোগৰ সহায়কাৰি উদ্যোগ হিচাপে গুৰুত্বপূৰ্ণ আৰু আৱশ্যকীয় ভূমিকা পালন কৰে। আমাৰ দেশৰ বৰ্তমানলৈ জীয়াই থকা বৃহৎ উদ্যোগে উৎপাদিত সামগ্ৰীৰ লাগতিয়াল ক্ষুদ্ৰ ক্ষুদ্ৰ অংশসমূহ ক্ষুদ্ৰ উদ্যোগেই যোগান ধৰি আহিছে। গতিকে এই ক্ষেত্ৰত ক্ষুদ্ৰ উদ্যোগৰ গুৰুত্ব অপৰিসীম।

যদিও ভাৰতবৰ্ষৰ গ্ৰাম্য আৰু ক্ষুদ্ৰ উদ্যোগৰ বিশেষ স্থান আছে তথাপিও স্বাধীনতাৰ পিছত এই উদ্যোগসমূহৰ যেনে ধৰণৰ উন্নয়ন হব লাগিছিল সিমান পৰিলক্ষিত হোৱা নাই। ক্ষুদ্ৰ উদ্যোগৰ উন্নয়নৰ গতি লেহেমীয়া হোৱাৰ অসংখ্য কাৰণ আছে। তাৰে ভিতৰত মূলধনৰ অভাৱ, সংগঠিত বজাৰ আৰু যাতায়তৰ অসুবিধা, পৰিবহনৰ অসুবিধা। বিৰল শ্ৰেণীৰ কেঁচামালৰ নাটনি আৰু যোগানত খেলিমেলি দক্ষ কৌশলী শিল্পী জাতীয় উদ্যোগীসকলৰ ৰক্ষণাবেক্ষণাৰ অভাৱ, দুৰ্বল অৰ্থনৈতিক আন্তঃগাঁঠনি ইত্যাদি। এশ এবুৰি অসুবিধাৰ মাজত ভাৰতীয় ক্ষুদ্ৰ আৰু কুটিৰ শিল্প মৃতপ্ৰায় অৱস্থাত জীয়াই আছে। এনেবোৰ বাধা আৰু মূলগত অসুবিধা আঁতৰ কৰিবলৈ আমি কেইবাটাও উপায় আগবঢ়াব পাৰোঁ। সেইবোৰ হ'ল ঃ—

(১) **অনুসন্ধানমূলক কাম-কাজ** ঃ—ক্ষুদ্ৰ আৰু কুটিৰ শিল্পৰ বাবে চাহিদা আৰু বজাৰভিত্তিক অনুসন্ধান চলাব লাগে।

(২) **প্ৰশিক্ষণ** ঃ—উদ্যোগীক প্ৰশিক্ষণ কেন্দ্ৰবোৰত আধুনিক ব্যৱস্থাৰে ক্ষুদ্ৰ আৰু কুটিৰ শিল্পৰ বিশেষ প্ৰশিক্ষণ ব্যৱস্থা থাকিব লাগে।

(৩) **কৌশলৰ উন্নতকৰণ** ঃ—বৰ্তমান সময়ত এই শিল্পৰ উৎপাদন কৌশলৰ আধুনিকীকৰণ হোৱাতো অতি প্ৰয়োজন।

(৪) **কেঁচামালৰ অপ্ৰত্যাগত যোগান** ঃ—ভাৰতীয় ক্ষুদ্ৰ আৰু কুটিৰ শিল্পৰ অৱনতিৰ কাৰণ হ'ল কেঁচামালৰ অভাৱ। বিভিন্ন ধাতু, বনজ সম্পদ, হাতীৰ দাঁত, সূতা ইত্যাদি চৰকাৰে নিয়ন্ত্ৰিত দৰত নিৰ্দিষ্ট জোখত উদ্যোগীসকলক যোগান ধৰিব পাৰে।

(৫) **সুলভ মূলধনৰ যোগান** ঃ—বহুতো কৌশলী উদ্যোগীৰ ইচ্ছা থাকিলেও মূলধনৰ অভাৱৰ বাবে উদ্যোগ স্থাপন কৰাৰ সামৰ্থ্য নাথাকে। গতিকে এজেন্সি, বৃত্তীয় প্ৰতিষ্ঠান, বেংক আদিয়ে এওঁলোকৰ নিম্ন সুদৰ হাৰত মূলধন যোগান ধৰিব লাগে।

(৬) **বজাৰৰ সংগঠন** ঃ—কুটিৰ আৰু ক্ষুদ্ৰ উদ্যোগৰ দ্বাৰা উৎপাদিত সামগ্ৰীসমূহৰ বেচা-কিনা কৰিবৰ বাবে সংগঠিত বজাৰ থাকিব লাগে।

(৭) **বিদ্যুৎ শক্তিৰ নিয়মীয়া যোগান** ঃ—ক্ষুদ্ৰ আৰু কুটিৰ শিল্পত বিদ্যুৎ শক্তি ব্যৱহাৰ কৰি উৎপাদন বৃদ্ধি কৰিব পৰা যায়। কিন্তু আমাৰ দেশত শক্তিখণ্ডই এতিয়াও মূৰ দাঙি উঠিব পৰা নাই। যাৰ ফলত উদ্যোগখণ্ড বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে।

(৮) **বৃহৎ উদ্যোগৰ সৈতে সম্পৰ্ক স্থাপন** ঃ—দেশৰ বৃহৎ উদ্যোগসমূহৰ সহকাৰী উদ্যোগ হিচাপে ক্ষুদ্ৰ আৰু কুটিৰ শিল্পক ব্যৱহাৰ কৰিব পৰা যায়। তাৰ বাবে চৰকাৰী প্ৰচেষ্টাৰে বৃহৎ উদ্যোগৰ সৈতে এই শিল্পৰ সমন্বয় স্থাপন কৰিব লাগে।

(৯) **সাময়িকভাৱে সংৰক্ষণ** ঃ—চৰকাৰে আইন প্ৰণয়নৰ দ্বাৰা ক্ষুদ্ৰ আৰু কুটিৰ শিল্পৰ বাবে আচুতীয়া সংৰক্ষণৰ ব্যৱস্থা কৰি এই শিল্পক নিয়ন্ত্ৰণ কৰিব পাৰে।

(১০) **সুকীয়া যন্ত্ৰপাতিৰ উদ্ভাৱন** ঃ—এই শিল্পৰ বাবে লাগতিয়াল যন্ত্ৰপাতিসমূহ সুকীয়াভাৱে উৎপাদন কৰাত গুৰুত্ব আৰোপ কৰিব লাগে।

**মানৰ উন্নয়ন** ঃ—এই শিল্পৰ উৎপাদিত সামগ্ৰীৰ আহি, গুণ, মান ইত্যাদি মৌলিক দিশসমূহৰ উন্নতি হোৱাতো প্ৰয়োজন। সময়ৰ সৈতে সমানে আগবাঢ়িব পাৰিলেহে এই শিল্প জীয়াই থাকিব পাৰিব।

শেষত ইয়াকে কব পৰা যায় ক্ষুদ্ৰ আৰু কুটিৰ শিল্পৰ উন্নয়ন চৰকাৰী, বেচৰকাৰী উভয় খণ্ডৰেই প্ৰচেষ্টাৰ ফল। তাৰবাবে প্ৰয়োজন কিছুমান লাগতিয়াল আন্তঃগাঁঠনি —

(১) সমবায়ৰ দ্বাৰা প্ৰচেষ্টা (২) জাতীয় সাহায্য (৩) স্বদেশী দৃষ্টিভংগী (৪) পৰিকল্পিত উন্নয়ন (৫) আধুনিকীকৰণ আৰু (৬) সংৰক্ষণৰ ব্যৱস্থা।

এইবোৰৰ দ্বাৰা মৃতপ্ৰায় এই উদ্যোগ খণ্ডটোক সুস্থ-সবলকৈ তুলিব পৰা যাব বুলি আশা কৰিব পাৰি।



# জল প্ৰদূষণ

মুকুতা ৰায়
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

পানীয়েই জীৱনৰ প্ৰাণ। পানী অবিহনে জীৱনেই অসম্ভৱ। সেইবাবে পানীক অমূল্য সম্পদ বুলি কোৱা হয়। ইতিহাসৰ গতি নিয়ন্ত্ৰণ কৰিছে পানীয়েই। বিশ্ব স্বাস্থ্য সংস্থাৰ মতে এজন পূৰ্ণবয়স্ক লোকক দৈনিক ১০০ লিটাৰ বিশুদ্ধ পানীৰ প্ৰয়োজন। সেইদৰে গছ-লতিকা, পশু-পক্ষী আদি সকলোকে পানীৰ প্ৰয়োজন।

কিন্তু বৰ্তমান মানৱ সমাজত বিশুদ্ধ খোৱাপানীৰ অভাৱে দেখা দিছে। পৃথিৱীৰ জনসংখ্যা বৃদ্ধিৰ লগে লগে পানী প্ৰদূষিত হৈ লাহে লাহে ব্যৱহাৰৰ অনুপযোগী হৈছে।

পানী দূষিত হোৱা উৎসসমূহৰ বিষয়ে তলত আলোচনা কৰা হ'ল—

(১) আধুনিক চাহিদাৰ খাতিৰত পৃথিৱীৰ প্ৰত্যেকখন চহৰ, নগৰ, গাওঁত নানা ধৰণৰ উদ্যোগ গঢ়ি উঠিছে। এই উদ্যোগবোৰৰ পৰা প্ৰতিদিনে নানা ধৰণৰ দুষিত পদাৰ্থ ওলায়। যেনে—চালফিউৰিক এচিড, ফেনল, ক্লৰিণ আৰু অলেখ ধৰণৰ পদাৰ্থ আহি নদীবোৰত পৰে। যাৰ ফলত পানী দূষিত হয়।

(২) দ্বিতীয় কাৰণটো হ'ল য'তে ত'তে মল-মূত্ৰ ত্যাগ কৰা, থু-খেকাৰ, জাবৰ-জোথৰ পেলোৱা হয়। প্ৰতি বছৰে পৃথিৱীৰ মানুহে প্ৰায় ১০,০০০,০০০,০০০ টন পেলনীয়া গোটা বস্তু দলিয়াই পেলায়। এই আবৰ্জনাবোৰ বানপানীত উটি গৈ নদী, বিল, খাল, পুখুৰী, নাদৰ পানী দূষিত কৰিছে।

(৩) তৃতীয়তে বৰ্দ্ধিত জনসংখ্যাৰ চাহিদা পূৰাবৰ বাবে মান্ধাতা কলীয়া দিনৰে পৰা পৰম্পৰাগতভাৱে কৰি অহা কৃষিকৰ্মৰ আধুনিকীকৰণ অপৰিহাৰ্য্য হৈ পৰিল। আধুনিক কৃষি পদ্ধতিত বিশ্বৰ প্ৰায় সকলো ঠাইতেই ৰাসায়নিক সাৰ আৰু কীটনাশক ঔষধ ব্যৱহাৰ কৰা হ'ল। ৰাসায়নিক সাৰৰ ভিতৰত ইউৰীয়া, চুপাৰ ফছফেট, ডাই এমোনিয়াম ফছফেট, মিউৰেট অব পটাছ আদিৰ নাম লব পাৰি। বৰষুণ নাইবা পানীৰ সোঁতত বা মানুহৰ ভুলৰ ফলত এনে পদাৰ্থবোৰ নৈ, বিল, পুখুৰী, জান-জুৰি আদিত থিত হয়গৈ। যাৰ ফলত পানী প্ৰদূষিত হয়।

(৪) চতুৰ্থতে, প্ৰত্যেক দিনে মহাসাগৰ আৰু নদীৰ বুকুত জাহাজ আৰু বৃহৎ তৈলবাহী টেঙ্কবোৰে উৎপাদিত খাকুৱা তেলৰ আধাখিনি মহাসাগৰৰ বুকুৰেদি কঢ়িয়াই নিয়ে। এই বৃহৎ পৰিমাণৰ তেলৰ এহেজাৰ ভাগৰ এভাগ মহাসাগৰত জাহাজৰ ফুটাইদি বা অন্য ধৰণে পৰি যায়। যাৰ ফলত পানী দূষিত হয়।

(৫) পঞ্চমতে, নগৰ অঞ্চলত খোৱাপানী টুপিও কৃত্ৰিম ব্যৱস্থাৰে অৰ্থাৎ নলীৰে কঢ়িয়াই ঘৰে ঘৰে যোগান ধৰিবলগীয়া হৈছে। এনে ধৰণৰ পানী নলীৰে কঢ়িয়াই নিওঁতে পানী দূষিত হয়। এইবিলাক পানীত সীহৰ পৰিমাণ বেছি থাকে।

পানী প্ৰদূষণৰ ফলত কেনেদৰে মানুহ, জীৱ-জন্তু, জলজ প্ৰাণী, গছ-বনৰ ক্ষতি সাধন কৰি আছে সেই বিষয়ে তলত আলোচনা কৰা হ'ল—

জলাশয়ত উদ্যোগৰ দূষিত পদাৰ্থবোৰ পৰাৰ ফলত মাছ আৰু অন্যান্য জলচৰ জীৱসমূহ ক্ৰমাগতভাৱে নাইকিয়া হব ধৰিছে।

দূষিত পদাৰ্থবোৰ নদী, খাল, বিল, পুখুৰী, নাদ আদিত পৰাৰ ফলত আমাৰ দেশত প্ৰায় আধা কোটিবো

অধিক লোক ডিচেন্ট্ৰি, পেলু, জণ্ডিচ, টাইফইড্, কলেৰা, পেটৰ অসুখীয়া ৰোগত ভুগিছে। এটা সমীক্ষা মতে অসমত প্ৰায় ছয় লাখ চাৰি হাজাৰ মানুহে এই ৰোগবোৰত ভুগিছে আৰু বছৰি প্ৰায় পাঁচশ লোকে এই ৰোগবোৰত প্ৰাণ হেৰুৱাইছে।

বিষাক্ত কীটনাশক দ্ৰব্যবোৰৰ অংশ বিশেষ আমাৰ খাদ্য খোৱাপানী আৰু উশাহ-নিশাহ লোৱা বতাহত সোমোৱাৰ ফলত আজিকালি মানুহৰ মাজত ভালেমান অচিন বেমাৰে দেখা দিছে যেনে—কৰ্কট ৰোগ, হাওঁফাওঁ আৰু হৃদযন্ত্ৰৰ কেবাটাও ৰোগ, ব্ৰঙ্কাইটিছ আৰু মগজুৰ ক্ষৰণো এইবোৰ ৰোগৰ ভিতৰত পৰে। ইয়াৰ উপৰিও জীৱ-জন্তুৰ বিষাক্ত কীটনাশক দ্ৰব্য মিহলি হোৱা পানী, ঘাঁহ, বন খাই মৃত্যুমুখত পৰে।

ভাৰতবৰ্ষৰ মানুহে কেইবা হাজাৰ বছৰ জুৰি গংগাক পবিত্ৰ নদী হিচাবে পূজা কৰি আহিছে। আমাৰ পূৰ্বপুৰুষসকলে গংগাৰ পানী অতি পবিত্ৰ আৰু শুদ্ধ বুলি ভাবিছিল আৰু পৰিয়ালৰ মানুহৰ মৰণকালত এটুপি গংগাজল মুখত দিবলৈ এই নদীৰ পানী সংগ্ৰহ কৰি সযতনে বন্ধ পাত্ৰত বহুত বছৰলৈকে সাঁচি থৈছিল। কিন্তু গংগাৰ পানী বৰ্তমান বিশুদ্ধ হৈ থকা নাই। কিছুমান ঠাইৰ গংগাজল ইমান বিষাক্ত যে কেইটোপমান মুখত দিলেই মানুহৰ মৃত্যু ঘটিব পাৰে।

জল প্ৰদূষণ কিদৰে নিয়ন্ত্ৰণ কৰিব পাৰি সেই বিষয়ে তলত আলোচনা কৰা হ'ল——

(১) নৈ, বিল, খাল, নলা আদি আবৰ্জনা মুক্ত ৰাখিব লাগিব।

(২) কল-কাৰখানাৰ পৰা যাতে দূষিত বস্তু বিশোধন নকৰাকৈ নৈ আদিত পৰিব নোৱাৰে তাৰ ব্যৱস্থা কৰিব লাগিব।

(৩) চহৰৰ আবৰ্জনা নৈত নেপেলাই আধুনিক পদ্ধতিৰে সাৰ আৰু আন কিছুমান বস্তুলৈ ৰূপান্তৰ কৰা।

(৪) মল-মূত্ৰ আদিৰ বাবে 'চেফটিক টেঙ্ক' ব্যৱহাৰ কৰা।

(৫) ৰাসায়নিক কীটনাশক দ্ৰব্য ব্যৱহাৰ নকৰি জৈৱ কীটনাশক দ্ৰব্য ব্যৱহাৰ কৰিব লাগিব।

(৬) বিশুদ্ধ খোৱাপানীৰ ব্যৱহাৰৰ ক্ষেত্ৰ সীমিত কৰিব লাগিব আৰু কল-কাৰখানা আদিত ব্যৱহাৰ কৰা পানীক সেই কল-কাৰখানাতেই আকৌ ব্যৱহাৰ কৰাৰ ব্যৱস্থা কৰিব লাগিব।

সকলো জীৱতকৈ মানুহেই শ্ৰেষ্ঠ। আজি কুৰি শতিকাৰ বৈজ্ঞানিক যুগৰ বিজ্ঞানীসকলৰ অহৰহ চেষ্টাৰ ফলত আকাশৰ বিদ্যুৎ মাটিলৈ নমাই আনিব পাৰিছে। মানবে সুদূৰ চন্দ্ৰত সশৰীৰে পদাৰ্পণ কৰিব পাৰিছে। মঙ্গলগ্ৰহলৈ কৃত্ৰিম উপগ্ৰহ পঠিয়াবলৈ সক্ষম হৈছে। আনকি পৰীক্ষা নলীত মানৱ শিশুৰ জন্মও দিছে। এই ক্ষেত্ৰত পাৰিপাৰ্শ্বিকতা দূষিতকৰণৰ দিশত নিয়োজিত বিজ্ঞানীসকলে কৰা চেষ্টাৰ ফলত অৱশ্যে উন্নত দেশবোৰত প্ৰদূষণ ৰোধ কৰিবলৈ যথেষ্ট সক্ষম হৈছে। এই দিশত জল প্ৰদূষণ ৰোধ কৰাৰ ক্ষেত্ৰত এতিয়ালৈ যিখিনি হোৱা নাই অদূৰ ভৱিষ্যতে সেইখিনি হ'ব বুলি আশা কৰিব পাৰি।

(প্ৰবন্ধটো সহায় লৈ লিখা হৈছে।)





# বৰ্ত্তমান মানৱ সমাজ আৰু যুৱ সম্প্ৰদায়ৰ প্ৰতি বিবেকানন্দৰ আদৰ্শ

সোণমা চক্ৰৱৰ্তী
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা)

"হে ভাৰত ভুলিও না—তোমাৰ নাৰীজাতিৰ আদৰ্শ সীতা, সাবিত্ৰী, দময়ন্তী। ভুলিও না—তোমাৰ উপাস্য উমানাথ সৰ্বত্যাগী শংকৰ-----

হে বীৰ, সাহস অবলম্বন কৰ, সদৰ্পে বল---আমি ভাৰতবাসী, ভাৰতবাসী আমাৰ ভাই, আমাৰ ৰক্ত----

বল ভাই—ভাৰতেৰ মৃত্তিকা আমাৰ স্বৰ্গ, ভাৰতেৰ কল্যাণ আমাৰ কল্যাণ----মা আমাৰ দুৰ্বলতা, কাপুৰুষতা দূৰ কৰ-----"

পূৰ্ব গৌৰৱ বিস্মৃত ভাৰতীয় জাতিৰ পুনৰ জাগৰণ কাৰণে আহ্বান কৰিছিল ভাৰতৰ বীৰ সন্তান বিশ্ববৰেণ্য স্বামী বিবেকানন্দ, আজিৰ পৰা এশ বছৰ পূৰ্বে।

বিবেকানন্দ নামটো উচ্চাৰিত হোৱাৰ লগে লগে আমাৰ চকুৰ সমুখত ভাঁহি উঠে এক বলিষ্ঠ যুৱ সন্ন্যাসীৰ ছবি। মূৰত তেওঁৰ পবিত্ৰ হোমাগ্নি সদৃশ গৈৰিক পাগুড়ি, পিন্ধনত গৈৰিক বস্ত্ৰ, ত্যাগৰ প্ৰতীক। জ্ঞানদীপ্ত চকুত তেওঁৰ সন্ধানী দৃষ্টি। সাধন সিদ্ধ উজ্বল ললাট। সুন্দৰ তেজদীপ্ত মুখাবয়ব। দৃঢ় মুষ্ঠিত ধৰি আছে প্ৰাচীনতাৰ প্ৰতীক দীৰ্ঘ যষ্ঠি বলিষ্ঠ আত্মপ্ৰত্যয়ৰ লগত সাহসী পদক্ষেপ। সংগ্ৰামী অথচ সুন্দৰ। জ্ঞানৰ ঘন মূৰ্ত্তি। অনন্য ব্যক্তিত্বৰ অন্য এক নাম বিবেকানন্দ।

বিবেকানন্দৰ পূৰ্বৰ নাম আছিল নৰেন্দ্ৰ নাথ দত্ত। তেওঁ ১৮৬৩ চনৰ ১২ জানুৱাৰী কলিকতাৰ সিমুলিয়া অঞ্চলত জন্মগ্ৰহণ কৰে। তেওঁৰ দেউতাক আছিল বিশ্বনাথ দত্ত। তেওঁ পেশাত উকীল আছিল। তেওঁৰ মাতৃ আছিল ভুৱনেশ্বৰী দেৱী। তেওঁ সৰুৰেপৰা নিৰ্ভীক, দানী আছিল। ১৬ বছৰ বয়সত ১৮৬৯ চনত কলিকতাৰ মেট্ৰপলিটান স্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত ১ম বিভাগত উত্তীৰ্ণ হয়। স্কটিছ চাৰ্চ কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। সেই সময়ত শ্ৰীৰামকৃষ্ণ পৰমহংস দেৱৰ লগত তেওঁৰ সাক্ষাৎ হয়। ক্ৰমে তেওঁ ৰামকৃষ্ণৰ প্ৰিয়পাত্ৰ ৰূপে পৰিগণিত হয়। দেহত্যাগৰ আগতে পৰমহংসদেৱে নৰেন্দ্ৰক তেওঁৰ সমস্ত ঐশ্বৰিক শক্তি দান কৰি গৈছিল। তাৰ পিছত নৰেন্দ্ৰ সন্যাস ধৰ্ম গ্ৰহণ কৰে আৰু তেতিয়াৰ পৰা তেওঁ বিবেকানন্দ নামে জনাজাত হয়। ১৮৮৮ চনত ২৫ বছৰ বয়সত তেওঁ ভাৰত ভ্ৰমণ কৰিব ওলাইছিল। ১৮৯৩ চনত চিকাগোত অনুষ্ঠিত বিশ্ব ধৰ্ম সন্মিলনত তেওঁ ভাৰতৰ হিন্দু ধৰ্মৰ প্ৰতিনিধি হৈ যোগদান কৰে। তেওঁৰ বাগ্মীতাত সমগ্ৰ দৰ্শকমণ্ডলী বিস্ময়বিমুগ্ধ হৈ পৰে। এইদৰে আমেৰিকা, ইউৰোপ আদি ভ্ৰমণ কৰি ১৮৯৬ চনত তেওঁ ভাৰতলৈ ঘূৰি আহে। ভাৰতলৈ আহি তেওঁ সেৱাকাৰ্য্যত মনোনিবেশ কৰে। ১৮৯৭ চনত তেওঁ ৰামকৃষ্ণ মিছন প্ৰতিষ্ঠা কৰে। ১৮৯৮ চনত তেওঁ বেলুড় মঠ স্থাপন কৰিছিল।

এইদৰে সমগ্ৰ ভাৰতবাসীৰ উন্নতিৰ হকে খাটি ১৯০২ চনৰ ৪ জুলাইত তেওঁ বৈকুণ্ঠ প্ৰয়াণ কৰে।

নানা ভাষা, নানা জাতিৰে পৰিপূৰ্ণ দেশ এই ভাৰতবৰ্ষ। আধ্যাত্মিক আদৰ্শতকৈ উচ্চ আদৰ্শ আৰু নাই এয়াই ভাৰতৰ পৰিচয়। বেদ-উপনিষদৰ জন্মভূমি ভাৰত আজি বিচ্ছিন্নতাবাদৰ চিকাৰ হ'ব লগা হৈছে। বিবেকানন্দই বুজিছিল এয়া প্ৰতিৰোধ কৰা সম্ভৱ একমাত্ৰ যুৱ সম্প্ৰদায়ৰ দ্বাৰা। ভাৰতৰ গৌৰৱ পুনৰ প্ৰতিষ্ঠাৰ হকে তেওঁ যুৱকসকলক দেহ-মন সমৰ্পণ কৰিবলৈ আহ্বান জনালে।

পুনৰ জাগৰণৰ অৰ্থে তেওঁ ভাৰতীয় যুৱ সম্প্ৰদায়ক আহ্বান কৰিছিল—"সাহস অৱলম্বন কৰ—সদৰ্পে বল—আমি ভাৰতবাসী, ভাৰতবাসী আমাৰ ভাই। বল—মূৰ্খ ভাৰতবাসী, দৰিদ্ৰ ভাৰতবাসী, ব্ৰাহ্মণ ভাৰতবাসী---আমাৰ ভাই। তুমিও কটিমাত্ৰ বস্ত্ৰাবৃত হইয়া সদৰ্পে ডাকিয়া বল—ভাৰতবাসী আমাৰ প্ৰাণ---"

তেওঁ বুজিছিল দুৰ্বল ভাৰতবাসীৰ বাবে জপ, তপ ইত্যাদি মিছা। শাৰীৰিক আৰু মানসিকভাৱে শক্তিশালী নহ'লে সাধনাত সিদ্ধিলাভ হ'ব নোৱাৰে। তেওঁ মানৱ-সেৱাৰ জৰিয়তে ভগৱৎসেৱা কৰিবলৈ চেষ্টা কৰিছিল—

"বহুৰূপে সন্মুখে তোমাৰ
ছাড়ি কোথা খুজিছ ঈশ্বৰ
জীৱে প্ৰেম কৰে যেইজন
সেইজন সেৱিছে ঈশ্বৰ"

স্বামী বিবেকানন্দৰ মতে দেশৰ জনসাধাৰণক অৱহেলা কৰাটোৱেই আমাৰ প্ৰৱল জাতীয় পাপ আৰু সেইটোৱেই আমাৰ অৱনতিৰ অন্যতম কাৰণ। যেতিয়ালৈকে ভাৰতৰ জনগণ উত্তমৰূপে শিক্ষিত নহয়, উত্তমৰূপে খাবলৈ নাপায়, অভিজাত ব্যক্তিসকলে যেতিয়ালৈকে তেওঁলোকৰ উত্তমৰূপে যত্ন নলয়, তেতিয়ালৈকে যিমানেই ৰাজনৈতিক আন্দোলন কৰা নহওক কিয়, একোৱেই নহ'ব। তেওঁ কৈছিল—"উদীয়মান যুৱক সম্প্ৰদায়ৰ ওপৰতেই মোৰ বিশ্বাস। তেওঁলোকৰ ভিতৰৰ পৰাই মই কৰ্মী পাম। দেশৰ সৰ্বসাধাৰণক তেঁওলোকৰ অধিকাৰ প্ৰদান কৰিলেই বৰ্তমান ভাৰতৰ সমস্যাবিলাকৰ সমাধান হ'ব। সৰ্বাপেক্ষা গুৰুতৰ প্ৰয়োজন—নিজৰ ওপৰত বিশ্বাসী হোৱাটো আনকি ভগৱানক বিশ্বাস কৰাৰ আগতেও সকলোৱে আত্মবিশ্বাসী হ'ব লাগিব। কিন্তু দুখৰ বিষয় আমি দিনে দিনে এই আত্মবিশ্বাস হেৰুৱাই আছোঁ।"

তেওঁ আৰু কৈছিল—"আমাৰ এতিয়া প্ৰয়োজন শক্তি সঞ্চাৰ কৰা। আমি দুৰ্বল হৈ পৰিছো। তোমালোকে স্নায়ু সতেজ কৰা। আমাক এতিয়া লাগে লৌহৰ দৰে পেশী আৰু বজ্ৰদৃঢ় স্নায়ু। আমি বহুদিন ধৰি কান্দিলো। এতিয়া আৰু কন্দাৰ প্ৰয়োজন নাই। এতিয়া নিজৰ ভৰিত ভৰ দি থিয় হৈ মানুহ হোৱা। আমাক এতিয়া এনেকুৱা ধৰ্ম লাগে যিয়ে আমাক মানুহ কৰিব পাৰে। আমাক এতিয়া এনেকুৱা মতবাদৰ আৱশ্যক যিবিলাকে আমাক মানুহ হিচাপে গঢ় দিব পাৰে। তেনেকুৱা সৰ্বাঙ্গসুন্দৰ শিক্ষাৰ প্ৰয়োজন যিয়ে মানুহ গঠন কৰিব পাৰে। কোনো বিষয় সত্য নে অসত্য তাক জানিবলৈ হ'লে চাব লাগিব যে সেই বিষয়টোৱে তোমাক শাৰীৰিক, মানসিক বা আধ্যাত্মিকভাৱে দুৰ্বল কৰে নে নাই। যদি কৰে, তেন্তে সেইটো তৎকালেই পৰিহাৰ কৰা, তাত কোনো প্ৰাণ নাই, সেইটো বিষয় কেতিয়াও সত্য হ'ব নোৱাৰে। সত্য নিশ্চিতভাৱে বলপ্ৰদ, হৃদয়ৰ এন্ধাৰ দূৰ কৰি হৃদয়ত বল সঞ্চাৰ কৰা। গতিকে তোমালোকে সত্যসমূহ অৱলোকন কৰা, সেইবিলাক উপলব্ধি কৰি কাৰ্য্যত পৰিণত কৰা।"

আমাৰ যুৱ সম্প্ৰদায়ে এই মহান সন্যাসীজনৰ শিক্ষা আৰু আদৰ্শ গ্ৰহণ কৰিব লাগিব। তেওঁৰ আদৰ্শ আৰু শিক্ষাই যুৱশক্তিক এখন নৱজাগ্ৰত গৌৰৱময় ভাৰত গঠনত সহায় কৰিব।

শেষত তেওঁৰ বাণীৰেই লিখনি সামৰিছোঁ।

"উত্তিষ্ঠত জাগ্ৰত প্ৰাপ্য বৰাণ নিবোধত" □


সহায়ক গ্ৰন্থ :— ১) বিবেকানন্দ সমগ্ৰ
২) স্বামীজীৰ উপদেশ
৩) শিক্ষা প্ৰসঙ্গ—স্বামী বিবেকানন্দ




গল্প*

# "সন্ধিয়াৰ সমীৰণ"


শ্ৰীযুথিকা সমাজদাৰ
পি, জি, প্ৰথম বৰ্ষ (প্ৰাক্তন)


খোলা খিৰিকীৰে ভয়বিহ্বলা হৰিণীৰ দৰে সোমাই আহিল ৰাঙ্গনি বেলিৰ ৰেঙনিটো উত্তাপবিহীন অথচ ৰঙীন! ৰুমিৰ গোটেই মুখমণ্ডলত ৰাঙলি আভা বিয়পি পৰিছে। বয়স তাইৰ উনৈশ বছৰ। ৰংটো খুব উজ্জ্বল নহলেও ৰুমি আছিল সুন্দৰী। ওথ-পাথ মিষ্টভাষী। ৰুমিয়ে যি সাজেই নিপিন্ধক কিয় সকলো সাজেই তাইক তুলি ধৰিছিল। ৰুমিৰ ওঁঠত এটা মিচিকি হাঁহি সদায়েই লাগি বৈছিল। সেই হাঁহিয়ে তাইক অধিক সৌন্দৰ্য্য-শালী কৰি তুলিছিল। তাইৰ কথা-বতৰাতো এটা আৰ্ট আছিল। যিকোনো কথাই তাই ইমান সুন্দৰকৈ ক'ব জানিছিল যে তাইৰ কথা শুনিলে সকলোৱে মুগ্ধ হৈছিল।

ৰুমিৰ দেউতাক পৰমানন্দ কলিতা এখন কলেজৰ প্ৰফেছাৰ। মানুহজন ভদ্ৰ, নিষ্ঠাৰে নিজৰ কৰ্তব্য পালন কৰা এজন আদৰ্শ শিক্ষক। কোনো দিনেই কৰ্তব্য অৱহেলা কৰা কোনেও দেখা নাছিল। শ্ৰেণীত মনপুতি ছাত্ৰক বুজাইছিল। কেতিয়াও কোনো কথাতে অসন্তুষ্টি প্ৰকাশ কৰা কোনেও দেখা নাছিল।

কলেজত থকা সময়খিনিৰ বাহিৰে পৰমানন্দই নিজৰ ঘৰখনক লৈয়ে ব্যস্ত আছিল। ঘৰখন মানে তেওঁৰ এক-মাত্ৰ ছোৱালী ৰুমিক লৈয়ে পৰমানন্দৰ ঘৰ। তেওঁৰ পৰিবাৰ, ৰুমিৰ মাক তাইৰ জন্মৰ সময়তে ঢুকাইছিল। সেইদিন ধৰি পৰমানন্দ অকলশৰীয়া। পৰমানন্দই তাৰ কণমাণি শিশুটিক বুকুত বান্ধি অকলশৰীয়া জীৱন যাপন কৰিছে। বহুতেই পৰমানন্দক শিশুটিৰ এজনী মাকৰ প্ৰয়োজনৰ বাবেই দ্বিতীয় বিবাহৰ প্ৰস্তাৱ দিছিল। কিন্তু পৰমানন্দই কাৰো কথা শুনা নাছিল। নতুনকৈ মাহীমাক এজনী গোটাই লৈ ৰুমিৰ অনাদৰ হওক এই চিন্তাতে পৰমানন্দই দহজনে দিয়া উপদেশকো মানি লোৱা নাছিল। আৰু তেনেদৰেই বুকুত বান্ধি নিজৰ আদৰেৰে বুৰাই ৰাখি পৰমানন্দই সেই কণমানি শিশুটিৰ পৰা তাইক ডাঙৰ কৰিছে। পৰমানন্দ যিদৰে আছিল দহজনৰ আদৰ্শৰ প্ৰতীক, নিজৰ জীয়েককো ঠিক তেনে-দৰেই নিজৰ আদৰ্শৰ ছত্ৰছায়াতে গঢ়ি তুলিছিল।

মহেন্দ্ৰ দাস কোনোবা এখন অফিচৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী, চকিদাৰ। ঘৈণীয়েক মালতীৰে সৈতে মহেন্দ্ৰ পৰমানন্দৰ ঘৰতে এটি সৰু জুপুৰী সাজি তাতেই থাকে। অফিচত থকা সময়খিনিৰ বাহিৰে সি পৰমানন্দৰ নিজৰ ভায়েকৰ দৰেই সকলো কাম-বন কৰিছিল। আনকি মাজে সময়ে খোৱা-লোৱাও কৰিছিল পৰমানন্দৰ লগত একেলগে। মহেন্দ্ৰ আৰু মালতীৰ এটা ল'ৰা আছিল। ৰুমিৰ জন্মৰ সময়ত তাৰ বয়স আছিল দুবছৰ। ল'ৰা-জনৰ নাম ৰাখিছিল ৰামু। গতিকে ৰুমি ডাঙৰ হৈ অহাৰ লগে লগে খেলৰ লগৰীয়া হিচাবে পাইছিল ৰামুক। দুয়ো উমলি-জামলি দিনৰ দিনটো একেলগে থাকিলেও ৰাতি হলে দুয়ো নিজৰ নিজৰ ঘৰলৈকে গৈ বিছনাত উঠিছিল। কিন্তু কেৱল টোপনিত থকা সময়খিনিহে। বিছনা এৰাৰ পিছতেই দুয়োৰে লগ একৰা একেবাৰে টান হৈ পৰিছিল। এনেদৰেই ৰুমি আৰু ৰামু এদিন স্কুললৈ গ'ল আৰু এদিন ডাঙৰ হ'ল।

ডাঙৰ হৈ অহাৰ লগে লগে শান্তশিষ্ট ৰুমিয়ে উদণ্ড ৰামুৰ পৰা ক্ৰমান্বয়ে আঁতৰি আহিবলৈ ধৰিলে। তদুপৰি মহেন্দ্ৰ আৰু মালতীৰ ইটোৰ পিছত সিটোকৈ চাৰিটা সন্তানে যেতিয়া সিহঁতৰ ঘৰখন ভৰাই পেলালে তেতিয়া সিহঁতে আগৰদৰে ৰুমিহঁতৰ ঘৰখনক একেলগে আঁকোৱালি ৰাখিব নোৱাৰা হ'ল। সকলো কথা বুজি পোৱা পৰমানন্দই এদিন মহেন্দ্ৰক মাতি আনি ক'লে—"তোৰ

ভৰপুৰ সংসাৰ এখন হৈছে যেতিয়া তই তোৰ সংসাৰ চম্ভলাত মন দে। ইমান দিনে যি পাৰ সহায় কৰিছিলি। এতিয়া ৰুমি ডাঙৰ হ'ল যেতিয়া আমি দুটা কোনোমতে চলি যাব পাৰিম। আৰু হঙ্কিলে মঙ্কিলে সহায় কৰিবলৈ তইঁতটো আছই।"

লাহে লাহে ৰুমিয়ে মেট্ৰিকৰ দেওনা পাৰ হৈ কলেজত ভৰ্ত্তি হৈছে। তাই দেউতাকক লৈ সিহঁতৰ দুজনীয়া সংসাৰখন সুন্দৰভাৱে চলাবলৈ যিখিনি অভিজ্ঞতাৰ আৱশ্যক তাই অৰ্জন কৰি লৈছে। তদুপৰি দেউতাক পৰমানন্দ বহি থকা মানুহ নহয়। সিয়ো হাতে কামে ইটো সিটো কৰি দি ৰুমিক ৰন্ধা-বঢ়াকে আদি কৰি আন কামতো সহায় কৰে। গতিকে মালতীহঁতৰ অভাৱ তেওঁলোকে বৰকৈ অনুভৱ নকৰে।

ইফালে মহেন্দ্ৰৰ ডাঙৰ পুতেক ৰামু আছিল পঢ়াত একেবাৰে গাধা। যেতিয়া তেওঁ মেট্ৰিকতে কেইবা বছৰো বাগৰি থাকিল তেতিয়া তেওঁ পঢ়া-শুনা এদেও দুদেও কৰি এৰি পেলালে। প্ৰথমতে সি এইবাৰ মনপুতি পঢ়িম বুলি শ্ৰেণীলৈ যায় কিন্তু দিন বাগৰাৰ লগে লগে সি স্কুল যোৱাটো কমি আহে। আৰু পৰীক্ষা কাষ চাপি অহাৰ লগে লগে নানান ফাকিফুকা কথা কৈ সি পৰীক্ষা দিবলৈকে এৰে। তাৰ এই অধঃপাতে যোৱা মতি-গতি দেখি বাপেক মহেন্দ্ৰই বুজায়। নপঢ়িলে যে সি একোৰে লায়কৰ নহব সেই কথাও কয়। কথা নশুনিলে কেতিয়াবা মাৰকিলো কৰে। কিন্তু ৰামুক মহেন্দ্ৰৰ দাবী ধমকিয়ে টলাব নোৱাৰে। মহেন্দ্ৰৰ তাগিদাত পৰি কেতিয়াবা পৰমানন্দও ৰামুক মাতি আনি বুজনি দিয়ে কিন্তু সকলো মিছা।

পৰমানন্দই কেতিয়াবা ৰামুক বকিলে বা কিবাকিবি কলে ৰুমিয়ে দেউতাকক বেয়া পায়। "আপোনাৰ নো কি দৰকাৰ, খুজি কিল খাবলৈ। আজিকালিৰ যিহে গুৰু গোঁসাই নমনা ল'ৰা। আপুনি ভাল হওঁক বুলিয়ে হয়তো ক'ব কিন্তু সি যদি আপোনাৰ মুখৰ ওপৰতে কিবা এটা কৈ দিয়ে? তেতিয়া জানো আপুনি মনত দুখ নাপাব!"

ৰুমিৰ কথা মিছা নহয়। পৰমানন্দইও সেই কথা কেতিয়াবা ভাবে। তেওঁ নিজেই কলেজৰ শিক্ষক। গতিকে আজিকালিৰ ছাত্ৰৰ গঢ়গতি তেওঁ নজনা নহয়। সেয়ে লাহে লাহে মহেন্দ্ৰই কলেও তেওঁ ৰামুক কোনো কথাত হকা-বধা কৰিবলৈ এৰিলে। এনেদৰেই এটা দুটাকৈ উনৈশটা বছৰ বাগৰিল। পৰমানন্দ আৰু ৰুমিৰ বাপেক জীয়েকৰ দুজনীয়া সংসাৰখনো কোনো বৈশিষ্ট্য নথকাকৈ গতানুগতিকভাৱেই আগবাঢ়িল।

ইতিমধ্যে ৰুমিয়ে বি, এ, মহলা পালেগৈ। পঢ়া-শুনাত তাই ভাল। তাতে বাপেক জীয়েকৰ বাহিৰৰ পৃথিৱীখনৰ লগত বিশেষ এটা সম্বন্ধ নথকাৰ বাবে ৰুমিৰ পঢ়াৰ বাহিৰে আন কথাত মন-কাণ দি সময় নষ্ট কৰাৰ প্ৰশ্নই নুঠে। সেয়েহে পৰীক্ষাত তাই খুব ভাল ৰিজাল্ট কৰিব বুলিয়েই সকলোৰে আশা। বাপেক পৰমানন্দইও নিজৰ জীয়েকৰ সকলোফালেই ভাল গুণবোৰ দেখি সন্তোষ পাইছিল। আগলৈও নাই পিছলৈও নাই। একমাত্ৰ জীয়েকক লৈয়ে যেতিয়া তেওঁৰ সংসাৰখন গতিকে জীয়েকৰ ভাল হোৱা দেখিলে তেওঁ সন্তোষ পোৱাটো স্বাভাৱিক।

মাক হেৰুৱা ছোৱালী। চৰাইৰ ডেউকাৰ মাজত সুমুৱাই ৰখাৰ দৰেই তেৰোঁ জীয়েকক খুঁত অকণ পৰিব নিদিয়াকৈ ডাঙৰ দীঘল কৰিছে----কিমান আদৰেৰে, কিমান আশাৰে। তেওঁ নিজেই ধীৰ স্থিৰ। জঞ্জালৰ পৰা আঁতৰি ফুৰা মানুহ। কাকো কেতিয়াও অন্যায় কৰি পোৱা নাই। কোনোবাই কেতিয়াবা তেওঁক অন্যায় কৰিলেও সেয়া তেওঁ নধৰে। আৰু তেওঁৰ এই আদৰ্শকে ভেটি কৰি নিজৰ জীয়েককো গঢ় দিছে।

আৰু এমাহৰ পিছত ৰুমিৰ বি, এ, পৰীক্ষা। পৰীক্ষাত ভাল কৰিব বুলি যিহেতু তাইৰ ওপৰত বহুতো আশা কৰিছে সেয়ে তাই পঢ়া-শুনা মনপুতি কৰিছে। তাই দিনে নিশাই পঢ়ে। এই ক্ষেত্ৰত বাপেকেও তাইক যিমান পাৰে সহায় কৰিছে। আনকি ঘৰুৱা কাম-কাজত এই কেইদিনৰ পৰা তাইক ৰেহাই দিছে। এতিয়া ৰুমিৰ পঢ়াৰ বাহিৰে আন একো কথাই তাইৰ মগজুত নোসোমায়। সকলো ল'ৰা-ছোৱালীৰ পৰীক্ষাৰ আগে-আগে যি হয় তাইৰো যেন ঠিক তেনেকুৱা হবলৈ আৰম্ভ কৰিছে। তাই মাজে মাজে নাৰ্ভাছ হৈ যায়। একো কথাই যেন মগজুত সোমাব নোখোজে। কেতিয়াবা তাই এনেকুৱা পৰিস্থিতিত পৰি কান্দিবলৈ আৰম্ভ কৰে। বাপেকে তেতিয়া বুজনি দিয়ে—"পৰীক্ষা বুলিলে ভয় কৰিবলগীয়া একো নাই। পঢ়া-শুনা নকৰা ল'ৰা-ছোৱালীৰ কাৰণেহে ভয়ৰ কথা। তোৰতো সকলো পঢ়া সম্পূৰ্ণ হৈয়ে গৈছে আৰু ভয় কৰিব লগা কি আছে।" কিন্তু বাপেকে যিমানে নকওক ৰুমিৰ মনৰ পৰা ভয় ভাৱটো নাতৰে। জীয়েকক সাহস দিবলৈ বিশেষকৈ ৰাতি ৰুমিৰ পঢ়া টেবুলৰ কাষতে এখন আৰামী চকীত বাপেক পৰমানন্দ বহি থাকে। টোপনি ধৰে বুলি মাজে মাজে তাইক চাহৰ যোগান দি থাকে। ৰুমিও বাপেক কাষত বহি থাকিলে বেলেগ সাহস পায়। এনেদৰেই আগবাঢ়িছিল দিনবোৰ।

সেইদিনাও ৰুমিয়ে আনদিনাৰ দৰেই সন্ধিয়া লগাৰ লগে লগেই গোঁসানীৰ গুৰিত ধূপ-ধুনা দি পঢ়া টেবুলত বহিছিলহি। বাপেক পৰমানন্দ গৈছিল বজাৰ কৰিবলৈ। বাপেক অবিহনে তাই ঘৰত এতিয়া অকলশৰীয়া। আনদিনা সিঘৰৰ বুঢ়ীজনীয়ে আহি বাপেক ঘূৰি নহালৈকে লগৰীয়া হৈ থাকে। কিন্তু কি কাৰণত সেইদিনা বুঢ়ীজনী নাহিল। ৰুমিয়ে ইংৰাজী পুথিখন পঢ়িবলৈ লৈছে মাত্ৰ। ঠিক সেই মুহূৰ্ত্ততে বাজি উঠিল কলিং বেলটো। কলিং বেলৰ শব্দ শুনি ৰুমিয়ে ভাবিলে এইমাত্ৰ বাপেক বজাৰলৈ বুলি ওলাই গৈছে কিবা কাৰণত আকৌ উভতি আহিল চাগৈ। তাই পঢ়া টেবুলৰ পৰা উঠো নুঠোকৈ উঠি গৈ দুৱাৰখন খুলি দিলে। কিন্তু দুৱাৰখন খুলি দিয়েই তাই উছপ খাই উঠিল। "কোন! কি লাগে?" ভয়ত তাইৰ মাতটো কঁপি গ'ল।

মুখত এমুখ ভৰকাৰ ডাঢ়িৰে ভয়াবহ চেহেৰাৰ মানুহটো দেখি ৰুমিয়ে প্ৰথমে ভাবিলে ডকাইত বুলি। ইতিমধ্যে মানুহটো ঘৰৰ ভিতৰত প্ৰবেশ কৰিলে। তাই তাতেই থৰ লাগি মানুহটোৰ ফালে চাই ৰ'ল। তাই যে সহায় বিচাৰি চিঞৰিব লাগে সেই কথাও পাহৰি গ'ল।

মানুহটোৱে এইবাৰ গহীন খোজত ইটো কোঠালিৰ পৰা সিটো কোঠালিত এভুমুকি মাৰি কিবা বুজ ললে। তাৰ পিছত ৰুমি থৰ লাগি থিয় হৈ থকা ঠাইখিনিলৈ উভতি আহি ৰুমিৰ সন্মুখত থিয় হ'ল।

এইবাৰ মানুহটোৰ দৃষ্টি ৰুমিৰ দেহত বগাই ফুৰিলে। তাৰ পিছত নিজে নিজে মন্তব্য কৰি ক'লে—"সুন্দৰ, অতি সুন্দৰ।" তাৰ পাছত মানুহটো ক্ষন্তেক ৰ'ল আৰু ৰুমিলৈ চাই ক'লে—"তই নিশ্চয় মোক চিনি পোৱা নাই। ডকাইত বুলি ভাবিছ নহয়? মই ৰামু।"

কঁপা কঁপা মাতেৰে ৰুমিয়ে ক'লে, "ৰামু? কোন ৰামু?"

"হেৰৌ! ৰামুক তই পাহৰি পেলালি নে? সৰুৰে পৰা উমলি-জামলি ডাঙৰ হলো একেলগে।"

"অ' ৰামুদা! তোৰ যিটোহে ভয়াবহ চেহেৰা। তাতে এই কাল সন্ধিয়াখন তোক কেনেকৈ চিনিম।"

"তই মোক চাগৈ ডকাইত বুলি ভাবিছ?"

"মই বৰ ভয় খাইছিলোঁ। যিহে দিনকাল পৰিছে। কোন মুহূৰ্ত্তত কি হয় কোনে জানে। পিছে তই এতিয়া কি কৰিছ?"

"কি কৰিছোঁ, কি নকৰিছোঁ সেইবোৰ শুনি একো লাভ নাই। এদিন আন্ধাৰ পথলৈ ওলাই গৈছিলোঁ আৰু তাৰ পাছত চিৰকালৰ বাবে আন্ধাৰতে ৰৈ গ'লোঁ। এতিয়া আগে আগে মই আৰু পিছে পিছে মোৰ মৃত্যু।"

"মৃত্যু?"

"অ'! মোৰ পিছে পিছে পুলিচৰ শেন চকু।"

"কিন্তু কিয়! তই কি এনে কাম কৰিছ যাৰ বাবে তই এনেদৰে পলাই ফুৰিছ?"

"সেইবোৰ বহুত কথা, বহু দীঘলীয়া কাহিনী। এইটো দেখিছা? ইয়াৰ নাম এল, এম, জি, 'লাইট মেচিন গান'! এতিয়া ইয়েই মোৰ সঙ্গী। কিন্তু সেইবোৰ কথা বাদ। মই যি কাৰণে এতিয়া তোৰ ওচৰলৈ আহিছো সেই কথাটো তই শুনি ল'। মই পাতনি নেমেলোঁ। সময় কম। শুন ৰুমি! তোক মই সৰুৰে পৰাই ভাল পাই আহিছোঁ। এতিয়াও। মোৰ মৃত্যু যিকোনো মুহূৰ্ত্ততে হব পাৰে। অধিক অপেক্ষা কৰিবলৈ মোৰ ধৈৰ্য্য নাই। তই মোৰ লগত যাব লাগিব।"

"ক'লৈ? তোৰ লগত? তোৰ লগত আকৌ মই কিয় যাম?"

"কাৰণ তোক মই ভাল পাওঁ।"

"চা ৰামু! অবাস্তৱ কথা কৈ লাভ নাই। সন্মুখত মোৰ পৰীক্ষা। যাব লাগিব বুলিলেই তোৰ লগত মই যামগৈ বুলি ভাবিছনে? বন্দুক দেখুৱাই, ভয় দেখুৱাই তই মোক লৈ যাব পাৰিম বুলি ভাবিছ? শুন ৰামু। তোৰ জোখৰ ছোৱালী তই ঢেৰ পাবি। মোলে হাত মেলা তোৰ বাবে অৰ্থহীন।"

"ৰুমি ! কথাবোৰ ইমান সহজ নহয় । মানুহৰ মনত ভালপোৱাৰ পাত্ৰী এজনীয়েই হয় । তোক মই মোৰ মনত স্থান দি ৰাখিছোঁ । আচলতে তই এতিয়াৰ ৰামক নাজান। সময়ত এই ৰামু কিমান নৃশংস, কিমান ভয়াবহ হব পাৰে । সি পাবলৈ বিচৰা বস্তুটো জোৰকৈ কাঢ়ি হলেও দখল কৰে । তই যদি তোৰ নিজৰ ভাল বিচাৰিছ, তই যদি তোৰ দেউতাৰ জীয়াই থকাটো বিচাৰিছ মোৰ লগত এতিয়াই ওলা ।"

"ওঁহোঁ, অসম্ভৱ ৰামু ! তোৰ লগত মই যাব নোৱাৰিম । মই তোৰ লগত যোৱাতকৈ মৃত্যু শতগুণে ভাল। মাৰা, মোক এতিয়াই গুলি কৰি মাৰি পেলা ।"

তাইৰ দৰে এজনী লাজুকীলতাই এটা অস্ত্ৰধাৰী আন্ধাৰ জগতৰ মানুহৰ সন্মুখত এনেদৰে মুখ পাতি সমানে সমানে কথা কবলৈ ইমান সাহস ক'ৰপৰা পাইছে তাই নিজেই কব নোৱাৰে । এইবাৰ ৰুমি ৰামুৰ ফালে দুখোজ আগুৱাই গ'ল । ৰুমিৰ দৃষ্টিত দৃঢ়তা ৰামুৰ স্পষ্টভাৱে চকুত পৰিল । সি ঠিক ধৰিব পৰা নাই ৰুমিয়ে কি কৰিব খুজিছে । ৰুমিয়ে আৰু এখোজ ৰামুৰ ফালে আগুৱাই গ'ল আৰু ধীৰ স্থিৰভাৱে গাম্ভীৰ্য্য-পূৰ্ণ মাতেৰে ৰামুক উদ্দেশ্য কৰি ক'লে—"শুন ৰামু, তোক পুনৰ কওঁ, তই এটা অবাস্তৱ আশা লৈ ইয়ালৈ আহিছিলি, যি আশা তোৰ কোনোদিনেই পূৰ্ণ নহ'ব । বন্দুকৰ ভয় দেখুৱাই কোনো লাভ নাই । বন্দুকৰ গুলিক মই ভয় নকৰোঁ- - - -"

ৰামুয়ে ৰুমিৰ কথা শেষ হ'বলৈ নিদিলে । তাৰ আগতে সি চিঞঁৰি উঠিল.—"তেনেহলে তোৰ এয়ে শেষ কথা ?"

ৰুমিয়েও দৃঢ়তাৰে ক'লে—"অঁ সেয়ে মোৰ শেষ কথা ।"

ৰামু নিশ্চয় উত্তেজিত হৈ পৰিছিল । হাতত অস্ত্ৰ-ধাৰী তাৰ দৰে এটা দুৰ্ধৰ্ষ লোককো গুৰুত্ব দিব নোখোজা ৰুমিৰ দৰে এজনী ছোৱালীৰ তাৰ প্ৰতি কৰা অৱজ্ঞাই তাক হয়তো অধিক কিবা এটা কৰি দেখুৱাবৰ বাবে উদ্‌গনি দিছিল । ভাৱৰ আতিশয্যাতে উত্তেজিত হৈ সি ৰুমিৰ হাতত খাপ মাৰি ধৰিলে । হয়তো এনে এটা চৰম মুহূৰ্তৰ বাবেই ৰুমিও অপেক্ষা কৰি আছিল। সেয়ে ৰুমিয়ে গাৰ সৰ্বশক্তি প্ৰয়োগ কৰি ৰামুৰ গালত এটা পূৰ্ণহতীয়া চৰ বহুৱাই দিলে ।

ৰুমিৰ দৰে এজনী কোমলাঙ্গীয়ে তাৰ দৰে এটা আন্ধাৰ জগতৰ লোকক আক্ৰমণ কৰিব পাৰে বুলি হয়তো ৰামুয়ে ভবা নাছিল । সেয়ে সি চৰ খাই হতভম্ব হৈ পৰিল । আৰু ঠিক সেই মুহূৰ্ততে এটা গুলিৰ শব্দই চৌপাশ কঁপাই তুলিলে । গুলিৰ শব্দ হোৱাৰ লগে লগে ৰুমি মজিয়াত ঢলি বাগৰি পৰিল । ঠিক সেই মুহূৰ্ততে বিজুলীচাকিও নিৰ্বাপিত হোৱাত গুলিৰ শব্দ শুনোতা-সকলৰ মাজত শংকাৰ ভাৱ আহি পৰিল ।





# এটি গল্পৰ প্লটৰ সন্ধানত

ৰক্তিম শৰ্মা
উঃ মাঃ ২য় বৰ্ষ (বিজ্ঞান শাখা)

মনোজদাই লিখিবলৈ কোৱা গল্পটোৰ কাৰণে কেনেকুৱা প্লট ললে ভাল হ'ব ভাবি থাকোতেই কেতিয়া কলেজত বেল মাৰিলে গমকেই নাপালো । দহ বজাত ক্লাচ আছে । দিগন্তই তেতিয়া তাৰ প্ৰিয় কৃষ্ণাংগ কবিৰ কবিতা এটা আবৃত্তি কৰি আছে । অহাকালি ওচৰৰে এখন গাওঁত মনোজদাহঁতে সংগঠনৰ প্ৰতিষ্ঠা দিৱস পালন কৰিব । দিগন্তক মনোজদাই তাত কবিতা আবৃত্তি কৰিবলৈ কৈছে । সিদিনা মোৰ গল্পটো লিখা নহ'ল । মই গল্পটোৰ প্লট বিচাৰিবলৈ আৰম্ভ কৰিলো- - - - ।

- - -দিগন্ত আৰু মই একেলগে পঢ়ো । খুব অমায়িক ল'ৰা সি । সৰুতে দেউতাক ঢুকুৱাৰে পৰা তাৰ ঘৰৰ অৱস্থা অতি দুখলগা হৈ পৰিছে । ইমান দুখৰ মাজতো দিগন্তৰ মুখত সেই মিচিকিয়া হাঁহি । যি হাঁহিৰে সি সকলোকে মোহিব পাৰে । দিগন্তৰ দেউতাক আছিল এজন আদৰ্শবাদী শিক্ষক । সেই কাৰণেই হয়তো তেওঁ ঘৰৰ ভেটিটোৰ বাহিৰে আন একো এৰি থৈ যাব নোৱাৰিলে । দিগন্তৰ নিজৰ বুলিবলৈ তাৰ বিধৱা মাক আৰু দশম মানত পঢ়া ভনী চম্পা । আৰু সেই নাহৰণি চাহ বাগিছাৰ ৰামু চৰ্দাৰৰ জীয়েক অঞ্জু । সৰুতে দিগন্তৰ লগত চাহ বাগিছাৰ মাজে মাজে বুলবুলি চৰাই বিচাৰি ফুৰা অঞ্জুজনী এতিয়া গাভৰু হ'ল । খুব মৰমলগা ছোৱালী তাই । তাই যেতিয়া গান গায়, শুনিলে শুনি থাকিবলৈ মন যায় । তাইৰ চকুজুৰিয়ে যেন তাইৰ অন্তৰত লুকাই থকা প্ৰতিভাৰ কথা সোঁৱৰাই দিয়ে । তাই মোক মিচিকিয়া হাঁহিৰে "ককাইদেউ" বুলি কোৱা সেই মাতটো এতিয়াও মোৰ মনত আছে । চঞ্চলা-চপলা সেই অঞ্জুজনী সকলোৰে প্ৰিয় । সকলোকে মোহিব পৰা গুণ তাইৰ আছে । তথাপি তাইৰ সেই মিচিকিয়া হাঁহিৰ মাজত থকা এক গভীৰ বেদনাৰ ছাপ । যি আনে নুবুজিলেও দিগন্তৰ মাকে বুজে ! দেউতাকে খুব মদ খায় । সেয়ে দিগন্তৰ মাকে তাইক নিজৰ ছোৱালীৰ দৰে মৰম কৰে । দিগন্তই ঘৰলৈ গ'লে অঞ্জুহঁতৰ ঘৰলৈ এপাক মাৰিবই । দিগন্ত আৰু অঞ্জুৰ মাজত যি পাৰস্পৰিক ভালপোৱা তাক আমি গম পাইছিলো যেতিয়া সেই মৰমী অঞ্জুজনী অকালতে মৰহি গ'ল । ভাবিলে চকুপানী ওলায় সেই কৰুণ কাহিনী ।

অঞ্জুৰ মৃত্যুৰ লগে লগে দিগন্তৰ জীৱনলৈ নামি আহিল নিয়তিৰ নিষ্ঠুৰ পৰিহাস । বানপানীৰ ঢলৰ দৰে সৈন্যবাহিনী আহিল এমুঠি উগ্ৰপন্থী দমনৰ বাবে। সামৰিক অত্যাচাৰে চাৰিওফালে গ্ৰাস কৰি যাব ধৰিলে। সদায় ৰাতিপুৱা বাতৰি কাকতবোৰে লৈ আহে হত্যা, উৎপীড়ন আৰু ভগীমাই, ৰাজু বৰুৱাৰ দৰে দুৰ্ভগীয়া গাভৰুহঁতৰ লাঞ্চনাৰ কাহিনী । দিগন্তহঁতৰ গাওঁতো সামৰিক বাহিনীৰ অত্যাচাৰ আৰম্ভ হ'ল । আৰম্ভ হ'ল মানুহ মৰা যজ্ঞ । ভগীমাইহঁতৰ দৰে ছোৱালী দিগন্ত-হঁতৰ গাওঁতো লাঞ্চিতা হ'ল । চন্দনৰ পৰা খবৰ পালো অঞ্জুও সামৰিক অত্যাচাৰত নিহত হৈছে । অকল অঞ্জুৱে নহয় সিহঁতৰ গাওঁৰ পদুমী, শেৱালীহঁতো । অঞ্জু মৰিল। পদুমীয়ে আত্মহত্যা কৰিলে আৰু শেৱালীয়ে মানসিক ভাৰসাম্য হেৰুৱাই পেলালে । অঞ্জুৰ মৃত্যুৰ বাতৰি পাই দিগন্তৰ অন্তৰখনে হাহাকাৰ কৰি উঠিল । সি গোটেই দিন কান্দিলে । আমি তেতিয়ালৈকে জনা নাছিলো দিগন্তই যে অঞ্জুক ভাল পাইছিল । দিগন্তই আমাক সকলো কলে । ময়ো শোকত চকুপানী ধৰি ৰাখিব নোৱাৰিলো । দিগন্তই পিছদিনা গাওঁলৈ যাবলৈ ওলাল। আমি বাধা দিও তাক ৰাখিব নোৱাৰিলো । অঞ্জুহঁতৰ গাওঁখনত ৰাষ্ট্ৰ সন্ত্ৰাসৰ দাগ স্পষ্ট । বেছিভাগ ডেকা ল'ৰাই পলাইছে । সন্ধিয়াৰ লগে লগে নামি আহে নিশাৰ

নির্জনতা। অঞ্জুৰ মাকে দিগন্তক লগ পাই কান্দি কান্দি সকলো কলে। দিগন্তই খবৰ পালে তাৰ গাওঁতো হেনো সন্ত্রাস আৰম্ভ হৈছে। সি ঘৰলৈ যাবলৈ ওলাল। দিগন্তৰ ঘৰ অঞ্জুহঁতৰ পৰা সাত কিঃ মিঃ মান হ'ব। দিগন্তই গাওঁলৈ গৈ পোৱাতে সন্ধিয়া হ'ল। খুব ঠাণ্ডা পৰিছে। ঘিটমিটীয়া আন্ধাৰ। দিগন্তই বাঁহৰ চুপৰ মাজে মাজে চুটি ৰাস্তাটোৰে অতি সন্তর্পণে খোজ ললে। ওচৰৰ ঘৰবোৰত কাৰো সাৰ-সুৰ নাই। কাৰো ঘৰত চাকি এটাও জ্বলোৱা নাই। কালি হেনো গাওঁৰ দুজন ল'ৰাক আৰ্মিয়ে গুলীয়াই মাৰিছে। হঠাতে অলপ দূৰত কাৰোবাৰ গছকত বাঁহৰ শুকান পাত খৰমৰাই উঠিল। দিগন্তই দেখিলে দুটা আৰ্মিয়ে এটা মৰাশ চোচোৰাই আনিছে। দৃশ্য দেখি পুহমহীয়া ঠাণ্ডাতো দিগন্তৰ গা ঘামেৰে তিতি গ'ল। সি আগ-পিছ নাচাই চকু মুদি দৌৰ দিলে। আলিবাটটো পাৰ হৈ অহাৰ পিছত দিগন্তই সুৰসুৰীয়া ৰাস্তাটোৰে ঘৰলৈ খোজ দিলে। দূৰত শিয়ালবিলাকে হোৱা দিছে। হয়তো কাৰোবাৰ মঙহ বিচাৰি পোৱাৰ আনন্দত। এন্ধাৰত একো মণিব নোৱাৰি। আলিবাটৰ সিটো মূৰত আৰ্মিৰ বুট জোতাৰ শব্দ। চিকাৰ বিচাৰি পোৱাৰ হাঁহি খিকিন্দালি। ওচৰৰ ঘৰবোৰত কোনো সাৰ-সুৰ নাই। অকল মাজে মাজে ফেঁচাৰ নিউ নিউ চিঞৰ আৰু শিয়ালৰ হোৱাই নিশাৰ নিস্তব্ধতা ভংগ কৰিছে। মুহূর্তে মুহূর্তে মৃত্যুভয়। কেতিয়া গুলী এটা আহি গাত পৰে ঠিক নাই। তথাপি দিগন্তৰ মাক আৰু ভনীয়েকক চোৱাৰ ইচ্ছা। তাৰ ভনী চম্পাও যদি অঞ্জুহঁতৰ দৰে---! নাই হ'ব নোৱাৰে। দিগন্তৰ দৃঢ় বিশ্বাস সকলোৰে ভালে আছে। সি আহি ঘৰৰ আগ চোতাল পালে। কাৰো সাৰি শব্দ নাই। তাৰ বুকুত ধান বানিবলৈ ধৰিলে। এক গভীৰ শংকাই যেন তাক জুমুৰি ধৰিলে। সি আগবাঢ়িব নোৱাৰা হ'ল। খুব কষ্টেৰে সি দৌৰি দিলে। হঠাতে সি কিবা এটাৰ গাত উজুটি খাই পৰিল। আন্ধাৰত সি খেপিয়াই চালে। কাৰোবাৰ নাৰীদেহ। দিগন্তৰ মূৰ ঘূৰি গ'ল। এইজনী তাৰ মৰমৰ ভনী চম্পা নহয়তো। সি একে উশাহতে তাৰ জুপুৰী ঘৰটোৰ বাঁহৰ দৰ্জা-ঘৰৰ ভিতৰ সোমাল। তাৰ জুপুৰী ঘৰটোৰ বাঁহৰ দৰ্জা-খন ভঙা। মাটিত লেম্পটো পৰি ঢপঢপাই আছে। কাৰোবাৰ গো-গোৱনি শব্দত সি পিছফালে ঘূৰি চালে। চকামকাকৈ দেখা পালে তাৰ মাকক। মুখখন গামো-চাৰে বন্ধা। চকীখন গাৰ লগত বন্ধা। কিন্তু চম্পা। চম্পা ক'ত? তেনেহ'লে সেইজনীয়েই চম্পা? ক্ষোভ আৰু দুখত সি দাঁত মুখ চেপি ধৰিলে। কিন্তু তাৰ চকুপানী নোলাল। অঞ্জুৰ মৃত্যুই তাক কঠোৰ কৰিছে। তেনেকৈ কিমান সময় গ'ল সি ক'ব নোৱাৰিলে। ইতি-মধ্যে ৰাতি পুৱাই আহিছে। প্রতিহিংসা, প্রতিশোধৰ তাড়নাত তাৰ গাত জুই জ্বলিছে। সি ভনীয়েক চম্পাৰ মৃতদেহটো কান্ধত তুলি ললে। আৰু সকলো অত্যা-চাৰৰ ওৰ পেলাবলৈ দিগন্তই খোজ দিলে মনোজদাহঁতে বাচি লোৱা সুৰুযমুখী পথটোৰে। ৰাতিপুৱাৰ ৰঙা সূর্য্যৰ এচেৰেঙা পোহৰ আহি দিগন্তৰ গাত পৰিল।

তাৰ পিছদিনাখনৰ পৰা দিগন্ত নিৰুদ্দেশ হ'ল। পিছতহে আমি গম পালো দিগন্ত হেনো মনোজদাহঁতৰ সংগঠনৰ ট্রেইনিং লবলৈ গৈছে। প্রায় এবছৰ পাৰ হ'ল। মনোজদা আৰু দিগন্তৰ একো খবৰ নাপালো।

বহুদিনৰ মূৰত দিগন্ত মোৰ হোষ্টেললৈ আহিল। দাড়ি গোফেৰে মুখ ভোবোকাৰ। গাৰ পৰা ভেকেচা ভেকেচ গোন্ধ। মই প্রথমতে চিনিয়েই পোৱা নাছিলো। সি মোক দেখা পাই সাৱট মাৰি ধৰিলে। মই ক'লো, "দিগন্ত তই ইমান দিন ক'ত আছিলি? একো খা-খবৰ দিব নোৱাৰ নেকি?" দিগন্তই ক'লে, "পৰহিয়েই পাহাৰৰ পৰা আহিলো। মাক আৰু তহঁতক এবাৰ চাই যাওঁ বুলি। মাৰ ওচৰত যাবলৈ সাহস নহ'ল। মাই মোক দেখিলে আৰু এৰি নিদিব। দূৰৰ পৰাই চালো। জান নৰ, মা নৰিয়া পাটিত পৰি আছে। মাজে মাজে যাই চাবি। আৰু কেতিয়াবা দেখা পাম নে নাই ক'ব নোৱাৰো। আৰু আমাৰ খবৰ দিবলৈ বাতৰি কাকত-বোৰ আছে নহয়। চিন্তা নকৰিবি।" মই ক'লো, "দিগন্ত তই আপোচ নকৰ কিয়? তহঁতৰতো বহুতেই আপোচ কৰিলে।" দিগন্তই ক্ষীণ হাঁহিৰে ক'লে, "নৰ তইতো জানই। অঞ্জু গ'ল, চম্পা গ'ল। আৰু কাৰবাবে আপোচ কৰিম। জীৱনটো কেতিয়াবাই দেশৰ বাবে উচর্গা কৰিলো। তহঁতৰ যাতে মোৰ দৰে নহয়, তাৰ বাবে।" দিগন্ত বেছি আবেগিক যেন হোৱা দেখা পাই আন প্রসংগলৈ আহিলো। দিগন্ত তই কবিতা লিখা বাদ দিলি নেকি? "কিয় দিম! এয়া চা, কালি ঘৰলৈ গৈ আঁহতজোপাৰ তলত বহি লিখিছো।" দিগন্তই উত্তৰ দিলে। দিগন্তই ডায়েৰীটোৰ পৰা উলিয়াই দিয়া কবিতাটোৰ দুশাৰী এতিয়াও মোৰ মনত আছে।

"ওলাই আহিলো আই<br>
যুঁজৰ বেশেৰে,<br>
মৰিলে পুনৰ জনমিম আই<br>
তোৰেই কোলাতে<br>
ৰণৰ সাজেৰে।"

কিছুসময় পাছত দিগন্ত গ'লগৈ। তাৰ পিছৰ পৰা তাৰ আৰু একো খবৰ নাপালো।

কিছুদিনৰ পিছত তাৰ মাক মৰিল। আমি অপা-ৰেচনৰ বাবে দিগন্ত নাহিল। ময়েই তাৰ মাকৰ মুখাগ্নি কৰিলো।

তাৰ কিছুদিন পিছত বাতৰি কাকতত পঢ়িবলৈ পালো সামৰিক বাহিনীৰ সৈতে হোৱা সংঘর্ষত কুখ্যাত সন্ত্রাসবাদী দিগন্ত বৰগোহাঞিৰ মৃত্যু। বাতৰিটো পঢ়ি মই নিজকে চম্ভালিব নোৱাৰিলো। মোৰ দুচকুৰেদি চকুলো বাগৰি আহিল।

যথা সময়ত দিগন্তৰ মৃতদেহ ঘৰলৈ লৈ অহা হ'ল। গোটেই গাতে অত্যাচাৰৰ চিন। হাতৰ আৰু ভৰিৰ নখবোৰ প্লাচেৰে উভালি দিয়া হৈছে। বুকুত আৰু পিঠিত ইস্ত্রিৰ পোৰা ছাপ। দিগন্তৰ ওঁঠৰ আৰু সেই মধুৰ হাঁহি নাই। দুচকুত অকল সন্ত্রাসৰ চিন। সিহঁতৰ সংগঠনৰ দুজন ল'ৰাই এখন পতাকাৰে ইতি-মধ্যে দিগন্তৰ গাতো ঢাকি দিছে। চিতা সজা হ'ল। সি ভালপোৱা 'কৃষ্ণাংগ কবিৰ কবিতা' পুথিখন মই তাৰ চিতাৰ ওপৰত তুলি দিলো। এইদৰে সকলোকে কন্দুৱাই দিগন্তই ৰচি গ'ল ত্যাগৰ এক চৰম ইতিহাস। দিগন্তৰ মৃত্যুক মই সহজভাৱে ল'ব নোৱাৰিলো। দিগন্তক সন্ত্রাসবাদী নাম দিয়া আচল সন্ত্রাসবাদীসকলৰ বিৰুদ্ধে মোৰ মন বিদ্রোহী হৈ উঠিল।

কেইদিনমান পিছত মোৰ মনত পৰিল মনোজদাই মোক লিখিবলৈ কোৱা গল্পটোৰ কথা। এসময়ত মই প্লট বিচাৰি হাবাথুৰি খাইছিলো। কিন্তু দিগন্তৰ জীৱনৰ মাজেদি মোৰ গল্পৰ এক কৰুণ প্লট বিচাৰি পালো। গল্প-টোৰ নাম দিলো 'সন্ত্রাসবাদী কোন?'। গল্পটো লিখি উঠি মোৰ মনটো সেমেকি উঠিল। এই অত্যাচাৰ উৎপীড়নৰ জানো কেতিয়াবা অন্ত পৰিব?

# মুক্তিৰ পথ বিচাৰি

শ্ৰীশেৱালী কলিতা
স্নাতক প্ৰথম বৰ্ষ (কলা)
গোৱালপাৰা কলেজ

সীমাৰ অন্তৰৰ পৰা এতিয়াও "প্ৰতিশোধ" শব্দটো বাহিৰ হৈ যোৱা নাই।

"হে পৃথিৱীবাসী মই প্ৰতিশোধ লম। মই মোৰ কোনো অপৰাধীক জীয়াই থাকিবলৈ নিদিওঁ। সিহঁতৰ ওপৰত প্ৰতিশোধ ললেহে মই মোৰ মুক্তিৰ পথ বিচাৰি পাম। মই সিহঁতক তিলতিলকৈ জ্বলাই মাৰিম যাতে সিহঁতে নিজে মৃত্যুক মাতি আনে জীয়াই থকাৰ ইচ্ছা পৰিহাৰ কৰি।" সীমাই এনেকৈ প্ৰায় চিঞৰি উঠে।

শৰীৰত যেতিয়া দুখ পায় আঘাত লাগে সেই আঘাত সোনকালে পাহৰণিৰ গৰ্ভত বিলীন হৈ যায়, ই অস্থায়ী কিন্তু মনত, আত্মসন্মানত যেতিয়া আঘাত লাগে ই চিৰ-স্থায়ী হৈ পৰে আৰু সেই কৰুণ স্মৃতিয়ে বাৰে বাৰে আত্মাক প্ৰতিশোধৰ বাবে উৎসাহ দিয়ে।

প্ৰত্যেক দিনৰ দৰে সেইদিনাও সেই সৰু ব্যস্ত চহৰখনৰ একোণত থকা পুৰণি সৰু টিনৰ ঘৰটোৰ সন্মুখত এখন স্কুটাৰৰ হৰ্ণ বাজি আছিল। ছোৱালী এজনীয়ে দুৱাৰৰ পৰ্দাৰ ফাঁকেৰে ভুমুকি মাৰি চাই ভিতৰৰ পৰা বেগটো লৈ ওলাই আহি স্কুটাৰোহীৰ পিছৰ চিটটোত উঠি গৈছিল। এইটো সেই সৰু ব্যস্ত চহৰখনৰ এহাল যুৱক-যুৱতীৰ নিত্য নৈমিত্তিক কাৰ্য্য আছিল। এই যুৱক-যুৱতীহাল আছিল দৰাচলতে এহাল প্ৰেমিক-প্ৰেমিকা সীমা আৰু দিগন্ত। সিহঁতে সমাজৰ কোনো নীতি-নিয়ম, বাধা নামানি খোলাভাৱে প্ৰেম কৰি গৈছিল। অৱশ্যে প্ৰেমক কোনো নীতি-নিয়ম, জাতিভেদে বান্ধি ৰাখিব নোৱাৰে।

সীমা, মানে সীমা কলিতা এজনী মধ্যবিত্ত পৰিয়ালৰ ছোৱালী। দেউতাক কমলা কলিতাই শিক্ষকতা কৰে। দৰমহাৰ টকাৰে কোনোমতে ল'ৰা-ছোৱালীহালৰ সৈতে চাৰিজনীয়া পৰিয়ালটো ভৰণ-পোষণ দি আছে। তাতে চহৰত সকলো বস্তু কিনিব লাগে, বস্তুৰ যিহে জুই-ছাই দাম। গাওঁৰ ঘৰৰ পৰা চাউলখিনি পঠিয়াই দিয়া বাবেহে কিছু সকাহ পাইছে। আৰু দিগন্ত সেই চহৰৰে এটা সম্ভ্ৰান্ত পৰিয়ালৰ ল'ৰা। চহৰৰ নামী ব্যৱসায়ী শ্ৰীৰাম শইকীয়াৰ একমাত্ৰ ল'ৰা দিগন্ত। শ্ৰীৰাম শইকীয়া বাহিৰত ভদ্ৰ ব্যৱসায়ীৰ ৰূপত থাকি মনে মনে স্মাগ্লিং কৰে। সেয়েহে আজিৰ মানুহক চিনিব নোৱাৰি। বাহিৰত এটা ভিতৰত এটা। শইকীয়াৰ দৰে ব্যৱসায়ী সকলে মাহে মাহে একোখনকৈ দামী কাৰ্ কিনিব পাৰে, বছৰে বছৰে একোটাকৈ ফ্লেট বনাব পাৰে কিন্তু কমলাৰ দৰে শিক্ষকসকলে দুবেলা দুমুঠি ভালদৰে খাবৰ বাবে হাহাঁকাৰ কৰি মৰিব লাগে। তেওঁলোক সৎ পথত থাকিও শইকীয়াহঁতৰ দৰে আড়ম্বৰপূৰ্ণ বিলাসী জীৱন-যাপন কৰিব নোৱাৰে। গতিকে সীমা আৰু দিগন্তৰ সম্পৰ্কৰ মাজত আকাশ-পাতালৰ প্ৰভেদ।

সীমা আৰু দিগন্তৰ প্ৰথম চিনাকী হৈছিল সীমাৰ বান্ধৱী এজনীৰ বিয়াত। নীতা আৰু সীমা দুয়োজনে নলেগলে লগা বান্ধৱী আছিল। দুয়োজনে তেতিয়া বি-এ, দ্বিতীয় বাৰ্ষিকত পঢ়িছিল আৰু সেই নীতাৰ বিয়াতেই তাইৰ প্ৰথম চিনাকী হৈছিল দিগন্তৰ লগত। হোমৰ ছাইৰ গোন্ধে ৰভাতলীখন তেতিয়াও নোমৰ ছাল পিন্ধা মানুহ এজনৰ দৰে গৰম কৰি ৰাখিছিল। ক্ষীণ, লাহী কোমৰৰ, গোল মুখৰ সীমা নামৰ ছোৱালীজনীৰ সহজে মানুহক আকৰ্ষণ কৰিব পৰা ক্ষমতা আছিল। পৃথিৱীৰ মাধ্যাকৰ্ষণ শক্তিয়ে আন বস্তু আকৰ্ষণ কৰাৰ দৰে সীমাৰ আকৰ্ষণ শক্তিয়ে দিগন্তক তাইৰ ওচৰলৈ টানি আনিছিল কিন্তু তাই প্ৰশ্ৰয় দিয়া নাছিল। এক-পক্ষীয় ভালপোৱা কেতিয়াও ফলপ্ৰসূ হব নোৱাৰে। দুয়োজনৰ অন্তৰত সমানে সমানে মৰম থাকিলেহে সেই প্ৰেমত গভীৰত্ব থাকে আৰু থাকে তৃপ্তি।

দিগন্তই বন্ধুবোৰৰ লগত 'চেলেঞ্জ' লাগিছিল। আগৰ তেওঁৰ আন আন প্ৰেমিকাবোৰৰ দৰে সীমাকো ভাল-পোৱাৰ নাটক কৰি নিজৰ আয়ত্বলৈ আনিব।

দিগন্তহঁত চতুৰ লোক। কেনেকৈ কোন সময়ত ছলাহী কথাৰে মানুহক নিজৰ বশ কৰি লব পাৰি সিহঁতে ভালদৰেই জানে। কেতিয়াবা আনক নিজৰ হাতৰ মুঠিলৈ আনিবলৈ নিজৰ স্বাৰ্থ হানি কৰিও আনৰ স্বাৰ্থ পূৰণ কৰে। নীতাৰ বিয়াত সীমাৰ লগত চিনাকী হোৱাৰে পৰা দিগন্তই সদায় তাইক কলেজত লগ ধৰিবলৈ গৈছিল। কেতিয়াবা কিবা এটা উপহাৰকে লৈ গৈছিল, কেতিয়াবা এটা ফুলকে লৈ গৈছিল আৰু কেন্টিনলৈও চাহ খাবৰ বাবে মাতিছিল, তাই কিন্তু যোৱা নাছিল। সীমাই তেওঁক আহিবলৈ বাধা কৰা স্বত্বেও আহিছিল আৰু দিনৰ দিনতো কলেজৰ সন্মুখত অপেক্ষা কৰি আছিল আৰু এদিনাখন দিগন্তই সীমাক লগ ধৰি ক'লে—"সীমা, শুনা সীমা। মই তোমাক ভাল পাওঁ কাৰণে তুমি মোক আহিবলৈ বাধা কৰা স্বত্বেও মই আহোঁ। তুমি মোক কিয় ভাল নোপোৱা? কিয় তুমি মোক বাৰে বাৰে প্ৰত্যা-খ্যান কৰি আছা?" দিগন্তই নিজৰ চেলেঞ্জ জমাবৰ কাৰণে সীমাক ভুলাবৰ চেষ্টা কৰিছিল।

"কিয় তোমাৰ সেই আগৰ প্ৰেমিকাবোৰ ক'ৰবাত অন্তৰ্ধান হ'ল নেকি? এতিয়া নতুন এজনীৰ অপেক্ষাত আছা যে। মই তোমাক ভাল নাপাওঁ। মই তোমাক ঘৃণা কৰোঁ। ছোৱালীৰ জীৱনক লৈ খেলা কৰা মানুহক মই ঘৃণা কৰোঁ। I hate them. সীমাই দিগন্তক কৈছিল।

"সীমা, মই সিহঁতক ভাল পাইছিলো সঁচা। কিন্তু সিহঁতৰ মাজত মই তোমাৰ দৰে এজনী সীমা বিচাৰি-ছিলোঁ। সিহঁতৰ কাৰোৰে লগত মোৰ প্ৰেম স্থায়ী নাছিল। কাৰোবাৰ লগত এমাহ আৰু কাৰোবাৰ লগত হয়তো অতিৰিক্ত পাঁচ মাহ আৰু সিহঁতৰ পিছ মই লোৱা নাছিলো। সিহঁতে মোৰ পিছ লৈছিল কিন্তু মই তোমাৰ পিছ লৈছো যেতিয়া তুমি মোৰ হব লাগিবই। অহাকালি ৯ বজাৰ আগত যদি তুমি মোক উত্তৰ নিদিয়া তেতিয়াহলে তোমাৰ ঘৰৰ সন্মুখত বিষ খাই আত্মহত্যা কৰিম।" দিগন্তই পুনৰ ছলাহী কথাৰে সীমাক ভুলাবলৈ চেষ্টা কৰিছিল। তাই একো কোৱা নাছিল কিন্তু তাইৰ মনে কথাবোৰ বিশ্বাস কৰিবলৈ ধৰিছিল।

গোটেই ৰাতিটোৰ চিন্তাৰ অৱসান ঘটাই পিছদিনাখন ৰাতিপুৱা সীমাই দিগন্তৰ নামত এখন প্ৰেমপত্ৰ লিখিছিল আৰু যেতিয়া দিগন্ত তাইৰ ঘৰৰ সন্মুখত আহিব, তাই চিঠিখন দলিয়াই দিব। ভবা মতে কাম কৰিছিল। দিগন্ত বন্ধুবোৰৰ আগত কৰা চেলেঞ্জত কৃতকাৰ্য্য হৈছিল।

ক্ৰমে সিহঁতৰ সম্বন্ধ বেছি ঘনিষ্ঠতৰ হৈছিল। ইজনে আনজনৰ হিয়াৰ একাংশ দখল কৰি লৈছিল। দিগন্তই প্ৰকাৰান্তৰে সীমাক গ্ৰহণ কৰাৰ মনোভাৱো প্ৰকাশ কৰিছিল। সীমাও কল্পনাৰ ৰাজ্যত উটি-ভাঁহি ফুৰিছিল। কেতিয়াবা টেক্সী, কেতিয়াবা স্কুটাৰেৰে সীমাক ঘৰৰ পৰা কলেজলৈ লৈ গৈছিল আৰু থৈ গৈছিল দিগন্তই। সীমাই তাইৰ জীৱনত প্ৰথমবাৰৰ বাবে এজন যুৱকৰ প্ৰেমাহ্বান গ্ৰহণ কৰি সঁচাকৈয়ে ৰোমান্স অনুভৱ কৰিছিল। সীমাৰ দেউতাকে তাইক দিগন্তৰ লগত কোনো সম্বন্ধ গঢ়ি নুতুলিবলৈ বাধা দিছিল। তেওঁ কৈছিল—"দেখ সীমা, সিহঁত ধনী মানুহ। আমি সিহঁতৰ তুলনাত ছাল ছিগা ভিকহু। প্ৰাচীন কালৰে পৰা ধনীসকলে গৰীৱ সকলক শাৰীৰিক, মানসিক সকলো ফালেদি চেপি চেপি ৰস শুহি আহিছে আৰু যেতিয়া সিথাখিনি বাকী থাকে সেইখিনি ডাষ্টবিনত পেলাই দিয়ে। সিহঁতক বিশ্বাস কৰিবলৈ টান। সিহঁতে সাপ হৈ খুটে বেজ হৈ জাৰে। তোৰ ক্ষেত্ৰতো যে তেনেকুৱা কিবা এটা নহব তাৰ কি মানে। গতিকে তাৰ লগত নুঘূৰিবি। মই তোৰ লগতে এই ঘৰখনৰ বদনাম হোৱাটো নিবিচাৰো। জনা-বুজা ছোৱালী, নিজে চিন্তা কৰি চাবি।

সীমাই দেউতাকৰ কথাৰ উত্তৰত মাথোন কৈছিল—"দিগন্ত আন ধনীৰ দহজন ল'ৰাৰ দৰে নহয় দেউতা। মোৰ বিশ্বাস সি তেনেকুৱা একো কাম নকৰে য'ত মোৰ মানে আমাৰ ঘৰখনৰ সন্মান জড়িত হৈ আছে। সি মোক কথা দিছে মোক বিয়া কৰাব।"

ছোৱালীবোৰক ভুলোৱাটো সহজ। মিছা কথাকো সজাই-পৰাই কলে সিহঁতে সঁচা বুলি ভাবে। মিঠা মিঠা কথা কলেই ভুলি যায়। এনেকৈয়ে সীমাইও দিগন্তৰ ছলাহী কথাত ভোল গৈছিল। নীতাইও সীমাক লগ ধৰি দিগন্তৰ লগতে মিলা-মিছা কৰিবলৈ বাধা দিছিল। তাই কৈছিল—"সীমা তই মোৰ বান্ধৱী। সৰুৰে পৰা তোক পাই আহিছো। তোৰ কিবা এটা হলে মোৰ সহ্য নহ'ব বা তই বিপথে যোৱাটো মই বাঞ্ছা নকৰোঁ। দিগন্ত ভাল ল'ৰা নহয়। সি তোক প্ৰতাৰণা কৰি আছে। সি যে অকল তোকহে ভাল পায় এনে নহয় আৰু বহুত প্ৰেমিকা আছে দিগন্তৰ। মই তাক ভালদৰে জানো। Please সীমা তই তাৰ লগ এৰি দে। নিজৰ জীৱন ধ্বংস নকৰিবি।" নীতাই সীমাক বুজাবৰ চেষ্টা কৰিছিল কিন্তু তাই বুজিবৰ চেষ্টা নকৰি কৈছিল—"মই সকলো বুজি পাইছো। তই মোৰ সৌভাগ্য সহ্য কৰিব পৰা নাই। দিগন্তক মই বিশ্বাস কৰোঁ। মুখৰ অগণি মুখেৰেই নুমাব লাগিব। কাৰো সাহায্যৰ মোৰ প্ৰয়োজন নাই। ইমানদিনে মিছাকৈয়ে তোক বান্ধৱী বুলি ভাৱি আছিলো।" সীমাই নীতাক কথাখিনি কৈয়েই তাৰ পৰা গুছি গৈছিল।

ইফালে দিগন্তই চেলেঞ্জত জয়ী হোৱাৰ বাবে বন্ধু-বোৰক পাৰ্টি দিছিল, গোটেই ৰাতি ফুৰ্ত্তি কৰিছিল। কথাৰ মাজতে হীৰেণ নামৰ দিগন্তৰ বন্ধুজনে কৈছিল—"আৰে ভাই দিগন্ত, মজা মাৰি দিছা। তই আচৰিত ল'ৰা দেই। শেষত হৰিণীক ফান্দত পেলাই পিঁজৰাত সোমোৱাইহে এৰিলা। কিন্তু হৰিণীৰ মাংসৰ সোৱাদ অকলে নলবি। আমাকো অলপ ভাগ দিবি ভাই। নে কি কৱ ৰহিত ?

হীৰেণ ঃ "অ, অ, দিগন্ত আমাৰ কথা আকৌ মনত ৰাখিবি।"

"আৰে ইয়াৰ গুণ। হৰিণাৰ মাংসৰ সোৱাদ লোৱাৰ আজি এটা সুবিধা আছে। আজি সন্ধিয়া সীমাৰ টিউচন আছে। সাতটা মানত টিউচন শেষ কৰি ঘৰলৈ যাব, তাইৰ লগত মই থাকিম। ৰিতুল আৰু তহঁত দুজনে নিৰ্জন এডোখৰ ঠাই ঠিক কৰি থবি। মই সীমাক ফুৰাৰ ছলেৰে ইয়ালৈ লৈ আহিম। তাই মোক বৰ বিশ্বাস কৰে গতিকে মই যলৈ লৈ যাবখোজো তাতে তাই যাব।"

"ভাই দিগন্ত, তোক বিশ্বাস নকৰিব কিয় ? তাইৰ আগত যে তই দেৱদাস হৈ থাকা। তোৰ বুদ্ধিক কিন্তু নশলাগি নোৱাৰি, কিন্তু আজিৰ পৰা তোৰ তাইৰ লগত সম্বন্ধ নোহোৱা হৈ যাব গতিকে আৰু এজনী দেও দি দি ফুৰা হৰিণী বিচাৰিব লাগিব।"

"মোক ইমান বুৰ্বক বুলি নাভাবিবি। এইজনীৰেই কাম হ'ব। তাৰো বুদ্ধি উলিয়াব লাগিব।"

চহৰৰ সেই গলিটো সাতটাৰ পিছত নিৰ্জন হৈ পৰে। চাৰিওফালে নিজম নিতাল হৈ যায়। জোনাক ৰাতি মাথোন জোনাকী পৰুৱাবোৰে মুকুতাৰ দৰে জিলিকি আছিল। মাজে মাজে কেৱল এটা দুটা উইচিৰিঙাৰ বিকট চিঞৰ শুনা যায়। সেইখিনি সময়ত পুৰুষবোৰ ঘৰত নাথাকে। মাইকীবোৰে ঘৰৰ ভিতৰত সোমাই থাকে। ৰাতি নটাৰ পিছতহে হুলস্থূল আৰম্ভ হয়। কথা মতে কাম হৈছিল। দিগন্তই কথাৰে ভুলাই ভুলাই সীমাক সেই গলিটোৰ এডোখৰ নিৰ্জন ঠাইলৈ লৈ আহি-ছিল য'ত বন্ধুবোৰে জিভাৰ আগ ছেলেকি আছিল। তাই আপ্ৰাণ চেষ্টা কৰিও সিহঁত চাৰিটাৰ পৰা বাছি যাব নোৱাৰিছিল। শেষত সিহঁত পিশাচ কেইটাৰ কামনা-বাসনাৰ বলি হৈছিল সীমা। লগতে তাইক ইয়াকো ধমক দিয়া হৈছিল যে এই কথা যদি কাৰোবাৰ আগত কয় আৰু সিহঁতৰ কথামতে যদি তাই নচলে সিহঁতৰ ঘৰ পুৰি পেলাব, মাক-দেউতাকক গুলিৰে উৰুৱাই দিব। গোটেই ৰাতি সীমা তাতে পৰি থাকিল, তাইৰ ওপৰত চাৰিটা পিশাচৰ অত্যাচাৰ চলৈছিল। তাইৰ চকুৰ আগত নীতা আৰু দেউতাকৰ মুখ দুখন ভুমুকি মাৰিছিল। তেওঁলোকৰ কথাবোৰ তাইৰ সেইদিনাখন বিশ্বাস হৈছিল। সঁচাকৈয়ে দিগন্তহঁত মানুহৰ ৰূপত পিশাচ, দানৱ। সঁচাকৈয়ে মানুহৰ মুখ দেখি ভাল-বেয়া বুজিব নোৱাৰি। সিহঁতে স্বাৰ্থসিদ্ধিৰ বাবে যিকোনো প্ৰতিজ্ঞা কৰিব পাৰে। সীমাই চাৰিবাৰ কামনা-বাসনাৰ বলি হৈ ধৰ্ষিতা হৈছিল। আৰু এদিন তাই বুজিব পাৰিছিল তাইৰ গৰ্ভত স্থিতি লৈছে এটি মানৱ ভ্ৰূণ। তাই জীয়াই থকাৰ ইচ্ছা পৰিহাৰ কৰি আত্মহত্যা কৰিবলৈ গৈছিল কিন্তু এটা দৃশ্য দেখি তাইৰ মগজুত আন এটা চিন্তাইহে স্থান লৈছিল। হাড়ে-ছিম-জুৱে লগা বুঢ়ী এজনীয়ে ৰাস্তাৰ কাষে কাষে ক'ৰবাত খোৱা আহাৰ পায় নেকি বিচাৰি আছিল। শেষত খোৱা-আহাৰ বুলি ভাৱি বুঢ়ীজনীয়ে শিল এচটাকে থামোছ মাৰি ধৰিছিল। তেতিয়া সীমাই ভাবি ছিল—এই বুঢ়ীজনীয়ে মৃত্যু ওচৰত আহিলেও মৃত্যুৰ লগত যুঁজি জীয়াই থাকিব বিচাৰিছে আৰু মই মৃত্যু নিজে নাহিলেও মই মৃত্যুক বিচাৰি আহিছো। নাই নাই, মই আত্মহত্যা নকৰোঁ। মই জীয়াই থাকিম, মই জীয়াই থাকিব লাগিব। মই প্ৰতিশোধ লব লাগিবই। বুঢ়ীজনীয়ে মৃত্যুৰ লগত যুঁজাৰ দৰে মইমোৰ অপৰাধীৰ লগত যুঁজিম।

মানুহে কেতিয়াবা আনৰ কথাক আওকাণ কৰি ভাৱাবেশ বা কল্পনাবেশত মত্ত হৈ যায় আৰু শেষত সেই ভাৱ কল্পনাত তিষ্ঠিব নোৱাৰি বিবেক দংশনৰে দংশিত হৈ মতিভ্ৰষ্ট হৈ পৰে আৰু তেতিয়া সন্মুখত আহি পৰে এক জ্বলন্ত সমস্যা। তাই ঘূৰি আহিছিল আৰু চিধাই ডাঃ দাসৰ ক্লিনিকলৈ গৈছিল। গৈছিল তাইৰ গৰ্ভত স্থিতি লোৱা সন্তানটোক নিঃশেষ কৰিবলৈ। তাই সকলো কথা ডাঃ দাসক বিৱৰি কৈছিল।

"কিন্তু তুমি সন্তানটোক কিয় মাৰি পেলাব খুজিছা ?"

"ডাক্তৰ, মই অবিবাহিত ছোৱালী। অবিবাহিত ছোৱালী এজনীয়ে সন্তান জন্ম দিয়াৰ কথা বাহিৰত প্ৰকাশ হোৱাৰ লগে লগে মানুহে আমাৰ ঘৰলৈ অহা-যোৱা বন্ধ কৰি দিব। মা-দেউতাহঁতক মানুহে ঠাট্টা-বিদ্ৰূপ কৰিব। মা-দেউতাৰ একমাত্ৰ ছোৱালী মই, এই দুখ সহ্য কৰিব নোৱাৰি তেওলোক আপোনঘাতী হব পাৰে। ইয়াৰো-পৰি মই প্ৰতিশোধ লম। লগত সন্তানটো থাকিলে অসু-বিধা হব পাৰে। আৰু প্ৰধান কাৰণ হ'ল সিহঁতৰ দৰে পাপীৰ সন্তান মই কেতিয়াও জন্ম নিদিওঁ।" সীমাই ডাক্তৰৰ আগত কৈছিল।

"নহয় সীমা তুমি ভুল বুজিছা। তুমি সন্তানটোক জন্ম দিয়া। সিহঁতৰ সন্তানৰে সিহঁতৰ ওপৰত প্ৰতিশোধ লোৱা। তুমি হয়তো এদিন প্ৰতিশোধ লোৱাতে লোৱাতে শেষ নিশ্বাস ত্যাগ কৰিবা তেতিয়া তোমাৰ আধৰুৱা কামখিনি তোমাৰ সন্তানে কৰিব। সীমা, দিগন্তহঁতে হাজাৰ হাজাৰ পাপ কৰক তথাপিতো সিহঁত সভ্য সমাজৰ সভ্য ব্যক্তি। তথাপিতো সিহঁতে সমাজত উচ্চ আসন পাব কাৰণ সিহঁত ধনী। আৰু তোমালোকৰ দৰে নিৰ্দোষী ছোৱালীবোৰে হবা সমাজত পতিতা। মানুহৰ চকুৰ আগত যদি সিহঁতে খুন কৰে আইনৰ আগত তথা-পিতো সিহঁতে খুন কৰা নাই। কাৰণ টকাৰে সকলো-বিলাক দোষ ঢাকি ৰাখিব পাৰি। সীমা, মানুহে টুপি পিন্ধাৰ দৰে তোমালোকেও এটা দৰিদ্ৰতাৰ টুপি পিন্ধি আছা আৰু যেতিয়া এই টুপিটো সলকাই থৈ দিগন্তহঁতৰ দৰে সকলো কাম অবাধে কৰি যাব পাৰিবা তেতিয়া তোমালোকেও সভ্য হৈ যাবা।"

তাই কথাবোৰ বুজিবলৈ চেষ্টা কৰিছিল। শেষত সীমাই ঠিক কৰিছিল তাই সন্তানটোক জন্ম দিব। তাই ডাক্তৰৰ তাৰ পৰা ওলাই আহিল।

গৰম তেলত পৰুৱা এটা পৰি কিছু সময় ছটফট্ কৰি থাকি শেষত মৃত্যুবৰণ কৰে। সীমাও নজনা-নুশুনা কৰি গৰম তেলত ভৰি দি এতিয়া ছট্ফট কৰি মৃত্যুৰ ক্ষণ গণি আছে। দিগন্তহঁতে হয়তো কিমান ছোৱালীৰ লগত ভালপোৱাৰ অভিনয় কৰি সিহঁতৰ কামনা-বাসনাৰ বলি বনাইছে। কিমান ছোৱালীয়ে হয়তো নিজৰ জীৱন বিসৰ্জন দিছে। ইমানবোৰ দোষ কৰিও দিগন্তহঁতে সভ্য সমাজৰ সভ্য ব্যক্তি হৈ জীয়াই আছে। সেয়ে সীমা এতিয়া দেও দি দি ফুৰা হৰিণী নহয়। তাই বৰ্তমান হিংস্ৰ বাঘিনীত পৰিণত হৈছে। তাইৰ জিভাৰ পৰা লেলাৱতি ওলাই আছে দিগন্তহঁতৰ মাংস খাবৰ বাবে।

সীমাই ঘৰলৈ আহি বিছনাত শুই পৰিল। নিজৰ এই অভিশাপী জীৱনৰ কথা ভাৱি থাকোতে থাকোতে হঠাৎ যেন তাইক কোনোবাই চিঞৰি কৈছে—"সীমা, তুমি কিমানজনৰ ওপৰত প্ৰতিশোধ লবা। এজনৰ ওপৰত প্ৰতিশোধ লবা হাজাৰজন ওলাই আহিব। হাজাৰ জনৰ ওপৰত প্ৰতিশোধ লবা, লাখ-কোটি ওলাই আহিব। তুমি কাৰ কাৰ ওপৰত প্ৰতিশোধ লবা, কাৰ কাৰ ওপৰত। গোটেই পৃথিৱীখনে এফালে, তুমি আনফালে অকলে হবা। আজিৰ গোটেই পৃথিৱীখনে অপৰাধী। ইয়াত সৎ হৈ থাকি তুমি ডাঙৰ মানুহ হব নোৱাৰা। আজিৰ যুগৰ মতে তুমি যিমানে বেয়া কাম কৰিবা সিমানে সভ্য হব পাৰিবা।" তাইৰ মূৰটো আচন্দ্ৰাই কৰিব ধৰিলে আগতকৈ যেন কোনোবাই বেছি জোৰেহে চিঞৰিছে। তাই বাস্তৱ অৱস্থাত অহাৰ লগে লগে এক শোকবেদনাত ভৱিষ্যতৰ কথা চিন্তা কৰি তাইৰ অন্তৰখন কঁপি উঠিল।

# প্ৰতাৰণা

ছুকেন আলী
বি, এ, তৃতীয় বাৰ্ষিক

যোৱা কেইদিন ধৰি কিন্‌কিন্‌ বতাহ-বৰষুণ বৈ আছিল। নিশাহঁতৰ পুৰণি খেৰী ঘৰটোৰ ঠায়ে ঠায়ে পানী পৰি সৰু সৰু গাঁত বৈ গৈছে। ৰাতিপুৱা নিশাই মাটি এচৰিয়া কোমলাই পানী টুকি টুকি গাঁতবোৰ পুৰাই থাকোতে এটা ভয়ঙ্কৰ সিদ্ধান্ত লৈ পেলালে।

নিশাহঁতৰ ঘৰৰ অৱস্থা ভাল নহয়। তাইৰ দহ বছৰ বয়সতে দেউতাক ঢুকাইছে। ভায়েক দুটা আৰু মাক। মাটি-বাৰী বুলিবলৈ নায়েই। মাকে তাঁত-সূত বৈ, আনৰ ঘৰত কাম-বন কৰি পৰিয়ালটো পুহি আছে। স্থানীয় হাইস্কুলৰ পৰা H.S.L.C. পাছ কৰি নিশাই পঢ়া সামৰিলে।

যোৱাবছৰ বহাগত নিশাৰ বিয়া হৈছিল। বিয়া মানে হৰ-মূৰকৈ হোৱা বিয়া। বেংগতলী গাওঁত তেনেকুৱা বিয়া সেইখনেই প্ৰথম।

গোলাঘাটৰ ব্যৱসায়ী অজয় বৰুৱা আৰু তেওঁৰ ভনীয়েক আহিল নিশাক চাবলৈ। আহি বৰকৈ ধৰিলেহি—নিশাক বোৱাৰী কৰি নিব। নিশাৰ মাকে লৰালৰিকৈ চুবুৰীয়াৰ মুখিয়াল মানুহ কেইজনমান মাতি আনিলে। বৰুৱাই ক'লে—বৰুৱানীৰ সদায় মূৰৰ বিষ, সেয়ে ছোৱালী সোনকালেই লাগে।

নিশাৰ লগতে মাকো আচৰিত হ'ল। ইমান ধনী মানুহঘৰে নিশাক বিয়া কৰাবলৈ আহিছে! নিশাই থেৰো-গেৰো কৰিছিল। চুবুৰীয়া মানুহবোৰে বুজালে—"বৰুৱা ধনী মানুহ যদিও ভাল ছোৱালীৰ মোল বুজে। সেয়েহে ছাগে নিশাক বিচাৰি আহিছে। ধন, টকা-পইচালৈ লোভ নাই তেখেতৰ।" কোনোৱে ক'লে—"খুড়ীৰ ভাগ্যহে ফুলিছে। বহুদিন পাছত ভগৱানে চকু মেলি চাইছে।"

নিশাই মাকক কৈছিল—"মই এতিয়াই বিয়া হৈ গ'লে ভাইটিহঁতৰ কি হ'ব? মেট্ৰিক পাছ কৰিলো যেতিয়া বিচাৰিলে চাকৰি এটা পাম ছাগে। এতিয়াই বিয়া হৈ- - - -"

"ক'তনো সোনকালে চাকৰি পাবি অ'? কত মানুহ বি, এ, এম, এ, পাছ কৰি ঘৰতে বহি আছে। মিন্টু অজয় বৰুৱাৰ একমাত্ৰ ল'ৰা। সেইফালৰ পৰা তই বিয়াৰ পাছতো ভায়েকহঁতক সহায় কৰিব পাৰিবি। দুখীয়া ঘৰত গাভৰু ছোৱালী বেছিদিন ৰখাটো বৰ নিৰাপদ নহয় আই। তই অমত নহবি।"

নিশাৰ আঁচনি মনতেই ৰ'ল। পৃথিৱীত কিমান মানুহনো পূৰ্ব পৰিকল্পিত আঁচনিৰ সম্পূৰ্ণতা পায়?

অজয় বৰুৱাই কৈ গৈছিল—"ছোৱালীজনী দিয়ে যদি অতি সোনকালেই আমি বিয়াখন পাতি পেলাম। মানুহ কেইজনমান গোটাব, জোৰণ দিয়াই ছোৱালীজনী লৈ যাম।"

নিশাৰ মাকে ওচৰৰে ল'ৰা দুজনৰ হতুৱাই অজয় বৰুৱালৈ খবৰ পঠালে। বিয়াখন হ'বগৈ বুলি। ল'ৰা দুটায়ে ঘৰ-দুৱাৰ চাই আহিল। দৰাও চালে।

"ইমান ভাল মানুহলৈ ছোৱালী দিবলৈ পাইছে, আপোনাৰ ভাগ্যহে ফুলিছে খুড়ী"—গাওঁৰ ইয়ে সিয়ে কৈছিল।

চাৰিদিনৰ পাছতে দৰাঘৰৰ মানুহ আহি নিশাক লৈ গ'ল। চুবুৰীয়া নৰেন মাষ্টৰে চাহ-তামোলৰ খৰচ দি বিয়াখনৰ যা-যোগাৰ কৰি দিলে।



বিয়াৰ এক মাহ পাছতহে নিশাই বুজি পালে ক'ত কি হৈ গ'ল? ইমান ধনী মানুহে নিশাহঁতৰ দৰে দুখীয়া পৰিয়ালৰ ছোৱালী বিয়া কৰোৱাৰ অৰ্থ কি? যেতিয়া বুজিছিল নিশাৰ চকুৰ আগত ভাঁহি উঠিছিল ধোঁৱাৰে আবৰি থকা এটা পথ—যি ধোঁৱাৰ মাজত নিশা, নিশাৰ মাক আৰু ভায়েক দুটাৰ কৰুণ মুখ একাকাৰ হৈ গৈছিল।

বিমুক হৈ গৈছিল নিশা। মিন্টু বৰুৱাৰ পুৰণি উন্মাদ ৰোগে উক দিছিল। ঘৰৰ কাম কৰা মানুহজনীৰ মুখৰ পৰাহে জানিছিল—মিন্টুৱে ওঠৰ বছৰৰে পৰাই সেই ৰোগত ভুগি আছিল।

এজন উন্মাদ মানুহলৈ, জানি শুনিও নিশাক কিয় বিয়া কৰাই আনিলে তাৰ কৈফিয়ৎ নিশাই শাহুয়েকৰ ওচৰত বিচাৰিলে। শাহুয়েকে কৈছিল—

"কোনো কোনো মানুহে পৰামৰ্শ দিছিল—কিছুমান উন্মাদ ৰোগী বিয়াৰ পাছত স্বাভাৱিক হৈ যায়। সেই আশাতেই মিন্টুক বিয়া পাতি দিছিলো।"

স্বামী মিন্টুক তেজপুৰৰ পগলা ফাটেকত থৈ অহাৰ পিছদিনাই নিশা ঘূৰি আহিছিল মাকৰ ঘৰলৈ। গৰ্ভত লৈ আহিছিল এজন উন্মাদৰ বীজ।

দৰিদ্ৰতাৰ সুযোগ লৈ অজয় বৰুৱাই যি প্ৰতাৰণা কৰিলে, সেই প্ৰতাৰণাৰ মূল্য দিলে নিশাৰ আধাফুলাতে মৰহি যোৱা জীৱনটোৱে। এজনী নিষ্পাপ গাভৰুৰ যৌৱনৰ সকলো সুৰভি হেৰাই গ'ল।

কিন্তু প্ৰচণ্ড ধুমুহাত ডাল ভাগিলেও নিশা এজোপা বটগছৰ দৰেই অচল-অটল হৈ ৰ'ল। সংঘাতৰ প্ৰগাঢ় আঘাতে প্ৰস্তুত কৰে অন্তৰ্বিপ্লৱ। নিষ্ঠুৰ অভিজ্ঞতাই কঠোৰ বাস্তৱক আদৰি ল'বলৈ সাহস দিলে নিশাক।

মাতৃ হোৱাৰ আকাংক্ষাতকৈও নিশাক বেছিকৈ ভবাই তুলিলে—তাই এজন উন্মাদ মানুহৰ বীজ গৰ্ভত বহন কৰিছে। আচলতে, মিন্টুৰ মাক-দেউতাক-পেহীয়েক সব উন্মাদ। নহলেনো জানি শুনিও তাইক এই দুৰৱস্থালৈ ঠেলি দিয়েনে? তাইৰ অজ্ঞানতাৰ সুযোগ লৈ যি প্ৰতাৰণা কৰা হ'ল সেই প্ৰতাৰণাৰ কোনো চিন-চাব নৰখাকৈ মুক্ত হ'বৰ মন গ'ল তাইৰ। এজাক উন্মাদৰ উত্তৰাধিকাৰীক জন্ম দি মাতৃ হোৱাৰ গৌৰৱ আহিব জানো? নিশাই স্থিৰ সিদ্ধান্ত কৰিলে—গৰ্ভস্থ সন্তানটো নষ্ট কৰি পেলাব। তাইৰ সীমিত শক্তিৰে ভায়েক দুৰ্বাক মানুহ কৰিব।

মজিয়াত বৰষুণ পৰি হোৱা সৰু সৰু গাঁতবোৰত মাটি খজি মজিয়াখন মিহিকৈ মচি পেলালে তাই।



## শৰবিদ্ধ মুহূৰ্ত্ত

শ্যামল দাস
স্নাতক মহলা, ১ম বৰ্ষ (বিজ্ঞান)

ৰঙা-সেউজীয়া সপোনতে জানো তোমাক দেখিছিলোঁ ?
প্ৰতিটো দৃষ্টিতেই যেন প্ৰেৰণা, অশেষ আশা !
জন্মৰ পৰাই শুই থকা 'মই'ক জগাই দিয়াৰ চেষ্টা ;
মই সাৰ পাইছিলোঁহে মাথোন-----
মোৰ নিঃচুপ চিঞৰত তুমি জানো সাৰ পাইছা ?

এতিয়া দেখোন মোৰ অন্তৰত মৌনতাৰ কোলাহল,
কণ্ঠত নিস্তব্ধ সংগীতৰ নিৰ্বিকাৰ লহৰ ।
শংখটো বজাবলৈ দীঘলকৈ 'ফু' এটা দিছোঁ ;
কিন্তু শংখত 'ফু' দিলেই জানো বাজে ?

অন্তৰৰ ৰঙা-নীলা ফুলৰ বাগিছাখনত এতিয়া—
প্ৰায়ে ধুমুহাৰ সৃষ্টি হয়, ধ্বংসৰ তাণ্ডৱ চলে ;
তাত বাঁহ লব খোজা কপৌ দুটাক ধমকনি দিয়া হয় ।
সিহঁত উৰি যাব খোজে বহু দূৰ দূৰলৈ----।

সপিল গতিত বোৱাই নিয়া নাওখনক কেতিয়াবা
উত্তাল তৰঙ্গই সোঁৱৰাই দি যায় জীৱনৰ ছন্দ ।
তপত শিহৰণ, উত্তপ্ত নিশ্বাস আৰু অমোঘ চেষ্টা ;
সন্মুখৰ দেৱালবোৰ চূৰ্ণ-বিচূৰ্ণ কৰাৰ হাবিয়াস জাগে।

তোমাৰ বোৱা চাৱনীয়ে জীৱন নাটৰ কাহিনী
সলনি কৰিব বিচাৰে । কিবা সৃষ্টিৰ অদম্য হেঁপাহ ।
বাকৰুদ্ধ হওঁ মই ; হেৰাই যায় মোৰ সংলাপ ;
এতিয়া এন্ধাৰতে মাথো খেপিয়াই ফুৰিছোঁ
হেৰাই যোৱা সংলাপৰ পিছৰ অংশ ।

## দিনান্তৰ প্ৰতিচ্ছবি

চন্দন নাথ
উঃ মাঃ ২য় বাৰ্ষিক (কলা)

মোৰ নিঃশ্বাসবোৰ শূন্যতাৰ ভিতৰেৰে
বাগৰি যায়, দাগ কাটে বতাহত ।
দিন শেষ হ'ল, ৰাতিয়ে মেলি ধৰে তাৰ কুঞ্চিত মুখ ।
নদীৰ পাৰৰ মানুহ
সূৰ্য্যাস্তৰ সাঁকোৰ তলেৰে কুঁজা হৈ গুচি যায়
সিহঁতৰ সপোন ।
অন্ধকাৰত উভালি পৰে গছ ।
মোৰ কোঠাৰ খোলা খিৰিকীৰে বিচ্ছুৰিত হয়,
হাৰিকেনটোৰ পোহৰ
বাহিৰৰ আন্ধাৰ আকাশখনলৈ
এনেদৰেই শেষ হয়—মোৰ দৈনন্দিন জীৱনৰ
প্ৰতিটো দিন ॥

## অশ্ৰু আৰু মানুহৰ বুকু

কল্পনা ডেকা
উঃ মাঃ ১ম বৰ্ষ (কলা)

ৰাতিৰ আন্ধাৰৰ দৰে
মুক্ত হব পৰাহেঁতেন !
লুইতে যদি ধুৱাই নিলেহেঁতেন
অবিশ্বাস আৰু অশ্ৰু !
বতাহে যদি লৈ গ'লহেঁতেন
অলপ বিষাদ আৰু অতৃপ্ত ৰাতিবোৰ
নাইবা,
অশ্ৰুঘন বৰ্ষাৰ ধাৰাত
মানুহৰ বুকুবোৰ
পখালিব পৰাহেঁতেন !



## পৰিভ্ৰমণ

মলিন চন্দ্ৰ ৰাভা
স্নাতক মহলা (বিজ্ঞান)

তোমাৰ অজানিতে তোমাৰ শিঞ্জিত কণ্ঠৰ পৰা
ভাহি আহে সুৰৰ ৰূপহি অমিয়া,
দুপৰ বেলা ।
তোমাৰ অজানিতে মোৰ আপচু পঁজাটিৰ দুৱাৰ উদং কৰি
সেই মাদকতাপূৰ্ণ অমিয়া মই আকণ্ঠ পান কৰো,
আৰু এযুগলৈ' মাতাল হওঁ ।

বিপুল নামহীন মত্ততাত বিপন্ন হয় স্বাধীনতা ।
মই পাহৰি পেলাওঁ নিজস্ব ছন্দবদ্ধ সুৰ
পাহৰি পেলাওঁ দৃপ্ত শ্লোগান ;
অলক্ষিতে তোমাৰ সুৰ মোৰ সুৰ হৈ পৰে
তোমাৰ শ্লোগান মোৰ শ্লোগান ।

চৌদিশ আমোল মোলাই যোৱাকৈ
তোমাৰ সদ্য পুষ্পিত অমল দেহৰ পৰা নিৰ্গত কৰা তুমি
সুবিমল অনাঘ্ৰাত আতৰ ;
সেই আতৰৰ মোহনা বিচাৰি গৈ
অলক্ষিতে পাওঁগৈ তোমাৰ কাষ,
আৰু এনেদৰে আৰম্ভ হয় তোমাৰ পৰা মোলৈ
এক অন্তহীন নিত্য যাতায়ত ।

## অনুভূতি

অজিত দাস
স্নাতক তৃতীয় বাৰ্ষিক
অসমীয়া বিভাগ

এতিয়া মই মোৰে সৈতে
কথা পাতো অকলশৰে
যন্ত্ৰণাৰ গধুৰ বোজাটো
বুকুত বান্ধি লৈ----
এতিয়া মই কথা পাতো মোৰেই সৈতে ।
বুকুত হাত থলে দেখোন
অনুভৱ কৰোঁ—সেই একেই স্পন্দন।
মোৰ হৃদয়ৰ গভীৰতাত
কোনোবা অবাঞ্চনীয়তাই
সজাই দিলে
যন্ত্ৰণাৰ তীব্ৰ কাঁইটেৰে আগুৰা
এখনি ফুলবিহীন শৰাই ।
এতিয়া মোৰ চৌপাশে সমস্ত
ক'লা এন্ধাৰ
আৰু এই ক'লা এন্ধাৰবোৰ
কঢ়িয়াই লৈ------
এতিয়া মই কথা পাতো
মোৰেই সৈতে অকলশৰে ।



## হাতীপটিৰ বাটত

মনোজ কুমাৰ ডেকা
উঃ মাঃ ২য় বৰ্ষ (কলা)

সৰি পৰা চকুৰ পানীবোৰ
হেনো মুকুতা মণি,
তাকে লৈ মই যাম
হাতীপটিৰ দীঘল বাটটোত
ঘৰ এটা সাজিবলৈ ।
অৰ্থহীন গানৰ দৰে
মই বৈ যাম হাতীপটিৰ
দীঘল বাটত ।
অকলে
অকলে নিৰ্জন প্ৰেমহীন
পোহৰৰ মাজত ।



## সংঘাত

আকবৰ হুচেইন
স্নাতক ২য় বৰ্ষ (কলা)

তোমাৰ হাঁহিৰ সতে
মোৰ কান্দোনৰ সুৰৰ,
এক সমান্তৰাল গতি ।
জীৱনৰ এক নতুন অৰ্থ
তোমাৰ বাবে উদিত সূৰ্য্যৰ
এক ৰক্তিম পুৱা,
আৰু মোৰ বাবে ?
অস্তমিত সূৰ্য্যৰ
এক ভয়ংকৰ ৰাত্ৰি !!!
তুমি মোহিত হৈছা
হৃদয় ভৰা সুখত,
আৰু মই
বিচ্ছেদৰ জালাত দগ্ধ ।
ফুলৰ শৰাই লৈ
নতুনক আদৰাৰ বাবে
তুমি সাজু হৈছা ।
আৰু মই শূন্য দুহাতেৰে
দুচকু ঢাকি উচুপিছো ।
বন্ধু !
তুমিতো এবাৰো উভতি চোৱা নাই
মোৰ সিক্ত চকুযুৰি লৈ ।
চাবা, মাত্ৰ এবাৰ চাবা বন্ধু !
তাত দেখিবা জীৱনৰ এক নতুন অৰ্থ ।
তোমাৰ সপোনৰ এক বিপৰীত বাস্তৱ ।



# ENGLISH SECTION

# Energy From The Sea

**Prof. T. Sharma**
Dept. of Chemistry

□

**Introduction :**

In the last three decades of the twentieth century, the world began to recognise the inevitability of a global energy crisis. We are now aware that the present reserve of the conventional fossil fuels—oil, gas and coal and nuclear power based on uranium and plutonium are not going to last for ever. It, therefore, becomes necessary to look for alternative sources of energy to replace the conventional fuels.

Solar energy is thought to be the most promising source of the several alternatives at hand. Solar energy, in its widest sense, supports almost all processes on earth including the oceans and the seas. There are several methods for drawing energy from oceans viz.

1) Ocean Thermal Energy Conversion (OTEC)
2) Energy from ocean waves.
3) Energy from tide and tidal current.
4) Energy from ocean current.
5) Energy from ocean wind.
6) Energy from salinity gradient.
7) Energy from ocean geothermals.
8) Energy from kelp bio-conversion.

Each of these methods provide renewable sources of energy. They do not involve either the environmental and the waste disposal problems generally associated with the use of conventional fuels or the special security problems associated with nuclear energy production. One of the most important methods in the OTEC—'Ocean Thermal Energy Conversion'.

**Principle of OTEC :**

According to second law of thermodynamics, for the conversion of thermal energy into useful work, two temperatures—one higher and the other lower—are required. A heat engine works in cycle between these two temperatures and in the process a part of the heat energy is converted into work. In OTEC, these two different temperatures are obtained as follows : ..........

Total heat energy (in calori) contained in a substance of mass m gram, specific heat S and temperatures t°c is given by m.s.t. Assuming the specific heat of sea water to be unity and average temperature to be 20°c, we have a tremendous reservoir of heat energy in oceans since the mass of the ocean water is very large. Yet it will be useless if all the sea water is at the same temperature. However, a temperature gradient is created by the sun. The sun heats the oceans and its energy gets stored in the topmost layers. Below the surface, at a depth of about 1000 m, the temperature drops to a few degrees above the freezing point of water. This temperature difference between the warm water at the top and cold water at lower depths is maintained by the sun at no cost to us. OTEC can use this thermal gradient for conversion of heat energy to mechanical or electrical energy.

The principle of functioning of an OTEC plant is similar to that of an ideal heat engine. A working fluid like liquid ammonia or propane with a low boiling point is pumped into a boiler-evaporator in contact with the warm sea water. The heat of the warm water first vaporises the working fluid. This vapour under pressure is then allowed to expand whereby it turns a turbine coupled with a generator. The vapour leaving the generator is then channelled into a condenser at the lower temperature of the cold water zone. The vapour is converted to its liquid form and the working fluid is now pumped into the boiler-evaporator in the warm water zone to start the cycle again. A diagramatic representation of the working principle is given in figure 1.





Fig. 1

**Design and Efficiency of OTEC :**

The efficiency of a heat engine depends on the two temperatures between which it works—Greater the difference between these two temperatures, greater will be the efficiency. Thus, the location of an OTEC plant is largely decided by the maximum differences in water temperature with depth and large volume of sea water supply. Such geographical locations are mainly in the tropics or in the gulf stream zones. Indian waters are also suitable locations. But even in the most favourable locations, the temperature difference is not greater than 20°c. This brings down the efficiency to about 2·5% which is very low as compared to that of a conventional heat engine (about 35-40%). However, it must be kept in mind that the energy for the process comes free of cost. The low efficiency can be overcome by using much larger size of heat exchanger and a proper choice of working fluid.

The designs available today are largely those of anchored plants, either offshore or near the coastline. A new type of floating plant is also developed. It is called an ocean grazing plant and from season to season it can move to areas with the greatest temperature difference. Sattelite imagery is being used to map such locations.

There are, however, problems in the functioning of an OTEC plant. The type of metal used for the heat exchangers, growth of slimy scales on the surface of the heat exchangers, the extraordinarily long pipeline of very large diameter to be used and the environmental impact of the very large amount of water flow are some of the problems faced. Studies are going on to overcome these difficulties.

According to an American studies, the total power cost for OTEC lies between 21 to 28 paisa per KWH which is slightly higher than some of the conventionally generated powers. Transfer of OTEC power from plant to the shore by cable may add to the cost of production. But this problem can be solved to a great extent by combining a variety of industrial activities at or near the plant site as illustrated in fig. 2.





Fig. 2

**OTEC in India :**

The total power generation potential for OTEC in India is estimated to be quite high. It would largely depends upon the size and number of OTEC plants deployed along the Indian coastline which is very suitable for OTEC power generation. Each OTEC plant could have capacity between 25 MW to 50 MW and more plants may be added according to need. Nor are the cost considerations very unfavourable. OTEC power, according to US estimates, comes out to be cheaper than coal based power plants operating in India.

The total power generation capacity of India is roughly estimated to be 57-60% thermal, 39-40% hydroelectric and 2-3·0% nuclear. In contrast to this capacity, Tamilnadu Electricity Board estimated that the Tamilnadu coastline alone could sustain OTEC plants of 10,000 MW capacity.*

* **Source :** An article published in the Science Today.

VIEW POINT

# DOWRY :
## A CRIME MOST VILE

**Akbor Hussain**
T.D.C. IInd year
Eng. Deptt.

"Dowry", means "the property or wealth which is given away to a girl's husband at the time of her marriage". The term is sometimes used for dower (a gift given to or for a wife at marriage).

The system of dowry in India, is as oblas man. It is prevalent throughout the country. That the system is a social evil needs hardly to be said. Even other countries of the world are not quite free from this social evil.

Many of the evil traditional customs prevalent in India, have already been given up. But, the custom of dowry has not only continued but flourished, particularly during the last two decades. It is tried and used method of striking a good match, as well as of acquiring wealth and in course of time it has become an unavoidable integral part of the marriage institution.

In India, the custom of dowry was not so widespread during the period prior to Independence. The custom has become depreciably widespread in the years following independence.

It has, today, become customary among the affluent families even before the marriage is finalized to discuss and settle the amount and other assests to be given as dowry with the bride. This custom has now taken firm root among other families, not so affluent.

The rate of dowry varies according to the qualification of the bridegroom and the social status of the family. Some say that there are "rates" for Central and State Civil Service Officers and qualified engineers, doctors and professors. The amount of dowry in respect of prospective grooms employed in high posts goes upto several lakhs of rupees. Even a large number of boys employed in petty dealings of stationery and other articles now demand dowry, though their demands are confined to lesser amounts and other items which includes, gold ornaments, two wheelers, fridge, T.V. etc.

In fact, these days a regular marriage cannot be held, and a marriage without dowry is almost unthinkable. So this custom has come a curse, particularly to those parents who are either poor or unfortunate having several daughters. Formerly, such demands were made secretly, but now-a-days it is operated openly. The following eye catching words are quoted adverbation from page 38 of 2-8 July, 1989 issue of the SUNDAY.

**Justice Denied**

"The Delhi Police Shields a man accused of torturing his wife."

"Madhu's mother-in-law agreed that considering her son was an M.B.A. and was earning a handsome salary, he deserved a dowry of Rs. five lakhs at least."

Evils of the dowry system have already been affected the moral character of the Society. Hardly a day passes without one coming across some cases of dowry deaths in the national newspapers. Brides bringing less dowry than expected, are constantly ill-treated and tortured, mentally and physically by their husbands, in-laws and other relatives. Unable to bear ill-treatment and torture many commit suicide, many brides have been burnt to death by pouring kerosine or petrol on them by their husbands and in-laws.

The social reformers like Mahatma Gandhi, Kazzi Nazrul Islam, Swami Dayananda and others tried their best to create a social consciousness against the practice of this evil custom. The dowry prohibition Act was passed by the government in 1961, but it has failed to achieve any appreciable results, because, in eradication of social evils and laws one can never succeed unless the society wants to put an end to such evils. Moreover, it is next to impossible to catch the culprits red handed at the time of committing the crime.

At present several womans' organizations have come into being to check such social maladies. Educated young boys and girls are taking oaths not to indulge in such evil customs. Government have taken up either legislative measures so much so that both offering and accepting dowry are cognizable offences. However, the government needs full co-operation of the society. In most cases, both the parties of bride's and bridegroom's are found to have started secret deals between themselves. When such deals are not honoured the brides have to face the doom's day.

Total eradication of this social malady will be possible only when the moral of the people and the society changes. Young boys and girls must be well-educated and should not yield to the pressure of their parents. Educational institutions should explain to their students, the evil consequences of this evil system. Children must be allowed to read stories and reports dealing with ill effects of dowry.

The evils of the dowry system can be curbed and eliminated only through moral awakening, and reform of the social outlook. But, all this is not possible all of a sudden. So, the law and the judicial system should, in the meantime, take all possible steps to alleviate the sufferings of the dowry victims. ●

# THE FATHER OF MODERN ROCKETRY 'GODDARD'

**Lutfur Rahman**
H.S. 1st year (Sc.)
Goalpara College.

The word 'Rocket' brings such an idea of object into our mind on which the present day scientists lay great importance ; —that object which emits a gas towards the earth and moves towards the sky at such a marvelous speed which is beyond the reach of our eyes. As I think, at present greater importance is being laid on the rockets (spacecrafts) and also on the vast space energy. Space-craft on the rockets have now become the most essential objects without which no man like Armstrong would have come into prominence in the world, without which we could have no idea that there are lives on Mars. Rockets (spacecrafts) are at the root of the space exploration. Well, then, who had invented a rocket ? Of course, no one can give an exact reply to this question. But yet, The man, Robert H. Goddard (1882—1945) is said to be the father of modern rockets.

Right from childhood, Robert Goddard was fascinated by the idea of travelling in space. An avid reader of science fiction, Goddard was not content to let matters remain in the realm cf the imagination. He began to think about the mechanics of space flight. He became convinced that Newton's law of action and reaction was the key to sending a vehicle into space.

While studying at clark University in Worcester, USA, he began detailed studies and calculations of liquid propellant engines. He spent a year at Princeton working on the theory of rocket motion.

Goddard's experiments and theories led to a succession of patents, most of which are basic to the operation of modern-day rockets. For instance, the idea of a multi-stage rocket was patented by him.




In 1919 Goddard published an article calculating how heavy a rocket must be so as to lift a weight of one pound to various heights. There was also a section on raising one pound to an infinite height. Infinite meant space flight e.g. a voyage to the moon.

Unfortunatey, the newspapers made fun of his work, calling him a "moon man". They claimed that action and reaction could never em-power a rocket outside the atmos-phere, with no air to "push against".

Goddard did not react to this uniformed criticism. He preferred to continue his work, remaining silent till the press lost interest in him. The first flight of a liquid propellant rocket was on 16th March 1926. The rocket reached a height of 13 metres, a speed of 100 kmph and was in the air for 2·5 seconds.

During the second world war, Goddard was sought after by the Army to put his rockets tc 'use' in carrying bombs. However, neither the Army not the Air Force were interested in any of his newer projects. He was quite disappointed at this lack of support, though he did later get some funding from the Army and Navy for his work.

Goddard died in 1945. Much later, he was pasthumously honoured by the U.S. Congress and by the Smithsonian and Guggenhein Foun-dations. In 1960, the U.S. Govern-ment awarded his wife a million dolars for their use of over 200 of his pa-tents. But while he was alive, he fought virtually a lone battle for his ideas—his team consisted of just his wife and four assistants !



# COLLEGE MAGAZINES AND THEIR USES

Pranjit Chakravartty
T.D.C. 2nd year (Arts)
Goalpara College

Now-a-days many colleges are having magazines of their own. The College Magazine is an institution of comparatively recent origin; at least, it has been very recently introduced in the colleges of India. Such magazines are organised by the lecturers and students, who are invited to send their contributions to the Editor, who is usually a lecturer and is assisted by capable students or a committee of students and lecturers. Then a selection is made and the best articles are printed in the magazine with necessary additions and alterations. The cost of the magazine is met from a compulsory annual subscription from the students and the deficit, if any, is paid from the college funds.

The college magazine is a very useful institution. It acts as an incentive to the writing of good and original essays. Students in Indian colleges are sadly wanting in originality. The practice of cramming is resorted to even by the most brilliant students. And if there is anything that encourages originality of thinking and composition, it is the habit of writing for the college magazine. Students are fully conscious of the fact that many educated men will go through what they write. So, they should make every effort to make these contributions rich. The success they achieve and the praise they get, not only stimulate them, but inspire others with the ambition of seeing their names in print. Thus the college magazine has a high educative value.

Moreover college magazines contain statements concerning the progress of the students, the prizes they win, and the medals that are awarded to them. So, every student feels eager



to see his name in the progress report of the magazine; and this encourages each of the students to prosecute his studies with greater energy and vigour. The articles written by lecturers or professors contain many practical suggestions with regard to the duties of students both within the college compound and outside it. These suggestions are of great value to the students. Students may also learn how to write after reading the writings of their lecturers or professors.

Students who are on the executive committee can gather useful knowledge about the press and the mode of conducting periodicals. ●



LIFE STORY

# Thomas Alva Edison

## Greatest Inventor

**Meghali Sarmah**
T.D.C. 3rd year
Deptt. of Geography.

Thomas Alva Edison is generally considered as the greatest inventor of all times. His name, associated with a dozen different devices in every day use, has long been a household word. He made himself the greatest practical man of science of his age and the most successful inventor that the world has known. In the last century the western world led the way to mechanical civilization, and of that civilization Edison was the father. He invented the phonograph in the year 1876, by which he was the first, mechanically, to reproduce human speech and song, with mugic. In the most sophisticated device, the movie projector.

Thomas Alva Edison was born in a poor family on February 11, 1847 at Milan, Ohio. His mother was a Scottish descent, his father of Dutch. When he was seven years old the family moved to Port Huron, Michigan, and there young Thomas went to school for three months. During the three months he was well at the bottom of the class, and the teacher described him as "addled" and for that reason he could not study much.

Thomas then left school, and his future education was obtained from his mother and by his own experimental observation. As an experimental he stanted young : he tried to imitate a hen, by sitting on some eggs to hatch them, and he dosed the family odd-job man with seidlitz powders to see if the gases generated by them woned enable him to fly.

This last effort met with physical discouragement, and young Edison retired to the cellah where he began to assemble a laboratory. But chemicals cost money, so he applied for a concession to sell newspapers on trains running between Port Huron and Detroit. Edison soon saw the selling power of news : he installed a tiny printing plant on the train and produced his own paper. He also had a miniature laboratory in the luggage. Coach, while in his spare time he was experimently with telegraphy.

His travelling laboratory brought disaster. One day the train lurched suddenly : a stick of phosphorus was thron on to the floor and ignited — the coach caught fire. The angry conductor flung his laboratory and printing press on to the next station and soundly boned Edison's ears and from that buffeting came the deafness that afficted Edison throughout his life.

On that same railway station at the age of 15 Edison once saved the life of the station-master's son. The station-master, Mackenzie, who in gratitude taught Edison train telegraphy. Then he did the job of a telegraph operator travelling throughout the United States.

Thomas Alva Edison made a series of inventions. Some other famous inventions with which the name of Edison is associated with are as follows :

'Vote recorder', 'printing telegraph', 'carbon telegraph', 'Kinetophone' and 'fluoroscope', etc. His first patent was taken out in 1869, by 1910 he had applied for even 1,300. There was hardly a field by electrical or mechanical development he had not entered.

During the first world war, Edison was made head of the Naval Consulting Board of the United States, and he provided his country with some forty inventions for use in naval warfare.

In 1876 he married Mary Stilwell, by whom he had three children. She died in 1884 and two years afterwards he married Mina Miller.

The great inventor died on 18 October, 1931 of illness. Thus came to an end of great inventor who by his numerous inventions enriched human life and happiness.

## The Shadows

**Prof. S. V. Appayya**
**Head, English Deptt.**

When sun rises
mountains and trees
give birth to their shadows.
They keep growing till
the night falls
and licks them off.
Darkness is the shadow of night.
We walk in it like
fish in the river.
The shadows of children
are tender and delicate
I hug them when they fall on me.
When women walk out
they weave shadows
with their sari-frills—
Veritable umbrellas for their feet.
The fragrant shadows of damozels are lovely.

In the moonlit night
shadows of the mango trees
Fall on the sleeping tanks.
like water-drinking-elephants.
The shadows of peepal tree
Look like water
amidst the rocks.
When I put off the light
the shadow falls on me
like the whisper of my woman
I sleep.

Is it a shadow of a shadow ?
sun comes out like a chick from the egg-shell.
its rays
fall on my head
like tender fingers of my children.
I wake up
shedding off the intoxicated shadow
Light is spread on my bed
Is it a shadow of the sun ?
In shravan the clouds
Roll on in the sky
unrolling their carpets
on the lush green paddy fields
My grief is the shadow
of my laughter.
My body the shadow
of my soul.
The moon casts its nest on us.
all the night, to catch us.
When dawn breaks
The sun stretches its hands
to catch the moon
It blushes and fades off
dropping the nest nest on us.
In mid-summer
The neem trees invite me
to sit under them.
They cover me with
their cool garments
After a while
I come out of them
like a child
from my mother's womb.



## GOODBYE

**Narzima Rehman**
B.Sc. 1st year

Please don't wake me until
Late tomorrow comes
And I'll not be late
Late today when it becomes tomorrow
I'll have to go away
Goodbye, goodbye, goodbye, goodbye.
My love goodbye.
Songs that linger on my lips excites me now

And linger on my mind
Leaves your flowers at my door
I'll leave them for the one who waits behind

Far away my lover sings a lonely song
And calls me to his side
When the song of lonely love
invites me on I must go to his side
Goodbye, goodbye, goodbye, goodbye
My love goodbye.

## Hope or Expectation

**A. Mannan**
T.D.C. 1st year (Arts)

Those lands are barren, I know—
And the trees are leafless, though
Those flocks graze in all glee.
Along their dreaded country
Where shall I go ? Or, where shall I not ?
Here is my own country—
And I know, a vast mass awaits me
All in their hanging rope,
To see this diehard face-lift of me- - - -

Never say, in your sweet dreams ever
Lies your intake of breaths—
Even the sun's face or the winter's
Frozen dew would be sure to leave you,
Tell me, O the autumnal rain
Say from where do they come
To bid their good-bye
Good-bye to everyone !

# Men is the Truest Wealth of Nation

**Inamul Rafique**
H.S. 1st year (Sc.)

Men make a nation great
Not the glittering gold,
Men whose hearts pure and true
And both strong and bold,
Men who never fear defeat
For their country's cause ;
Men whom dangers cannot daunt
And who never pause,
Men who labour lovingly
Heedless of their own gain,
They are nation's truest wealth
Without them gold is vain.

# AWAKENING

**Akbor Hussain**
T.D.C. 2nd year
Eng. Deptt.

Today
I woke while it was still dark.
Petals of dreams
dropped one by one,
Like flowers from the fillet
of a fleeting fairy.
Now
On the thrones of my body
the din of the earth
And
Like receding shadows
the soft curiosity of dreams.



# I wrote your name

**Bikramjeet Sarkar**
H.S. 1st year (Arts)

I wrote your name
with raindrops on my
window, the spring breeze
took it away.

I wrote your name
on the sandy shore,
the ocean waves took
it away.

I wrote your name
on a rock with my
wet finger and the
sun took it away.

I wrote your name
with falling leaves but
the winter wind
blew it away.

I wrote your name
within my heart,
Then someone came and
took you away. □





# বিভাগীয় সম্পাদকৰ প্ৰতিবেদন ঃ



আৰম্ভণিতে যিসকলৰ আত্মাহুতি আমাৰ বাবে প্ৰেৰণাৰ উৎস হৈ ৰ'ল, সেইসকলৰ পবিত্ৰ স্মৃতিত এধানি অশ্ৰু অঞ্জলি যাচিছোঁ; লগতে যিসকলৰ সাহাযৰে এই দায়িত্বত অৱতীৰ্ণ হৈছিলো সেই সকলোটিলৈকে মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো ।

যোৱা কেইবছৰমান ধৰি আমি গোৱালপাৰা মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশটোৰ প্ৰতি খুবেই চিন্তিত আছিলো। সেই গতিকে দায়িত্বভাৰ গ্ৰহণ কৰাৰ লগে লগেই আমি বিনষ্ট শৈক্ষিক পৰিবেশ পুনৰ ঘূৰাই আনিবলৈ বিভিন্ন ধৰণৰ প্ৰচেষ্টা গ্ৰহণ কৰিছিলো। এই ক্ষেত্ৰত কিমানদূৰ সফলতা লাভ কৰিব পাৰিলো সেইটো সতকাই ক'ব নোৱাৰিম । এই ক্ষেত্ৰত আমাৰ উত্তৰসুৰীসকল আগবাঢ়ি আহিব এই আশা ৰাখিলো ।

এবছৰীয়া কাৰ্য্যকাল মহাবিদ্যালয়খনৰ বাবে স্থায়ীভাৱে কিবা এটা কৰিবলৈ খুবেই কম সময় । দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছত উশাহ নোঘূৰোতেই আহি পৰে মহাবিদ্যালয় সপ্তাহ; তাৰ পিছত একেলেথাৰিয়ে পৰীক্ষা, নাম ভৰ্ত্তিকৰণ, নবাগত আদৰণি সভা, মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচন আদিতেই আমি প্ৰধানকৈ ব্যস্ত থাকিবলগীয়া হয় । ইয়াৰোপৰি মহাবিদ্যালয়ৰ বিভিন্ন উৎসৱ, অনুষ্ঠানটো আছেই । এইবোৰৰ উপৰিও আমি মহাবিদ্যালয়ৰ বিভিন্ন দিশৰ উন্নতিৰ ক্ষেত্ৰত হাত দিছিলো। তাৰ ভিতৰত—মহাবিদ্যালয়ৰ অৰ্ধনিৰ্মিত তোৰণখন সম্পূৰ্ণ কৰি উলিওৱা, মহাবিদ্যালয়লৈ সোমোৱা পথৰ মেৰামতি কৰা, মহাবিদ্যালয়ৰ ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসৰ বিভিন্ন অসুবিধাসমূহ দূৰ কৰা, মহাবিদ্যালয়ৰ ছাত্ৰীনিবাসৰ চাৰিওফালে পকীবেৰৰ ব্যৱস্থা কৰা, মহাবিদ্যালয়ৰ পুথিভঁৰালৰ পুথিৰ পৰিমাণ বৃদ্ধি কৰা, মহাবিদ্যালয়ত শ্ৰেণীসমূহ নিয়মিতভাৱে হোৱা, মহাবিদ্যালয়ৰ খেলপথাৰৰ উন্নতিকৰণ ইত্যাদি ইত্যাদি ।

ছাত্ৰীনিবাসৰ চাৰিওফালে পকীবেৰৰ কাম অচিৰেই আৰম্ভ কৰা হ'ব বুলি অধ্যক্ষ মহোদয়ে আমাক আশ্বাস আগবঢ়ায় ।

শেষত মাৰ্জনা বিচাৰি হৈ যোৱা ভুল-ত্ৰুটিৰ প্ৰায়শ্চিত্ত কৰিব বিচাৰিছো; কাৰ্য্যকালত সহায়ৰ হাত আগবঢ়োৱা সকলোটিলৈ কৃতজ্ঞতাৰে—

**প্ৰদীপ বৰমুদৈ**
সাধাৰণ সম্পাদক
গোঃ মঃ ছাঃ সঃ

## সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ঃ

মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে যুগে যুগে অসমী আইৰ স্বাৰ্থ তথা অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণাহুতি দিয়া জ্ঞাত-অজ্ঞাত স্বদেশপ্ৰেমী বীৰ সকললৈ মোৰ শত প্ৰণাম আৰু শ্ৰদ্ধা নিবেদিছোঁ ।

যিসকল ছাত্ৰ-ছাত্ৰীৰ সহযোগত মই গোৱালপাৰা মহাবিদ্যালয়ৰ সহকাৰী সাধাৰণ সম্পাদক হিচাবে নিৰ্বাচিত হৈ প্ৰায় দুই হেজাৰ ছাত্ৰ-ছাত্ৰীৰ সেৱা কৰাৰ সুবিধা পাওঁ তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো ।

মই সহঃ সাঃ সম্পাদক হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কেইদিনমান পিছতেই মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয় । এই মহাবিদ্যালয় সপ্তাহত আমাৰ সম্পাদক তৰ্ক আৰু আলোচনী বিভাগ বিশেষ কাৰণত উপস্থিত নথকাত এই বিভাগৰ সকলো দায়িত্বভাৰ মহাবিদ্যালয়ৰ কাৰ্য্যকৰী সদস্যসকলে মোৰ ওপৰত দিয়ে। মই মোৰ দায়িত্ব মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰুসকল বিশেষকৈ আবেদুৰ ৰহমান শইকীয়া, মুন আহমেদ, অৰুণ শৰ্মা, সিদ্ধিনাথ শৰ্মা, খৰ্গেশ্বৰ নায়ক, হেমন্ত কলিতা, ভানু কলিতা আৰু তত্বাৱধায়ক অধ্যাপক থানেশ্বৰ শৰ্মাদেৱৰ সহযোগত চলাই নিবলৈ সক্ষম হোৱা বাবে তেওঁলোকৰ ওচৰত মই চিৰ কৃতজ্ঞ ।

আমাৰ মহাবিদ্যালয়ে সদৌ অসম মহাবিদ্যালয় ভিত্তিত এখনি তৰ্ক প্ৰতিযোগিতা পাতিবলৈ যো-জা কৰিছিল । এই প্ৰতিযোগিতাত বিভাগীয় সম্পাদকৰ দায়িত্ব সাধাৰণ সম্পাদকে লৈছিল আৰু সেই দায়িত্ব সাধাৰণ সম্পাদকে পালন কৰিব নোৱাৰিলে নে নকৰিলে সেইয়া মই নাজানো । ফলত প্ৰতিযোগিতাখন অনুষ্ঠিত নহ'ল।

দুখৰ বিষয় গোৱালপাৰা মহাবিদ্যালয় সংবিধানে সহঃ সাঃ সম্পাদকক নিজস্ব কোনো ক্ষমতা দিয়া নাই। সকলো কাম-কাজ সাধাৰণ সম্পাদকৰ জৰিয়তে অৰ্থাৎ তলত থাকি কৰিব লাগে। যিকোনো কাম এজনৰ তলত থাকি কৰিলে কামটো কেনে হয় সেয়া নিশ্চয় সকলোৰে জ্ঞাত ।

১৯৯২-৯৩ চনৰ সাংস্কৃতিক সম্পাদকে যুৱ মহোৎসৱত সাধাৰণ সম্পাদকৰ অবিহনে মোক গুৱাহাটী বিশ্ববিদ্যালয়লৈ লৈ যায় আৰু তাত মই সদৌ অসম মহাবিদ্যালয় সাধাৰণ সম্পাদকৰ বৈঠকত মই গোৱালপাৰা মহাবিদ্যালয়ৰ পৰা যোগদান কৰি মহাবিদ্যালয়ৰ অভাৱ-অভিযোগৰ কথা দাঙি ধৰিবলৈ সক্ষম হওঁ ।

অৱশ্যে সহঃ সাঃ সম্পাদক হিচাপে মোৰ কোনো নিজস্ব কাম নাথাকিলেও বিভিন্ন বিভাগীয় সম্পাদকসকলৰ লগত বিশেষকৈ উৎসৱ, সাংস্কৃতিক আৰু আলোচনী সম্পাদকৰ কাম-কাজত ওতঃপ্ৰোতভাৱে জড়িত থাকি কামসমূহ চলাই নিয়াত সহায় কৰিছিলো । আমাৰ কাৰ্য্যকাল শেষ হোৱাৰ আগে আগে সাধাৰণ সম্পাদকে মহাবিদ্যালয়ৰ আধৰুৱা মুখ্য তোৰণ আৰু চাইকেল ষ্টেণ্ডটো নিৰ্মাণ কৰাৰ দায়িত্ব মোক, উৎসৱ সম্পাদক, সাংস্কৃতিক সম্পাদক আৰু আলোচনী সম্পাদকক বুজাই দিয়ে আৰু এই ক্ষেত্ৰত আমি সম্পূৰ্ণ দায়িত্ব পালন নকৰিলেও কিছু পালন কৰিছিলো বুলি মোৰ ভাৱ হয় ।

সদৌ শেষত মোৰ প্ৰতিটো কাৰ্য্যক্ষেত্ৰত অকুণ্ঠ সহায় আগবঢ়োৱা সকলো ছাত্ৰ-ছাত্ৰী আৰু মোৰ সতীৰ্থ ৰত্নাকৰ দা, আফতাবুৰ, নন্দ, শংকৰ, প্ৰদ্যুম্ন, মনোজ, খিতু, সনৎ, ত্বৰিৎ, ৰূপম, বিশ্ব, যিশু, দিপু, উজ্বল, সন্তোষ, স্বপন, মৃণাল, গোপাল, দিপাঙ্কৰ, বিক্ৰম, নুৰ জামান, জৈবেন্দু, বিশ্বজিৎ, জুপি, অৰণিমা, কৰবী, চুইটী, বৰ্ণালী, চুলতান, ৰুবুল, গৌতম, দুলাল ।

মহাবিদ্যালয়ৰ ছাত্ৰাবাস, ছাত্ৰীবাসৰ সমূহ আবাসীৰ ওচৰত মই মোৰ কৃতজ্ঞতা স্বীকাৰ কৰিলো আৰু মোৰ কাৰ্য্যকালছোৱাত অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা মাগিছোঁ । লগতে গোৱালপাৰা মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতিৰ কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো ।

॥ জয় আই অসম ॥

**ৰাজেশ কুমাৰ ঘোষ**
সহকাৰী সাধাৰণ সম্পাদক
গোঃ মঃ ছাঃ সন্থা।





## ক্ৰিকেট বিভাগ সম্পাদকৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ আৰম্ভণিতে মই গোৱালপাৰা মহাবিদ্যালয়ৰ যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে মোক ক্ৰিকেট সম্পাদক পদত নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সেৱা কৰাৰ বাবে সুযোগ দিছে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো ।

মই ক্ৰিকেট বিভাগৰ সম্পাদক হিচাবে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছতেই মহাবিদ্যালয় সপ্তাহৰ সন্মুখীন হওঁ । মহাবিদ্যালয় সপ্তাহত গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ সন্থা আৰু শিক্ষক সন্থাৰ মাজত এখনি প্ৰদৰ্শনীমূলক সীমিত অভাৰৰ ক্ৰিকেট খেল অনুষ্ঠিত কৰোঁ। উক্ত খেলত গোৱালপাৰা মহাবিদ্যালয়ৰ শিক্ষক সন্থাই জয়লাভ কৰে ।

গোৱালপাৰা মহাবিদ্যালয়ৰ মহাবিদ্যালয় সপ্তাহৰ পিছতেই কটন মহাবিদ্যালয়ৰ দ্বাৰা আয়োজিত এখনি আন্তঃ মহাবিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰোঁ। প্ৰতিযোগিতাখন আমাৰ আৰু বি, বৰুৱা মহাবিদ্যালয়ৰ মাজত অনুষ্ঠিত হৈছিল । উক্ত খেলখনত আমাৰ মহাবিদ্যালয়ে পৰাজয় বৰণ কৰে । কাৰণ খেলখনৰ ঠিক কিছুদিন পিছতেই আমাৰ মহাবিদ্যালয়ৰ পৰীক্ষা থকাৰ বাবে উক্ত খেলত প্ৰতিভাৱান খেলুৱৈ নিৰ্বাচিত কৰিব পৰা নাছিলো। অতি কমসময়ৰ ভিতৰত মহাবিদ্যালয়ৰ পৰা প্ৰতিভাৱান খেলুৱৈ বাছি উলিয়াই শক্তিশালী দল গঠন কৰা অকল মোৰ বাবেই নহয় সকলো সম্পাদকৰ বাবেই কঠিন কাম । তথাপি মই সম্পাদক হোৱাৰ পিছৰ পৰা মহাবিদ্যালয়ত খেল পাতিবলৈ চেষ্টা কৰিছিলো । মোৰ কাৰ্য্যকালছোৱাত বহুত সামগ্ৰীৰ অভাৱ আছিল কিন্তু সেইবোৰ আৰ্থিক নাটনিৰ বাবে ক্ৰয় কৰিব পৰা নগ'ল ।

শেষত মোৰ কাৰ্য্যকালছোৱাত সদায় উপস্থিত থাকি দিহা-পৰামৰ্শ দি সহায় আগবঢ়োৱা বাবে তত্বাৱধায়ক মাননীয় শ্ৰীভক্তি মেধী চাৰৰ ওচৰত মই চিৰ কৃতজ্ঞ। লগতে মোৰ সকলো কামত সহায় কৰাৰ বাবে বিশেষকৈ ৰূপম দাস, ৰাজেশ ঘোষ, হেমাংগ দাস, ৰুবুলৰ লগতে সমূহ বন্ধু-বান্ধৱীলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

সদৌ শেষত গোৱালপাৰা মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতিৰ লগতে উজ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন ইমানতেই সামৰিছো ।

"জয় আই অসম"
জয়তু সদৌ অসম ছাত্ৰ সন্থা

ধন্যবাদেৰে —
**শ্ৰীকমল কিশোৰ শৰ্মা**
সম্পাদক, ক্ৰিকেট বিভাগ

## ফুটবল আৰু ভলীবল সম্পাদকৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ আৰম্ভণিতে সমূহ জ্ঞাত-অজ্ঞাত বীৰ শ্বহীদলৈ আন্তৰিক শ্ৰদ্ধা জনাইছো। লগতে গোৱালপাৰা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। আৰু গোৱালপাৰা মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। মোৰ প্ৰতি আস্থা ৰাখি যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থাৰ ১৯৯৪-৯৫ বৰ্ষৰ নিৰ্বাচনত প্ৰতিদন্দিতা কৰাই সুস্থ মানসিকতাৰে ফুটবল আৰু ভলীবল বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সেৱা কৰিবলৈ সুযোগ দিয়ে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সম্পাদক হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ খুব কম দিনৰ পিছতে "মহাবিদ্যালয় সপ্তাহ" উদযাপনৰ বাবে প্ৰস্তুতি কৰিবলৈ গৈ খোজে পতি উজুটি খালো। ইয়াত মই বহুত অসুবিধাৰ মাজেৰে ভলীবল প্ৰতিযোগিতা খেলখন পাতো। এই খেলখন মই দলভিত্তিত পাতিছিলোঁ আৰু ১৮টা দলে অংশ গ্ৰহণ কৰিছিল। অৱশেষত মোজমুল ইছলামৰ দল আৰু অপূৰ্ব কুমাৰ দাসৰ দলৰ মাজত চূড়ান্ত খেলখনত মোজমুল ইছলামৰ দলে বিজয়ী সন্মান লাভ কৰে আৰু অভিজিৎ দাসে বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে সুনাম অৰ্জন কৰে।

এইবছৰ গুৱাহাটী বিশ্ববিদ্যালয় "আইন মহাবিদ্যালয়"ৰ সৌজন্যত আন্তঃ মহাবিদ্যালয় ভলীবল প্ৰতিযোগিতা হৈ যায় আৰু তাত আমাৰ মহাবিদ্যালয়ৰ দলে পাটাছাৰকুছি মহাবিদ্যালয়ৰ সৈতে খেলত অংশ গ্ৰহণ কৰি পৰাজয় হব লগা হোৱাত সকলোৰে মনত এটি আক্ষেপৰ ৰেখাপাত হৈ গ'ল।

ফুটবলৰ ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়ৰ অৱস্থা অলপ দুখ লগা। কাৰণ খেলপথাৰখন, য'ত নেকি খেলৰ বতৰত পানীৰে ভৰপূৰ হৈ থাকে। তাত খেলিব পাৰি যদিও ভালদৰে খেলিব নোৱাৰি। এই কাৰণে খেলৰ অভ্যাস কৰাৰ অসুবিধা। মহাবিদ্যালয়ত বিভিন্ন প্ৰান্তৰ পৰা অহা বহুত ভাল খেলুৱৈ আছে কিন্তু সিহঁতক বাচি উলিওৱা টান। কাৰণ বিনা প্ৰতিযোগিতাৰে খেলুৱৈসকলক নিৰ্বাচন কৰিব নোৱাৰি সেয়ে আন্তঃ শ্ৰেণী প্ৰতিযোগিতাৰে ভাল দল গঠন কৰি কোনো বাহিৰৰ প্ৰতিযোগিতাত যোগদান কৰিলে ভাল খেল খেলিব পাৰি। এইটো মই কৰিব নোৱাৰাৰ বাবে বৰ দুঃখিত। আশাকৰোঁ ভৱিষ্যতে খেলত আমাৰ মহাবিদ্যালয়ে সুনাম অৰ্জন কৰিব পাৰিব। খেলপথাৰখনে মোক ইয়াৰ পৰা অলপ বঞ্চিত কৰিছিল। এইটো ফুটবলৰ ক্ষেত্ৰতহে। আশাকৰোঁ ইয়াৰ উন্নতি আহিব।

শেষত মোৰ কাৰ্য্যকালত বিভিন্ন ধৰণে নিষ্ঠা সহকাৰে নিজৰ স্বাৰ্থ ত্যাগ কৰি মোক সহায় কৰাৰ বাবে ৰমেশ বৰ্মন চাৰ, তত্বাৱধায়ক ভক্তি মেধি চাৰৰ ওচৰত মই চিৰ কৃতজ্ঞ। লগতে মোক প্ৰতিটো কাৰ্য্যক্ষেত্ৰতে অকুণ্ঠ সহায় আগবঢ়োৱা চৰিত্ৰ দাস, অজিত দাস, বিপুল, ধনজিৎ দাস, হিৰণ্য, ভূৱন, কেশৱ, বুবুল, জিতু, হৰিপদ, নিকুঞ্জ, বুলবুল, তৰিৎ, হিতেশ, ধৰ্মেশ্বৰ, বলভদ্ৰ, ছাত্ৰ একতা সভাৰ সমূহ কৰ্মীবৃন্দ সকলক লৈ মোৰ ভাষাহীন কৃতজ্ঞতা থাকিল আৰু প্ৰতি মুহূৰ্তেতে ছাঁৰ দৰে থাকি মোক বিপদত পৰিব নিদিয়াকৈ প্ৰতিটো কাৰ্য্যক্ষেত্ৰতে বিশেষ সহায়ৰ হাত আগবঢ়োৱা বন্ধু ৰূপম দাসৰ ওচৰতো মই চিৰ কৃতজ্ঞ। সদৌ শেষত মোৰ সকলো প্ৰকাৰৰ ভুলৰ বাবে সকলোৰে পৰা ক্ষমা বিচাৰি গোৱালপাৰা মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি আৰু উজ্জ্বল ভৱিষ্যত কামনা কৰি প্ৰতিবেদন ইয়াতে সামৰণি মাৰিছোঁ।

জয়তু গোৱালপাৰা মহাবিদ্যালয়

"জয় আই অসম"

**শ্ৰীসঞ্জিৎ কুমাৰ মেধি**
সম্পাদক, ফুটবল আৰু ভলীবল বিভাগ



## অন্তঃদ্বাৰ ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ আৰম্ভণিতে অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত প্ৰাণ আহুতি দিয়া সমূহ শ্বহীদলৈ শ্ৰদ্ধা নিবেদন কৰিছোঁ। ১৯৯৩-৯৪ চনৰ বাবে যিসকল ছাত্ৰ-ছাত্ৰীয়ে এইখন মহাবিদ্যালয়ৰ অন্তঃদ্বাৰ ক্ৰীড়া বিভাগৰ সম্পাদকৰ পদলৈ নিৰ্বাচিত কৰি মহাবিদ্যালয়খনক সেৱা আগবঢ়োৱাৰ সুযোগকণ দিলে তেওঁলোকলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

নিৰ্বাচিত হোৱাৰ পিছত বহুত কিবাকিবি কৰাৰ মানস কৰিছিলো কিন্তু নতুনত্ব অকণমানো আনিব নোৱাৰিলো। মোৰ ফালৰ পৰা চেষ্টাৰ ত্ৰুটি কৰা নাছিলো। প্ৰতিটো কামতে অনুভৱ কৰিছিলো মাথো টকা-পইচাৰ অভাৱ। মহাবিদ্যালয় সপ্তাহ এনেকুৱা এটা সময়ত আৰম্ভ হয় যিটো সময় বেডমিন্টন খেল পতাৰ বাবে অকণো অনুকূল নহয় সেয়ে যথেষ্ট অসুবিধা হৈছিল। এইবাৰ কলেজ সপ্তাহত এটা লক্ষণীয় বিষয় আছিল যে সীমিত সা-সুবিধাৰ মাজতো প্ৰতিযোগীৰ সংখ্যা একেবাৰে নগণ্য নাছিল। কলেজ সপ্তাহত মাত্ৰ চাৰিটা প্ৰতিযোগিতা পাতিব পৰা গৈছিল। খেলৰ মানদণ্ড যিয়ে নহওক প্ৰতিজন প্ৰতিযোগীৰ খেলুৱৈসুলভ মন এটা থকাৰ নিশ্চয়কৈ দৰকাৰ। কলেজ সপ্তাহত শ্ৰেষ্ঠ অন্তঃদ্বাৰ খেলুৱৈ বিবেচিত কৰিব পৰা নগ'ল।

মোৰ কাৰ্য্যকালছোৱাত প্ৰতিটো মুহূৰ্ততে, প্ৰতিটো কামতে সৰ্বতোপ্ৰকাৰে সহযোগিতা কৰাৰ বাবে মাননীয় শিক্ষাগুৰু প্ৰদীপ শীল চাৰৰ ওচৰত চিৰ কৃতজ্ঞ। লগতে মোক বিভিন্ন কামত সহায় কৰা প্ৰদীপ, ত্বড়িৎ, পংকজ, হুমায়ুন, ৰাজেশ, প্ৰণৱ, বিক্ৰম, সন্দীপ, হিতেন্দ্ৰ দা, লুইচ আৰু সমূহ গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা ছাত্ৰাবাসৰ সমূহ আবাসীলৈ মোৰ আন্তৰিক ধন্যবাদ যাচিলো।

অজানিতে কৰা ভুলৰ বাবে ক্ষমা বিচাৰি, গোৱালপাৰা মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

জয়তু গোৱালপাৰা মহাবিদ্যালয়

"জয় আই অসম"

ধন্যবাদেৰে —

**হেমাঙ্গ কুমাৰ দাস**
সম্পাদক, অন্তঃদ্বাৰ ক্ৰীড়া বিভাগ
গোৱালপাৰা মহাবিদ্যালয়



## সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ

মোৰ প্ৰতিবেদন লিখাৰ আৰম্ভণিতে অসমী আইৰ অস্তিত্ব ৰক্ষাৰ্থে হাঁহিমুখে প্ৰাণ আহুতি দিয়া জ্ঞাত-অজ্ঞাত বীৰ-বীৰাঙ্গনা সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা যাচিলো। মোক গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশটোৰ হয়তো অদূৰ সপোন হাতত লৈ যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক নিৰ্বাচিত কৰিছিল, তেওঁলোকক মোৰ আন্তৰিক কৃতজ্ঞতা নজনাকৈ থাকিব নোৱাৰো। কিন্তু মই সাংস্কৃতিক সম্পাদক হিচাপে নিৰ্বাচিত হৈ মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশত কিমানখিনি মোৰ কাৰ্য্য পালন কৰিলো, সেইখিনি মই নেজানো। মোৰ কাৰ্য্যকাল আৰম্ভ হোৱাৰ কিছুদিন পাছতে মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। গতিকে মোৰ অজ্ঞাত জ্ঞানৰ মাজেৰে মহাবিদ্যালয় সপ্তাহ উপলক্ষে পতা সংগীত প্ৰতিযোগিতাবোৰ সুকলমে হৈ যায়। তাৰ বাবে মই আমন্ত্ৰণ কৰি অনা প্ৰতিযোগিতাৰ বিচাৰক শ্ৰীউদয় শঙ্কৰ দে দা, ক্ষিৰোদ কলিতা, ডাঃ চক্ৰৱৰ্তী খুৰা লগতে মাধুৰী বাইদেউহঁতক চিৰ কৃতজ্ঞতা নজনাকৈ থাকিব নোৱাৰো। মহাবিদ্যালয় সপ্তাহত সংগীত প্ৰতিযোগিতাৰ শ্ৰেষ্ঠা গায়িকা হিচাপে নাছৰিন ফিৰদৌচী ইছলামে সন্মান লাভ কৰে লগতে সেই বছৰ শ্ৰেষ্ঠ অভিনেত্ৰী আৰু পৰিচালিকা হিচাপে শ্ৰীভূপালী পাটগিৰিয়ে সন্মান লাভ কৰে। ইয়াৰ পৰা ধাৰণা কৰিব পাৰি যে এই দুয়োগৰাকী মহাবিদ্যালয়ৰ ছাত্ৰীয়ে অদূৰ ভৱিষ্যতে তেওঁলোক সংগীত আৰু অভিনয়ৰ মাজেৰে মহাবিদ্যালয়ৰ লগতে গোৱালপাৰা চহৰৰ নাম উজ্জ্বল কৰিব বুলি আশা কৰিব পাৰি।

কিন্তু ইয়াতে উল্লেখযোগ্য যে আমাৰ মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশত এজোৰ ডাইনা-টবলা আৰু এটা হাৰমনিয়ামে কিমান দূৰ সফলতা কঢ়িয়াব পাৰিব সেইখিনি পাঠক-পাঠিকাবৃন্দই বিচাৰ কৰি চাওক।

মোৰ কাৰ্য্যকালছোৱাত মোৰ দায়িত্বসমূহ পালন কৰোতে অৰ্থনৈতিক ফালৰ পৰাই হওক বা অইন কিবা দিশত সন্মুখীন হোৱা অসুবিধাবোৰ মোৰ তত্বাৱধায়ক হিচাপে থকা শিক্ষাগুৰু ৰুমি ছাৰৰ প্ৰচেষ্টাৰ ফলত সেইখিনি দূৰ হয়। তাৰ বাবে মই ছাৰলৈ কৃতজ্ঞতা জনালো। লগতে মোৰ কাৰ্য্য পালন কৰোতে যদি অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ছাৰলৈ মই ক্ষমা বিচাৰিলো। যোৱা গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰ পৰা গৈ বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰাত আমাৰ মহাবিদ্যালয়ৰ শ্ৰীঅমল মেধীয়ে আৰ্টত এটা সোণৰ পদক আৰু দুটা ৰূপৰ পদক লাভ কৰে। শ্ৰীৰহিত ৰাভাই জনজাতীয় সংগীতত ৰূপৰ পদক আৰু মোৰ লগতে বিজু, নয়ন, অভিজিৎ, বৰ্ণালী, কবিতা, লক্ষিপ্ৰিয়া আৰু ধৰ্মা ৰাণীৰ দ্বাৰা গোৱালপৰীয়া নৃত্যত ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সুবিধা পাওঁ।

মোৰ কাৰ্য্যকালৰ অভিজ্ঞতাৰ পৰা কওঁ যে মহাবিদ্যালয় সপ্তাহত হোৱা সংগীত প্ৰতিযোগিতাবোৰ যুৱ মহোৎসৱৰ লগত সংযোগ ৰাখিহে মোৰ পিছৰ সম্পাদক সকলে যাতে অনুষ্ঠিত কৰে তালৈ মোৰ শত অনুৰোধ। তেতিয়াহ'লেহে তেওঁলোকে তেওঁলোকৰ কাৰ্য্যকালত সুবিধা পাব বুলি মই ভাবো। আমাৰ মহাবিদ্যালয়ে সাংস্কৃতিক দিশত এক অইন এখন আসন অধিকাৰ কৰি আহিছে আৰু পিছৈল যাতে থাকে তাৰ বাবে মই আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত আশা ৰাখিলো। লগতে মোৰ কাৰ্য্যকালৰ সময়ছোৱাত মোৰ প্ৰতিটো কামতে মোৰ লগত ছাঁৰ দৰে সহায় কৰা মোৰ বন্ধু-বান্ধৱীবৰ্গলৈ লগতে ৰত্ন দালৈ কৃতজ্ঞতা জনাই মই মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

॥ জয়তু গোৱালপাৰা মহাবিদ্যালয় ॥

**শ্ৰীশংকৰ দাস**  
সম্পাদক, সাংস্কৃতিক বিভাগ  
গোঃ মঃ ছাঃ সন্থা





## সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল ছাত্ৰ-ছাত্ৰীয়ে গোৱালপাৰা মহাবিদ্যালয়ৰ সমাজসেৱা বিভাগৰ সম্পাদক হিচাপে মোক নিৰ্বাচিত কৰিছিল সেই সকললৈ মোৰ পূৰ্ণ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

এই বিভাগৰ সম্পাদক হিচাপে শপত গ্ৰহণ কৰাৰ পিছতেই 'মহাবিদ্যালয় সপ্তাহ' আহি পৰে। মোৰ বিভাগৰ কাম হিচাপে মই প্ৰথমতে দুখন গেট উলিয়ালো আৰু দুদিন পিছতে ছাফাই প্ৰতিযোগিতা পতা হ'ল। বিশেষকৈ এইটো প্ৰতিযোগিতাত নিচেই কম সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে তাৰবাবে মই বৰ দুঃখিত। তথাপিও প্ৰতিযোগিতাটো শান্তিপূৰ্ণভাৱে পাৰ হৈ যায়।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা মই বিভাগীয় দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি মই জোৰ দি আহিছো। অৱশ্যে বাটত উজুটিও খাইছে। সেইকাৰণে মই কিছুমান কাম কৰিম বুলি ভাবিও কৰিব পৰা নাই। যি কি নহওক ভুল হ'ল ক্ষমা কৰিব বুলি আশা কৰিলো।

সদৌ শেষত নিষ্ঠুৰ বাস্তৱ আৰু সংঘাটৰ সৈতে মুখামুখি হৈ নিজৰ আদৰ্শ পথভ্ৰষ্ট নকৰি মাতৃভূমি ৰক্ষাৰ কাৰণে বিগত কালছোৱাত যিসকলে প্ৰাণ বিসৰ্জন দিলে সেই মহান শ্বহীদসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি আৰু পৰিয়ালবৰ্গৰ প্ৰতি হিয়াভৰা কৃতজ্ঞতা থাকিল। মোক দিহা-পৰামৰ্শ আগবঢ়োৱা তত্বাৱধায়ক অধ্যাপক জ্যোতিষ দাসৰ লগতে মোক বিশেষভাৱে সহায় কৰাৰ বাবে সনৎ দা, মোজাম্মেল দা, দিলীপ দা, জাহিদুল দা, নন্দ দা, বুবুল দা, শংকৰ দা, ৰাজেশ দা, ৰফিকুল দা, মোস্তাফিৰ দা আৰু ছাত্ৰ সন্থাৰ সদস্যবৃন্দ আৰু মহাবিদ্যালয়ৰ ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনাৰে

**ছাজিদুৰ হুচেইন**  
সম্পাদক, সমাজ সেৱা  
গোঃ মঃ ছাঃ সঃ।

## ঃ আমাৰ প্ৰাক্তন আলোচনী সম্পাদকসকল ঃ

মহেন্দ্ৰ দাস (১৯৫৭-৫৮)
শ্যামাচৰণ দাস (১৯৫৮-৬০)
সুৰেশ ৰাভা আৰু
নিৰ্মাল্য কুমাৰ দাস (১৯৬০-৬১)
ৰোহিণী কুমাৰ চৌধুৰী (১৯৬১-৬২)
মনি ৰাভা (১৯৬২-৬৩)
দ্বিপেন্দ্ৰ চন্দ্ৰ দাস (১৯৬৬-৬৭)
বিনয় কুমাৰ শৰ্মা (১৯৬৭-৬৮)
মোক্‌চাদ্‌ আলী আৰু
নৰেশ দাস কলিতা (১৯৬৮-৬৯) (অস্থায়ী)
নৰেশ দাস কলিতা (১৯৬৯-৭০)
ত্ৰিদীপ নাথ চক্ৰৱৰ্ত্তী (১৯৭০-৭১)
সুলোচন ৰাভা (১৯৭১-৭২)
অজন্তা দাস (১৯৭২-৭৩)
চাজেৰ ৰহমান (১৯৭৩-৭৪)
আনোৱাৰ হুছেইন (১৯৭৫-৭৬)
আজিজৰ ৰহমান (১৯৭৬-৭৭)
ভৰত চন্দ্ৰ দত্ত (১৯৭৭-৭৮)
আহিদুৰ জামান (১৯৭৮-৮০)
ইৰছাদ আলী (১৯৮১-৮২)
গৌতম সোম (১৯৮৩-৮৪)
জয়ন্ত মেধী (১৯৮৫-৮৬)
প্ৰশান্ত নাথ (১৯৮৬-৮৭)
চুলতানা গিয়াচুদ্দিন আহমেদ (১৯৮৭-৮৮)
নীলাঞ্জন দাস (১৯৮৮-৮৯)
জৈবোন্দু জ্যোতি পাটগিৰী (১৯৮৯-৯০)
ইন্দ্ৰানী বৈশ্য (১৯৯০-৯১)
দিগন্ত বৰুৱা (১৯৯১-৯২)
বকুল গুৰুং (১৯৯২-৯৩)